সোণাৰি মহাবিদ্যালয় বাৰ্ষিক মুখ-পত্ৰ-১৯৯২-৯৩

সোণাৰি মহাবিদ্যালয়
তেজস্বি নাবধীতমস্তু
SONARI COLLEGE

# সোণালী

Book No. 9
SONARI COLLEGE LIBRARY

Book No.........................
Sonari College Library



সম্পাদক : শ্ৰীঅমৃত বাইলুং

আন্তৰিক সশ্ৰদ্ধ প্ৰীতি, মৰম আৰু অন্তৰংগতাৰে ঃ

With due honour, love and best wishes :

প্ৰতি / To

শ্ৰী/Mr. ______________________

______________________

শ্ৰী অমৃত বাইলুং

—সম্পাদক

Book No.....................
Sonari College Library

# সোণালী

## সোণাৰি মহাবিদ্যালয় আলোচনী

সোণাৰি মহাবিদ্যালয়
তেজস্বি নাবধীতমস্তু
SONARI COLLEGE

Book No.....................
Sonari College Library

### বাৰ্ষিক প্ৰকাশ

১৯৯২।৯৩ খ্ৰীষ্টাব্দ

সম্পাদনাত

**অমৃত বাইলুং**

# সম্পাদনাৰ নেপথ্যত

**সভাপতি :**
অধ্যক্ষ শ্ৰী গোলাপ বৰগোঁহাই

**অলংকৰণ আৰু অংগসজ্জা :**
অমৃত বাইলুং

**বেটুপাতৰ পৰিকল্পনা**
সম্পাদনা সমিতি

**উপদেষ্টাদ্বয় :**
অধ্যাপক ৰবীন কোঁৱৰ
অধ্যাপিকা ৰতিপ্ৰভা গগৈ

**প্ৰকাশক :**
ছাত্ৰ একতা সভা : ১৯৯২-৯৩
সোণাৰি মহাবিদ্যালয়, সোণাৰি

**সম্পাদক :**
অমৃত বাইলুং

**বেটুপাত**
অৰুণ বৈৰাগী

**সদস্য :**
উৎপল চেতিয়া
খগেশ্বৰ বৰুৱা
নোমল বৰুৱা

**মুদ্ৰনত**



নডাৰ্ণ প্ৰিণ্টাৰ্চৰ স্বত্বাধিকাৰী
আব্দুৰ ৰেজাক আৰু সকলো কৰ্মী।

**সদস্যা :**
বিজয়লক্ষ্মী গগৈ



# এই সকলৰ ওচৰত আন্তৰিক কৃতজ্ঞতা

★ মহাবিদ্যালয়ৰ অধ্যক্ষ গোলাপ বৰগোহাঁই লৈ।
★ উপাধ্যক্ষ সুৰেশ দাস লৈ।
★ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য মুকুন্দ মাধৱ শৰ্মা লৈ।
★ মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ সমূহ অধ্যাপক-অধ্যাপিকা, প্ৰৱক্তা বৃন্দলৈ।
★ লেখনি সমূহ নিৰ্বাচনত সহায় কৰা অধ্যাপক বিনন্দ মহন, অধ্যাপক দিলীপ ৰঞ্জন বৰুৱা, অধ্যাপক ৰবিন কোঁৱৰ, অধ্যাপক সুনিল দত্ত, অধ্যাপিকা ৰতিপ্ৰভা গগৈ, অধ্যাপিকা জয়ন্তী গগৈ আদি চাৰ আৰু বাইদেউলৈ।
★ গ্ৰন্থ গাৰিকা আৰু কৰ্মচাৰী বৃন্দলৈ ——————।
★ আলোচনী সম্পাদনা সমিতিৰ উপদেষ্টাদ্বয় আৰু সদস্য / সদস্যালৈ।
★ বিভিন্ন সৰস লেখনিৰে আলোচনী সৌষ্ঠৱ বৃদ্ধি কৰা সমূহ লেখক লেখিকালৈ।
★ বেটুপাতৰ শিল্পী :- অৰুণ বৈৰাগীলৈ।
★ অন্যান্য দিশত দিহা-পৰামৰ্শ, সহায়-সহযোগ আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সমূহ বিষয় ববীয়ালৈ।
★ বিভিন্ন দিশত সহায় সহযোগ আগবঢ়োৱা বন্ধু বান্ধৱী সকল :- হৰেণ দেৱ, সুশান্ত, অনামিকা, ইন্দেশ্বৰ, প্ৰশান্ত, অজিত, সুমন্ত, বিনয়, ৰূপজ্যোতি, ৰাজেশ, জিতু, লোকেশ্বৰ, ৰমাকান্ত, ৰাজীৱ, যদু, বিশ্বজিৎ, দীপক, হেম, জোনালী, মৌচুমী, ননীমালা, কৰবী, ৰেখা ভন্তী, টুটুমণি, ৰুবী, অৰুনীমা, ৰিজুমণি, স্বপ্ননালী, ভাইটি ঋতুৰাজ, সুৰোজ, মৃন্ময়পন, ৰিতুপন্ন, জ্যোতি আৰু বহুতো সুপ্ৰিয় ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ —
★ মডাৰ্ণ প্ৰিণ্টাৰ্চৰ স্বত্বাধিকাৰী আব্দুৰ ৰেজাক আৰু সকলো কৰ্মীলৈ।

আৰু

★ সদৌ শেহত, শত সহস্ৰ 'সোণালী'ৰ শুভাকাংখীলৈ আন্তৰিক কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ।

— সম্পাদক, সোণাৰি মহাবিদ্যালয় আলোচনী —




সোণাৰি মহাবিদ্যালয়ৰ
১৯৭০ চনৰ জন্মলগ্নৰে পৰা যি সকল প্ৰৱক্তাই
শিক্ষাদান কৰিছে, যিসকল ছাত্ৰ-ছাত্ৰীয়ে
শিক্ষাগ্ৰহণ কৰিছে আৰু যিসকল
অক্লান্ত কৰ্মীয়ে মহাবিদ্যালয়ৰ
উন্নতিৰ হকে শ্ৰম, অৰ্থদান
কৰিছে সেই সকলৰ
লগতে সমূহ পাঠকৰ
হাতত এই সংখ্যাৰ
'সোণালী' খন উছৰ্গা কৰিলো।



# শুভেচ্ছা বাণী

Mukunda Madhava Sharma
M. A., PH.D.,D.LITT (CAL), KAVYATIRTHA
Vice—Chancellor

Dibrugarh University
DIBRUGARH—786004
Assam : India
PHONE ( O )—70239
( R )—70203

নং-ডি বি : ১০২২
৬।৩।৯৩

প্ৰতি

শ্ৰীমনিদীপ মহন,
উপ-সভাপতি, সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা

শ্ৰীঅমৃত বাইলুং
আলোচনী বিভাগৰ সম্পাদক, সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা

স্নেহাস্পদেষু,

তোমালোক দুয়োৰে পৰা এখন এখন চিঠি পাইছিলো। কিন্তু বিশ্ববিদ্যায়ৰ কামত মই ১৫ দিন অসমৰ বাহিৰত আছিলো বাবে উত্তৰ দিয়া পলম হ'ল। সেই বাবে যেন বেয়া নোপোঁৱা।

"সোণালী"ৰ আগন্তুক সংখ্যাটো যাতে সৰ্বাঙ্গসুন্দৰ ৰূপে প্ৰকাশ পায় আৰু নজ আদৰ্শৰ বাহক হৈ ই যাতে সংসাহিত্য ৰূপে স্বীকৃতি লাভ কৰিব পাৰে তাৰ বাবে মোৰ আন্তৰিক শুভেচ্ছা জনালো।

এই চিঠিৰেই তোমালোকৰ মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক, অধ্যাপিকা, বিষয়া-কৰ্মচাৰী আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ যথাযোগ্য সম্ভাষণ আৰু সস্নেহ শুভেচ্ছা জ্ঞাপন কৰিলো।

ইতি

মুকুন্দ মাধৱ শৰ্মা

# শ্ৰদ্ধাঞ্জলি

জীৱনৰ কৰ্মময় পথাৰত যি সকলে মানৱ জাতিৰ বাবে স্বকীয় গৰিমাৰে অৱদান আগবঢ়াই আমাৰ মাজৰ পৰা আঁতৰি গ'ল, সেই সকল শিল্পী, কবি, সাহিত্যিক, শিক্ষক, সাংবাদিক, গীতিকাৰ বিপ্লৱীসকলৰ পৱিত্ৰ স্মৃতিত আমাৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

"সোঁৱৰণী মোৰ, সেয়ে হওক তোৰ বাণী।
শবাই ভৰাই দিলো ফুল ততো চকুপাণী"

**স্বদেশ আৰু স্ব-জাতিৰ হকে বুকুৰ শোনিত নিগৰাই, অসমী আইৰ বুকুখন কৰি জীৱন আহুতি দিয়া বীৰ শ্বহীদ সকলৰ পৱিত্ৰ আত্মাক শ্ৰদ্ধাৰে সোঁৱৰিছোঁ।**

প্ৰাকৃতিক দুৰ্যোগ, আততায়ীৰ সন্ত্ৰাস, দুৰ্ঘটনা আদিত মৃত্যুবৰণ কৰা শত-সহস্ৰ জ্ঞাত-অজ্ঞাত বিশ্ববাসীলৈ আমাৰ শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

"আই তোৰ আঁচলত অতবোৰ ৰঙাগোলাপৰ কলি
আলফুলকৈ ললি শত শ্বহীদৰ বুকুৰ বিমল হাঁহি"



# অনুক্ৰমনিকা


**অসমীয়া বিভাগ ঃ** — পৃষ্ঠা

সম্পাদকীয় ........ ১

**প্ৰবন্ধ**

- চাহ বাগিচাত নাৰী শিক্ষা। ........ বীণা বালা বাউৰী ৩
- অসমৰ আপুৰুগীয়া সোণালী সূতাৰ কাহিনী। ........ অধ্যাপক বুদ্ধিন গগৈ ৫
- ভাৰতবৰ্ষৰ ঔদ্যোগিক উন্নয়ন আৰু ঔদ্যোগিক নীতি। ........ উৎপল চেতিয়া ৯
- ★ পাৰ্বতি প্ৰসাদ বৰুৱাৰ গীতি কবিতাৰ ভাষা। ........ অধ্যাপক, বিনন্দ মহন ১৩
- ★ অসমৰ আৰ্থিক উন্নয়ন আৰু খনিজ সম্পদ। ........ বিনয় ৰঞ্জন ফুকন ১৬

**গল্প**

- এপাহ শেৱালী ........ মাধুৰিমা গগৈ ১৯
- পলাশৰ জুই ........ অধ্যাপিকা ৰতি প্ৰভা গগৈ
- নিয়তি ........ মৃনালী শৰ্ম্মা ২৫
- পৰাজয় ........ শেখৰজিৎ গগৈ ২৬
- মকৰাজাল ........ অৰুণ কুমাৰ বৈৰাগী ৩১
- মৰীচিকা ........ দেৱজ্যোতি সন্দিকৈ ৩৫

**কবিতা**

- বিষ্ণুৰভা! তুমি আকৌ আহিবানে? ........ বিজুমণি গগৈ ৪৪
- বাজু বৰুৱাৰ স্মৃতিত ........ চৰিত্ৰ চেতিয়া ৪৫
- অবুজ সপোন ........ শুভজিৎ গগৈ ৪৫
- প্ৰত্যাশা ........ মৃণালী শৰ্ম্মা ৪৬
- মৃত্যুৰ গৰাহত ........ উমাকান্ত গগৈ ৪৬
- তথাপি মই জীয়াই আঁছো ........ ইন্দেশ্বৰ বড়া ৪৭
- অপেক্ষা ........ বিজয়লক্ষী গগৈ ৪৭
- কবিতা ........ মণিদীপ মহন ৪৮
- তোমাৰ গান শুনিম ........ অনামিকা কোঁৱৰ ৪৮
- চিঠিৰ আকাৰে কবিতা ........ ৰতন ৰাজোৱা ৪৯
- সাধুৰ হাঁচতি ........ জোনমণি বৰুৱা ৪৯

**কুইজ**

........ৰবিতা খাটনিয়া/শুজিত কুমাৰ দে ৫০

**ছাত্ৰ একতা সভাৰ ভিতৰ চ'ৰা**

(১৯৯২-৯৩)ৰ ছাত্ৰ একতা সভাৰ সংক্ষিপ্ত বাৰ্ষিক খতিয়ান

- ★ দ্বা বিংশতিতম মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত হোৱা বিভিন্ন প্ৰতিযোগিতা সমূহৰ ফলাফল : ৫৬

**প্ৰতিভাৰ ৰেঙণী** ........ বাৰ্ষিক কলেজ সপ্তাহৰ ৰেঙণি আদি (আলোক চিত্ৰ)

**সাক্ষাৎ প্ৰসংগ** ........

ফাগুনৰ এটি মিঠা আবেলি : অধ্যক্ষ, গোলাপ বৰগোঁহাই দেৱৰ সৈতে ৬৩

- ★ সোণাৰি মহাবিদ্যালয়ৰ পোন প্ৰথম ছাত্ৰ-ছাত্ৰী সকল ৬৫
- ★ অনুৰাগ অথবা প্ৰেম ........ ৬৬

**অন্যান্যত** ........

শেৰ-শায়েৰী, মুকুতামালা আদি : ১৮/২৪

# মৃত্যুৰ শীত পৰশত আমাৰ দুখ

মৃত্যুৰ শীতল হাতৰ পৰশত আমাৰ মাজৰ পৰা হেৰাই যোৱা আমাৰ মহাবিদ্যালয়ৰ স্নাতক দ্বিতীয় বাৰ্ষিক, কলা বিভাগৰ ছাত্ৰ তৰুণ ঠাকুৰ, আকস্মিক ভাৱে মৃত্যুক সাৱটি লোৱা আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ, একালৰ লঘু খেল বিভাগৰ সম্পাদক, ছাত্ৰনেতা, উদয়াদিত্য গগৈ আৰু যোৱা ইং ১৮/১১/৯২ তাৰিখে বহুদিন দুৰাৰোগ্য ৰোগত ভুগি মৃত্যুক সাৱটি লোৱা আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ মৃদুল চাংমাইৰ স্মৃতিত আমাৰ অশ্ৰুসজল পুষ্পাৰ্ঘ্য অৰ্পণ কৰিছোঁ –

তেওঁলোকৰ আত্মাই চিৰ প্ৰশান্তি লাভ কৰক”

## ‘সোণালী’ৰ সম্পাদনা সমিতি



ৰতিপ্ৰভা গগৈ
উপদেষ্টা



অধ্যক্ষ
শ্ৰীযুত গোলাপ বৰগোঁহাই



ৰবীন কোঁৱৰ
উপদেষ্টা



অমৃত বাইলুং
সম্পাদক



নোমল বৰুৱা
সদস্য



উৎপল চেতিয়া
সদস্য



বিজয়লক্ষ্মী গগৈ
সদস্যা



খগেশ্বৰ বৰুৱা
সদস্য

# প্ৰতিভাৰ ৰেঙণি . . .



এক উদিত প্ৰতিভা — কুশল ৰাজকোঁৱৰ→ বছৰৰ শ্ৰেষ্ঠ এথেলেট ঃ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দলত ১৯৯১-৯২ ৰ আন্তঃবিশ্ববিদ্যালয় প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি ১০০ মিটাৰ দৌৰত দ্বিতীয় আৰু ট্ৰিপোল জাম্পত প্ৰথম স্থান অধিকাৰ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে ।





সুনীল শৰ্মা
বছৰৰ শ্ৰেষ্ঠ গায়ক ১৯৯২-৯৩



দিগন্ত গগৈ
ষ্ট্ৰং মেন অৱ সোণাৰী মহাবিদ্যালয়
(১৯৯২-৯৩)



অৰ্পনা বৰফুকন
বছৰৰ শ্ৰেষ্ঠা অভিনেত্ৰী



বিপ্লৱ গগৈ
বছৰৰ শ্ৰেষ্ঠ নাট পৰিচালক



←তিলো গগৈ-
১৯৯১-৯২ চনৰ আন্তঃমহাবিদ্যালয়ৰ 'শ্বট্‌পুট', 'জেভেলিন' আৰু 'ডিস্কাছত' ক্ৰমান্বয়ে প্ৰথম স্হান লাভ কৰি এওঁ মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনে । ইয়াৰোপৰি তিলোৱে ১৯৯২-৯৩ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ হৈ আন্তঃবিশ্ববিদ্যালয়ত মধ্যপ্ৰদেশ গোৱালিয়ৰত অংশ গ্ৰহণ কৰি 'শ্বটপুট'ত সোণৰ আৰু 'জেভেলিনত' ৰূপৰ পদক লাভ কৰে ।



বেটুপাতৰ শিল্পী : অৰুণ বৈৰাগী ১৯৭৬ চনৰ পৰা ১৯৯৩ চনলৈকে বেটুপাত অঙ্কন কৰিছে

## মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা
## কাৰ্য্যকাল — ১৯৯২-৯৩



বাওঁফালৰ পৰা চকীত বহি (প্ৰথম শাৰী) - অধ্যাপক-বিনন্দ মহন, অধ্যাপক-বুধিন গগৈ, অধ্যাপক-ৰাজীৱ কটকী, অধ্যাপক-টংকেশ্বৰ বৰুৱা, অধ্যাপক-মুহিধৰ চেতিয়া, অধ্যক্ষ-গোলাপ বৰগোঁহাই, অধ্যাপক-উৎপল কোঁৱৰ, অধ্যাপক-সুচিত্ৰ ৰাজখোৱা, অধ্যাপক- ভূপেন দিহিঙ্গীয়া, অধ্যাপক-পল্টু পাল ।

বাওঁফালৰ পৰা থিয় হৈ - অমৃত বাইলুং (আলোচনী সম্পাদক ), নোমল বৰুৱা (সাধাৰণ সম্পাদক ), খগেশ্বৰ বৰুৱা (সাহিত্য আৰু তৰ্ক সম্পাদক ), অধ্যাপক দিলীপ ৰঞ্জন বৰুৱা, অধ্যাপক -মিন্তু গগৈ, অধ্যাপক অমৃত বৰপূজাৰী, শেখৰজিৎ গগৈ (শ্ৰেণী প্ৰতিনিধি ), যদু চাংমাই (শ্ৰেণী প্ৰতিনিধি ), মণিদীপ মহন (উপ-সভাপতি), হেপ্পী মহন ( ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদিকা)

অনুপস্হিত সম্পাদকসকল : শুভ কান্ত গগৈ (সমাজসেৱা সম্পাদক ) উৎপল চেতিয়া ( সহকাৰী সাধাৰণ সম্পাদক ) ভদ্ৰ বুঢ়াগোঁহাই (গুৰুখেল বিভাগৰ সম্পাদক ) দিতুল গগৈ ( লঘু খেল বিভাগৰ সম্পাদক ) দেৱজ্যোতি দিহিঙ্গীয়া (সংগীত বিভাগৰ সম্পাদক ), পূৰ্ণানন্দ ফুকন (সাংস্কৃতিক বিভাগৰ সম্পাদক ) তিলক পায়েং (শৰীৰ চৰ্চা বিভাগৰ সম্পাদক ), দীপু ৰঞ্জন দত্ত (ছাত্ৰ জিৰনি চ'ৰাৰ সম্পাদক ), মৃদুল দিহিঙ্গীয়া, বিপ্লৱ হাতীকাকতি, অৰূপ কোঁৱৰ (শ্ৰেণী প্ৰতিনিধি )

Book No.....................
Sonari College Library




একবিংশ শতিকাৰ দুৱাৰ-ডলিত থিয় হৈ সমস্যাবহুল পৃথিৱীখনলৈ দৃষ্টি নিক্ষেপ কৰিলে হতাশাৰে মন ভৰি পৰে। হত্যা, লুণ্ঠন, ধৰ্ষণ আদি অধঃ পতিত নৈতিকতা, মানৱতাৰ অৱমূল্যায়ন দৈনিক বাতৰিৰ শিৰোণামাত। এনে এক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মানৱতাবাদ প্ৰতিষ্ঠাৰ প্ৰশ্নত সমাজৰ কৰ্ণ-ধাৰ সকলৰ বিভিন্ন জনে ইয়াৰ গুৰি বিচাৰি সামাধানৰ পথ নিৰ্দ্দেশ কৰিছে। তেনে বহল পৰিসৰৰ তাত্বিক আলোচনালৈ নগৈ মোৰ জ্ঞানৰ সীমিত পৰিধিৰে এটা কথা ক'বলৈ প্ৰয়াস কৰিছোঁ যে সকলোৱে কৰ্ত্তব্য আৰু দায়িত্ব নিয়াৰিকৈ পালন কৰিলেই সমাজৰ বহু পৰিমাণে সুস্থিৰতাই বিৰাজ কৰিব। কিন্তু দুখৰ বিষয় আজি সমাজত নিজ কৰ্ত্তব্য আৰু দায়িত্ব পালন কৰিবৰ বাবে বেছি ভাগৰেই নিজৰ কৰ্ত্তব্য আৰু দায়িত্বৰ সম্যক জ্ঞান নাই। ফলত কৰ্ত্তব্য আৰু দায়িত্বৰ নামত চৰম ব্যক্তি কেন্দ্ৰিকৰ পৰিচয়হে দাঙি ধৰে। এজন ব্যক্তি একেলগে ভাতৃ, পিতৃ, চুবুৰীয়া, চাকৰিয়াল লগতে দেশৰ নাগৰিক ইত্যাদি ইত্যাদি। কিন্তু আমাৰ শতকৰা ৯৯% জন ব্যক্তিয়েই বাকী সকলো পৰিচয়ৰ মাজত কেৱল পিতৃৰ কৰ্ত্তব্য আৰু দায়িত্ব পালন কৰিবলৈ গৈ স্বাৰ্থপৰতাৰ জঘন্য উদাহৰণহে দাঙি ধৰে। বিশ্লেষণৰ বাবে দাঙি ধৰিব পাৰোঁ শিক্ষা জগত খনৰ কথাকে। দেশৰ ধৰণী স্বৰূপ শিক্ষাজগত খনলৈ চকু দিলেই দেখিবলৈ পাম যে বৃত্তি

হিচাপে শিক্ষক সকলৰ কৰ্ত্তব্য ছাত্ৰ-ছাত্ৰীক শিক্ষাদান কৰা। দৈনিক ৰুটিন মতে নিৰ্দিষ্ট কৰি দিয়া শ্ৰেণী সমূহত ৩০ / ৪০ মিনিটত বক্তৃতাটো ছাত্ৰ-ছাত্ৰীৰ মাজত দি থৈ অহাতেই শিক্ষক সকলে কৰ্ত্তব্য আৰু দায়িত্ব শেষ বুলি ভাৱে। কিন্তু শৈক্ষিক পৰিবেশ গঢ় দিয়া, ছাত্ৰ-ছাত্ৰীক শিক্ষাৰ প্ৰতি আগ্ৰহী কৰি তোলা আদি এশ এবুৰি সমস্যাৰ ক্ষেত্ৰত তেওঁ লোকৰ ভূমিকা শূন্য। আনহাতে ছাত্ৰ-ছাত্ৰী সকলেও পৰীক্ষাত ভাল নম্বৰ পোৱাটোকেই মূল লক্ষ্য হিচাবে লৈ মাথো মেধাৱী ছাত্ৰৰ পৰিচয়হে দাঙি ধৰে। আমি পাহৰি যাওঁ মানুহ হিচাবে আমাৰ পৰিচয় আৰু আমি পাহৰি যাওঁ মানুহ হিচাবে আমাৰ কৰ্ত্তব্য আৰু দায়িত্ব। ইয়াৰ ফলতেই আজি সমাজত উচ্ছৃংখলতাই দেখা দিছে। আমাৰ সকলো পৰিচয়ৰ উৰ্দ্ধত মূলতঃ আমি মানুহ সেয়ে অমূল্য মানৱ সম্পদ ৰক্ষাৰ দায়িত্বত সকলোৰে ওচৰত মোৰ গোহাৰি আহক আমি আমাৰ হৃদয় গহনত খোদিত কৰি লওঁ মানৱদৰদী কবি বড়ু চণ্ডীদাসৰ আপ্ত বাক্য স্বৰূপ সেই উক্তি — "সবাৰ ওপৰে মানুষ সত্য তাহাৰ ওপৰে নাই"

ইয়াৰ শুভ কামনাৰে।

★★★

## বিশেষ একাষাৰঃ—

এখন শিক্ষানুষ্ঠানৰ বাৰ্ষিক প্ৰকাশিত আলোচনী এখনৰ মানদণ্ড সেই কালছোৱাৰ ছাত্ৰ-ছাত্ৰী সকলৰ লিখনিৰ ওপৰত প্ৰধানকৈ নিৰ্ভৰ কৰে। গতিকে এখন উৎকৃষ্ট মানদণ্ডৰ আলোচনী প্ৰকাশ কৰিবলৈ হ'লে সেইমতে উৎকৃষ্ট লিখনিৰ যে প্ৰয়োজন তাক বুজাই নকলেও হ'ব।

ছাত্ৰ-ছাত্ৰী সকলৰ মাজৰ পৰা যি কেইটা লিখনি পাইছিলো তাৰ ভিতৰত অনিৰ্বাচিত লেখনীসমূহৰ দূৰৈৰ কথা, প্ৰায় বিলাক নিৰ্বাচিত লেখনী ধুই পখালিহে ছপাশাললৈ প্ৰেৰণ কৰা হৈছে। ইংৰাজী আৰু অসমীয়া উভয় মাধ্যমতে পদ্য আৰু গদ্যৰ বেলিকা অসংলগ্ন বাক্য গঠন আৰু বানান ভুলৰ প্ৰাচুৰ্য দেখা গ'ল। তথাপি আমাৰ তৰাং চিন্তা ধাৰাই আলোচনীখনি সৰ্বাঙ্গ সুন্দৰ কৰাত গাফিলতি কৰা নাই। মাত্ৰ এটা কথাই কব পাৰোঁ। ভুলৰো এক সৌন্দৰ্য্য আছে, সেই সৌন্দৰ্য্যৰ আঁৰত থকা ভালখিনি আপোনালোকে গ্ৰহণ কৰি বাকী সমূদায় ভুল-ত্ৰুটি মোৰ ওপৰত জাপি দিলেই সুখী হ'ম।

শেষত, আশা ৰাখিছোঁ মহাবিদ্যালয়ৰ পৰবৰ্ত্তী বছৰ বোৰত নবীনতম পুৰুষৰ হাতত 'সোণালী'ৰ উজ্জলতা দুগুণে প্ৰকাশ পাব।

**অমৃত ৰাইলুং**



প্ৰবন্ধ প্ৰবন্ধ প্ৰবন্ধ প্ৰবন্ধ প্ৰবন্ধ প্ৰবন্ধ প্ৰবন্ধ
প্ৰবন্ধ প্ৰবন্ধ প্ৰবন্ধ প্ৰবন্ধ প্ৰবন্ধ প্ৰবন্ধ প্ৰবন্ধ

# প্ৰবন্ধ

প্ৰবন্ধ প্ৰবন্ধ প্ৰবন্ধ প্ৰবন্ধ প্ৰবন্ধ প্ৰবন্ধ প্ৰবন্ধ
প্ৰবন্ধ প্ৰবন্ধ প্ৰবন্ধ প্ৰবন্ধ প্ৰবন্ধ প্ৰবন্ধ প্ৰবন্ধ

১। " পৰিবৰ্ত্তনৰ মৰ্ম কথা গ্ৰহণ কৰিবলৈ হ'লে মনৰ দুৱাৰ খিড়িকী মেলি থ'ব পাৰিব লাগিব, — মনৰ নেমেলা খিড়িকীত কোনেও আহি মাত নিদিয়েহি। মনৰ দুৱাৰ-খিড়িকী মেলি থলেহে কেউদিশৰ পৰা বিচিত্ৰ প্ৰৱাহ আহি ইয়াক জাতিস্কাৰ কৰি তোলাটো সম্ভৱ।"
--হেম বৰুৱা

২। " ইতিহাসে একো নকৰে : ইতিহাসৰ বিপুল ধনসম্পত্তি নাই, ইতিহাসে যুদ্ধ বিগ্ৰহ নকৰে। মানুহেহে-বাস্তৱ, জীৱন্ত মানুহে কৰে, সম্পত্তিৰ মালিক হয়, যুদ্ধ-বিগ্ৰহ কৰে।"
—কাৰ্ল মাক্স

৩। " ছাঁ সদায়ে ছাঁয়েই, তাক বাধা দিওঁতা কেও নাই ; কিন্তু বেলিৰ পোহৰৰ বাটত শ শ বং বহণ ওলাই পৰে। তেনেকৈয়ে দুখো সুখতকৈ একেবাৰেই বেলেগ বস্তু কিন্তু সুখৰ পথত হেজাৰ দুখৰ আঘাত আৰু বেদনাৰ বাধা।"
—ৰাজতৰঙ্গিণী

## চাহ বাগিচাত নাৰী শিক্ষা

শ্ৰীমতী বীণা বালা ৰাউৰী
সোণাৰি কলেজ
স্নাতক ২য় বাৰ্ষিক
অসমীয়া বিভাগ

এখন ৰাষ্ট্ৰৰ উন্নতিৰ বাবে পুৰুষ আৰু নাৰী উভয়ৰে সামূহিক প্ৰচেষ্টাৰ আৱশ্যক। ৰাষ্ট্ৰ গঠনৰ ক্ষেত্ৰত পুৰুষ আৰু নাৰীৰ সমান দায়িত্ব আৰু কৰ্ত্তব্য আছে। ৰাষ্ট্ৰ এখনৰ প্ৰগতিৰ প্ৰধান চালিকা শক্তি হৈছে সাৰ্বজনীন শিক্ষা। সেয়েহে দেশ এখনক প্ৰগতিৰ পথত আগুৱাই নিবলৈ জাতি, বৰ্ণ, নাৰী, পুৰুষ নিৰ্বিশেষে প্ৰত্যেকজন নাগৰিক শিক্ষিত হ'ব লাগিব। আমাৰ ভাৰতৰ সংবিধানে ভাৰতবৰ্ষক এখন সমাজবাদী গণতান্ত্ৰিক দেশহিচাপে অভিহিত কৰিছে। সেয়েহে আমাৰ দেশত শিক্ষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব অধিক। আমাৰ দেশত পুৰুষৰ তুলনাত শিক্ষিতা নাৰীৰ সংখ্যা কম। সেয়েহে আমাৰ দেশত নাৰী শিক্ষাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছে।

প্ৰতি গৰাকী নাৰীয়ে এগৰাকী বোৱাৰী, পত্নী, মাতৃ, গৃহিণী আদিৰ দায়িত্ব গ্ৰহণ কৰিব লগা হয়। গৃহস্থালি পৰিচালনা, তথা সন্তানৰ লালন-পালনৰ ক্ষেত্ৰত প্ৰধান ভূমিকা গ্ৰহণ কৰিব লগা হয় এগৰাকী নাৰীয়ে। এনেধৰণৰ কাৰ্য্য পৰিচালনা কৰোঁতে এগৰাকী নাৰীয়ে বহু সমস্যা তথা সংঘাতৰ সন্মুখীন হ'ব লগাত পৰে। শিক্ষিতা নাৰীয়ে নিজৰ বিচাৰ বিবেকেৰে এই সমস্যা তথা সংঘাত দূৰ কৰি নিজৰ প্ৰতিভা আৰু ব্যক্তিত্বৰ বিকাশ ঘটাব পাৰে, কিন্তু অশিক্ষিতা নাৰী এই ক্ষেত্ৰত মানসিক আৰু শাৰীৰিক ভাৱে অক্ষম দেখা যায়। দৈনন্দিন জীৱনত পোৱা অভাৱ, আহুকাল সমস্যা আৰু সংঘাতে অশিক্ষিতা নাৰীক কেতিয়াবা পথৰ পৰা বিচলিত কৰাও দেখা যায়। আমাৰ দেশত নাৰী সকল শিক্ষাৰ ক্ষেত্ৰত অতি অভাৱনীয় ভাৱে পিচ পৰি আছে। অশিক্ষিতা হোৱা বাবে এই নাৰী সকলে দৈনন্দিন জীৱনত পোৱা অভাৱ, সমস্যা আদিৰ লগত লক্ষ্যহীন ভাৱেহে সংগ্ৰাম চলাই আহিছে।

ৰাষ্ট্ৰপিতা মহাত্মাই নাৰী শিক্ষাৰ ব্যাপক প্ৰসাৰ আৰু প্ৰচাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। স্বাধীনোত্তৰ কালত আমাৰ জাতীয় চৰকাৰে নাৰী শিক্ষাৰ সম্প্ৰসাৰণৰ অৰ্থে বহু আচঁনি আৰু অনানুষ্ঠানিক শিক্ষা আচঁনিতো নাৰী সকলৰ বাবে সুকীয়া ব্যৱস্থা কৰিছে।

চাহ বাগিচাৰ নাৰী সকলৰ মাজত শিক্ষাৰ পোহৰ একেবাৰে নগণ্য পৰিমাণৰ। চাহ শ্ৰমিক নাৰীসকল এগৰাকী শ্ৰমিক হিচাপে চাহবাগিচাত নিচেই কম বয়সৰ পৰা কাম আৰম্ভ কৰে আৰু গতানুগতিক ভাৱে কৰ্মময় জীৱন অতিবাহিত কৰিব লগা হয়। চাহ শ্ৰমিক নাৰী সকলে কুকুৰা ডাকতে শোৱাপাটী এৰিব লগা হয় আৰু কল-ঘৰৰ ঘণ্টাধ্বনিৰ প্ৰতি সজাগ থাকি প্ৰাতঃকৃত্য সমাপ্ত কৰি ৰান্ধনি-শালত পুৱাৰ চাহ জলপান তৈয়াৰ কৰাত ব্যস্ত হৈ পৰে। পৰিয়ালৰ স্বামী পুত্ৰাদিৰ লগত অতি সামান্য জলপান খাই বাগিচাৰ কামলৈ ওলাই যায়। দিনটো বাগিচাৰ কামত কটোৱাৰ পিছত ভাৰাক্ৰান্ত হৈ সন্ধ্যা ঘৰলৈ উভতি আহে। ঘৰলৈ আহিয়েই নিজৰ ল'ৰা-ছোৱালীৰ খা-খবৰ লয় আৰু গা-পা ধুই ৰান্ধনী শালত প্ৰৱেশ কৰে আৰু নিশাৰ সাজৰ বাবে ৰন্ধা বঢ়াত ব্যস্ত হৈ পৰে। ভাত পানী খোৱাৰ পিছত ভাগৰুৱা দেহাটিক লৈ শোৱা পাটিত পৰে—এয়ে চাহ বাগিচাৰ নাৰী শ্ৰমিক সকলৰ দৈনন্দিন জীৱনৰ কাৰ্য্য-তালিকা বা দিনলিপি। তেওঁলোকৰ এই ব্যস্ততা পূৰ্ণ দৈনন্দিন কাৰ্যসূচীত শিক্ষা-দীক্ষা গ্ৰহণ কৰিবলৈ ভাল বা চিন্তা-চৰ্চা কৰিবৰ অৱকাশ নাই। সেয়েহে চাহ বাগিচাৰ নাৰী সকল শিক্ষাৰ ক্ষেত্ৰত অভাৱনীয় ভাৱে পিছ পৰা। ঘৰ এখনৰ সম্পূৰ্ণ দায়িত্ব ঘৰৰ গৃহিণী গৰাকীৰ ওপৰত ন্যস্ত থাকে। এনেস্থলত চাহ-বাগিচাৰ নাৰী সকল দিনটো বাগিচাৰ কামত ব্যস্ত হৈ থকা বাবে তেওঁলোকে নিজৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ বাবে ল'ব লগা যত্ন দায়িত্ব সম্পূৰ্ণৰূপে পালন কৰিবলৈ সক্ষম নহয়। চাহ বাগিচাৰ নাৰীসকলে নিজৰ দেহাৰ প্ৰতি, খোৱা বোৱাৰ প্ৰতি চকু দিবলৈকো সময় নাপায়।

চাহ বাগিচাত নাৰী শিক্ষাৰ বহুল প্ৰসাৰৰ বাবে কিছুমান গঠন-মূলক আচঁনি গ্ৰহণ কৰিব লাগে আৰু প্ৰতিখন চাহবাগিচাত মহিলা সমিতি গঠন কৰি ইয়াৰ যোগেদি প্ৰত্যেকখন শ্ৰমিক লাইনতে একোটা বয়স্ক মহিলা শিক্ষা কেন্দ্ৰ খোলাৰ ব্যৱস্থা কৰিব লাগে। এই শিক্ষা কেন্দ্ৰবোৰ ৰাষ্ট্ৰ প্ৰাপ্তবয়স্ক শিক্ষা আচঁনিৰ অন্তৰ্গত হোৱা উচিত। এনে কেন্দ্ৰবোৰৰ যাৱতীয় আচবাব পত্ৰ বাগিচা কতৃপক্ষই যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে। চাহ শ্ৰমিক নাৰী সকল ছুটীৰ পিছত সকলোৰে সুবিধা অনুসৰি সকলোৰে সহযোগত এই কেন্দ্ৰবোৰ পৰিচালনা কৰিব লাগে। মহিলা সমিতিৰ অধীনত ছুটীৰ দিনত অৰ্থাৎ দেওবাৰে ফুল-তোলা, উল-গোঁথা, চিলাই আৰু বয়ন-শিল্পৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা থকা উচিত। এনে প্ৰশিক্ষণ কেন্দ্ৰৰ বাবে প্ৰয়োজন হোৱা যাৱতীয় শিক্ষা সামগ্ৰী অসম চাহ শ্ৰমিক কল্যাণ পৰিষদৰ তৰফৰ পৰা যোগান ধৰাৰ ব্যৱস্থা থাকিব লাগে। অসম চাহ-শ্ৰমিক পৰিষদ আৰু অন্যান্য পৰিষদ বা অনুষ্ঠান বিলাকে একো একোটা মহিলা সংগঠন নাৰী সকলৰ মাজত গঢ়িতুলি নাৰী শিক্ষাৰ ব্যাপক অগ্ৰগতিৰ বাবে কল্যাণ-মূলক আচঁনি কাৰ্যাকৰী কৰিব লাগে।

চাহবাগিচাত নাৰীসকলক সকলো দিশত শিক্ষিতা কৰি গঢ়ি তোলাৰ লগতে তেওঁলোকক পৰিস্কাৰ পৰিচ্ছন্নতা, খোৱা আহাৰ, খোৱা পানী আদি সম্পৰ্কীয় স্বাস্থ্য জ্ঞান দিব পাৰিব লাগিব। ল'ৰা-ছোৱালীৰ বাবে সুখাদ্য বা পুষ্টিকৰ আহাৰৰ ব্যৱস্থা কৰাৰ জ্ঞানো তেওঁলোকক দিব লাগিব। শিক্ষাৰ অভাৱত পৰিয়াল পৰিকল্পনা আচঁনিৰ উদ্দেশ্য সমূহ তেওঁলোকৰ বোধগম্য নহয় আৰু পৰিয়াল সীমিত কৰণৰ ক্ষেত্ৰত তেওঁলোকৰ কোনো আগ্ৰহ থকা দেখা নাযায়। চাহ শ্ৰমিক পৰিয়ালৰ উপাৰ্জনৰ পৰিমাণ যথেষ্ট নহয় যদিও পৰিয়ালটো চলাব পৰা বিধৰ, কিন্তু উপাৰ্জিত ধন অনাহকত খৰচ কৰি উপায়হীন হৈ মহাজন, দোকানীৰ ওচৰত শৰণাপন্ন হোৱা দেখা যায়। এই ক্ষেত্ৰত চাহ শ্ৰমিক পৰিয়ালৰ নাৰী গৰাকী যদি শিক্ষিতা হয়, তেন্তে উপাৰ্জিত ধনেৰে পৰিয়ালটো সুন্দৰকৈ চলাইও ভৱিষ্যতৰ বাবে সঞ্চয় কৰিব পাৰে।



# ❀❀❀ অসমৰ আপুৰুগীয়া সোণালী সূতাৰ কাহিনী ❀❀❀

— শ্ৰী বুদ্ধিন গগৈ, প্ৰৱক্তা / উদ্ভিদ বিজ্ঞান বিভাগ

সৌন্দৰ্য্য বৰ্দ্ধক ধাতু হিচাবে আৰু অলঙ্কাৰ তৈয়াৰ কৰাত সোণৰ ব্যৱহাৰ শিকাৰ দিন ধৰি মানুহে স্বৰ্ণ-বস্ত্ৰ তৈয়াৰ কৰাৰ কথা কল্পনা কৰি আহিছে। যিটো কেতিয়াও বাস্তৱত ৰূপ দিয়াতো সম্ভৱ নহয়। কিন্তু অসমত এনে এবিধ সূতাৰ উৎপাদন হয় যাৰ পৰা সোণালী কাপোৰ তৈয়াৰ কৰিব পাৰি। সেয়ে হ'ল অসমৰ বাদে ক'তো নোপোৱা সোণালী বৰণৰ আপুৰুগীয়া মুগা সূতা।

মুগা সূতা এবিধ প্ৰাকৃতিক ৰেচম সূতা। মুগাৰ উপৰিও আৰু তিনিবিধ প্ৰাকৃতিক ৰেচম সূতা বস্ত্ৰ উৎপাদন আৰু অন্যান্য কামত ব্যৱহাৰ কৰা হয়। সেই কেইবিধ হ'ল এৰী, পাট আৰু তুছাৰ সূতা। মুগা সূতা প্ৰাকৃতিক সূতাবোৰৰ ভিতৰত আটাইতকৈ সৱল। ৰাসায়নিক গঠনৰ ফালৰ পৰা এই সূতা প্ৰাণীজ প্ৰোটিনেৰে গঠিত আৰু আনৱিক গঠন বিশ্লেষণ কৰিলে মুগা সূতাৰ অণুত এমিনো আৰু কাৰবক্সিল গ্ৰুপ পোৱা যায়। মুগা সূতাৰ কু-পৰিবাহীতা আৰু পানী শোষণ ক্ষমতা থকাৰ বাবে জাৰ আৰু জহ সকলো সময়তে ইয়াৰ কাপোৰ পিন্ধনত অতি আৰামদায়ক। এই সূতা খাৰ, জাৰক, বিজাৰক আদিৰ সংস্পৰ্শত অনিষ্ট নহয়। মুগা কাপোৰ যিমানে ধোৱা যায় ইয়াৰ সোণালী বৰণৰ উজ্জলতা সিমানে বাঢ়িহে যায়। সেয়েহে মুগা কাপোৰৰ প্ৰতি সকলোৰে, বিশেষকৈ মহিলা সকলৰ স্বাভাৱিক দুৰ্বলতা আছে। কাজেই মুগা কাপোৰৰ চাহিদা অধিক।

ৰেচম শিল্পৰ ইতিসাহ অতি পুৰণি। খ্ৰীঃ পূঃ ২৬৪০ চনতে চীনা-সম্ৰাজ্ঞী ছি-লিং-ছিৰ সৌজন্যত চীনা সকলে পাট পলুৰ খোলাৰ পৰা পাট সূতা আৰু পাট কাপোৰ উৎপাদন আৰম্ভ কৰে। এই গৰাকী সম্ৰাজ্ঞীৰ পৃষ্ঠপোষকতাত চীনদেশত আৰম্ভ হোৱা ৰেচম উদ্যোগত উৎপাদিত সামগ্ৰীয়ে পিচৰ তিনিহাজাৰ বছৰ ধৰি এক চেটিয়া ব্যৱসায় হিচাবে বিশ্বৰ বজাৰ দখল কৰি থাকে। পাট পলু পালন আৰু ইয়াৰ খোলাৰ পৰা সূতা তৈয়াৰ কৰা কৌশল চীনাসকলে কঠোৰ অনুশাসনৰ মাজত গোপনে ৰখাৰ স্বত্বেও ৬ষ্ঠ শতিকাৰ মধ্যভাগত কোনো এক খৃষ্টীয়ান ধৰ্ম যাজকে টেমাত ভৰাই গোপনে পাট পলুৰ কণী আৰু পাট পলুৱে খোৱা নুনী গছৰ গুটি ইটালিলৈ লৈ যায়। তাৰ পাছত পৃথিৱীৰ অন্যান্য দেশলৈ ৰেচম শিল্প বিয়পি পৰে। আজিও কিন্তু ৰেচম সূতা উৎপাদনত চীনদেশে পৃথিৱীৰ ভিতৰতে প্ৰথম স্থান দখল কৰি আছে। ভাৰত দ্বিতীয় আৰু জাপান বৰ্তমান তৃতীয় স্থানত আছে।

( ৬ পৃষ্ঠাত চাওক )

## চাহ বাগিচাত নাৰী শিক্ষা

চাহ বাগিচাৰ নাৰী সকল শৈক্ষিক, সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আদি বিভিন্ন দিশত পিচ পৰি আছে আৰু তেওঁলোকে নিজকে উপেক্ষিতা অনুভৱ কৰে। চাহ শ্ৰমিক সমাজত সামগ্ৰিক উন্নতি চিন্তা কৰিছে নাৰী পুৰুষ উভয়ৰে সৰ্ব্বাঙ্গীণ বিকাশৰ ওপৰত। বৰ্ত্তমান চাহ বাগিচা বিলাকত পুৰুষ শ্ৰমিকতকৈ নাৰী শ্ৰমিকৰ সংখ্যা অধিক হোৱা দেখা যায়। এই নাৰী শ্ৰমিক সকল যেতিয়া লৈকে শিক্ষা-দীক্ষা গ্ৰহণ কৰি উন্নত সমাজৰ নাৰী সকলৰ সমানে খোজত খোজ মিলাব নোৱাৰে তেতিয়ালৈকে অসমৰ চাহ শ্ৰমিক সমাজৰ তথা অসমীয়া সমাজৰ প্ৰগতি সাধিত নহব। বাগিচাবোৰত নাৰী শ্ৰমিকৰ সংখ্যা অতি তাকৰ পৰিমাণৰ যদিও বাগিচা বোৰত নাৰী সকলক উচ্চ বিষয়ৰ বাব দিয়াৰ ব্যৱস্থা খুব কম। এই ক্ষেত্ৰত পুৰুষ শ্ৰমিক সকলৰহে আগভাগ বেছি দেখা যায়। সমাজবাদী গণতান্ত্ৰিক ভাৰত ৰাষ্ট্ৰত পুৰুষৰ সমানে নাৰীকো সমান মৰ্য্যদা আৰু সমঅধিকাৰ দিব লাগিব। চাহ বগিচাত নাৰী শিক্ষাৰ বহুল প্ৰচলন হলে তেওঁলোকৰ মাজত জ্ঞানৰ-পোহৰ প্ৰতিফলিত হব আৰু সেই পোহৰত গোটেই সমাজখন প্ৰগতিৰ পথত আগবাঢ়ি যাব।

অসমৰ আপুৰুগীয়া মুগা শিল্পৰ আৰম্ভণি ক'ত, কেনেকৈ, কেতিয়া হয় জনা নাযায়। চীন দেশৰ পাট শিল্পৰ দৰে অসমৰ মুগা শিল্পৰ ইতিহাসো অতি পুৰণি। বৈদিক যুগৰ পৰাই মানুহে মুগা সূতা ব্যৱহাৰ কৰি আহিছে। ৰামায়ণত কিচ্‌কিন্ধকুডা নামৰ এখন ৰাজ্যৰ নাম উল্লেখ আছে। যাক তেতিয়া ৰেচম সূতাৰ দেশ বোলা হৈছিল। বহুতো পণ্ডিতে ৰামায়ণত উল্লেখ থকা এই ৰেচম সূতাৰ দেশখন আগৰ কামৰূপ আৰু বৰ্ত্তমানৰ অসম বুলি ঠাৱৰ কৰিছে। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে অসমৰ মুগা শিল্প ৰামায়ণৰ যুগতো প্ৰচলন আছিল।

পুৰণি বিৱৰণৰ পৰা জনা গৈছে যে খৃঃ পূঃ তৃতীয় শতিকাতে অসমৰ মুগা সূতা আৰু মুগা কাপোৰে বিশেষভাৱে প্ৰাধান্য লাভ কৰিছিল। সেই সময়তে লিখা কৌটিল্যৰ অৰ্থশাস্ত্ৰত পাৰলৌহিতা স্বুবৰ্ণকুড্য আদি পুৰণি কামৰূপৰ কেইখন মান ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যত এৰী, মুগা আৰু পাট এই তিনিওবিধ বস্ত্ৰ উৎপাদন হৈছিল বুলি উল্লেখ আছে। কৌটিল্যই এৰী কাপোৰক 'ক্ষৌম' মুগা কাপোৰক 'তুকুল' আৰু পাট কাপোৰক 'পত্ৰোৰ্ণা' বুলি কৈছিল। স্বুবৰ্ণকুড্য ৰাজ্যৰ 'তুকুল'ৰ ৰং সূৰ্য্য বৰ্ণ বুলি কৈছে—স্বুবৰ্ণ কড্যকং সূৰ্য্যবৰ্ণ। সূৰ্য্যবৰ্ণৰ এই 'তুকুল'ৰ নাম কালক্ৰমত মুগা হ'ল। কিন্তু কেতিয়াৰ পৰা জনা নাযায়।

বৈদিক যুগৰে পৰা পৰম্পৰাগত ভাৱে চলি অহা ৰেচম শিল্প বিশেষকৈ মুগা শিল্পই আহোম সকল অসমলৈ অহাৰ পাছত বিশেষভাৱে উন্নতি লাভ কৰে। মুং-ঢুন্‌ চুন্‌-খান্‌ (সোণৰ পীঠ) অৰ্থাৎ সোণালী শস্যৰ দেশত আহোম সকলে সোণবৰনীয়া মুগা সূতাক আহোম সকলৰ আৰ্থ-সামাজিক আৰু কৃষ্টি-সংস্কৃতিৰ অবিচ্ছেদ্য অংগ হিচাবে লৈ মুগা শিল্পৰ উন্নতিৰ বাবে নানান আচনি গ্ৰহণ কৰিছিল। আহোম ৰজাৰ ৰাজত্বকালত পলু পালন, ৰেচম সূতা কটা আৰু এৰী মুগা আৰু পাট কাপোৰ উৎপাদন বাধ্যতামূলক আছিল।

১৬০৩ চনৰ পৰা ১৬৪১ চনলৈ অসমত ৰাজত্ব কৰ[া] স্বৰ্গদেউ প্ৰতাপ সিংহই এটা সুকীয়া ৰেচম বিভাগ সৃষ্টি কৰি মোমাই তামুলী বৰবৰুৱাক ইয়াৰ চোৱাচিতাৰ দায়িত্ব দিছিল। এই শিল্পৰ উন্নতিৰ বাবে সেইসময়ত ৰেচম শিল্পৰ লগত জড়িত লোকসকলৰ আনকি খাজনা পৰ্য্যন্ত ৰেহাই দিয়া হৈছিল। ৰজাৰ পৃষ্ঠপোষকতাত ৰেচম শিল্পই ইমানেই মৰ্য্যদা লাভ কৰিছিল যে পদ মৰ্য্যদা অনুসৰি বিভিন্ন মানদণ্ডৰ ৰেচম কাপোৰ পিন্ধাতো এটা নীতি হৈ পৰিছিল। অৰ্থাৎ যি কোনো লোকে ইচ্ছা অনুসৰি যি কোনো মানদণ্ডৰ ৰেচম কাপোৰ পিন্ধি[ব] নোৱাৰিছিল। সৰ্বসাধাৰণ প্ৰজাই সাধাৰণ মুগা আ[ৰু] এৰী কাপোৰ পৰিধান কৰিছিল। ডা-ডাঙৰীয়া সকলে মেজাঙ্কৰী মুগা আৰু পাট কাপোৰ লৈছিল। ৰজা আ[ৰু] ৰজাৰ পৰিয়ালৰ অন্যান্য সকলে খোলা নবন্ধাকৈ পো[ৰা] পোনে মুগা পলুৰ পৰা বিশেষ পদ্ধতিৰে সূতা ক[াটি] তৈয়াৰ কৰা অতি উচ্চ মানৰ স্বৰ্ণ বস্ত্ৰ পৰিধা[ন] কৰিছিল। ষ্টেক চাহাবে ১৮৮৪ চনত অসমৰ ৰেচ[ম] শিল্পৰ বিষয়ে লিখা এটা টোকাত এই বিষয়ে বিশেষভা[ৱে] উল্লেখ কৰিছে। ৰাজ শাসন অন্ত পৰাৰ পাছত এই বিশে[ষ] পদ্ধতিৰে মুগা সূতা কটা কৌশলৰ প্ৰচলন বন্ধ হ'ল আ[ৰু] লগে লগে অতি উচ্চ মানৰ স্বৰ্ণ বস্ত্ৰ তৈয়াৰ কৰা এ[ই] জাতীয় আপুৰুগীয়া শিল্প কলা চিৰদিনৰ বাবে লুপ্ত পালে[।]

অসমৰ শেষৰ জন ৰজা পুৰন্দৰ সিংহ[ক] ইংৰাজে অপসাৰণ কৰাৰ পাছৰ পৰা মুগা শিল্প[ৰ] অৱনতি হ'বলৈ ধৰে। ইংৰাজৰ শাসনৰ সময়[ত] অসমৰ চাহ, তেল আৰু কয়লা উদ্যোগৰ তুলনা[ত] মুগা উদ্যোগ লাভজনক নোহোৱাৰ বাবে এই শিল্প[ই] ইংৰাজৰ পৃষ্ঠপোষকতা নাপালে। বিদেশী শাসনৰ আৰ[ম্ভ]নিতে অসমত পৰ্য্যাপ্ত পৰিমাণৰ মুগা সূতা আৰু [মুগা] বস্ত্ৰৰ উৎপাদন হৈছিল আৰু গোটেই অসমজুৰি মু[গা] পলুৰ বৃক্ষ বিশেষকৈ চোম গছেৰে ভৰি আছিল। তা[কে] দেখি ইংৰাজ সকলে চোম গছৰ ওপৰত কৰ লগোৱাত [বহু] অৱস্থাহীন পলুপালকে চোম গছবোৰ কাটি পেলাইছিল[।] হাজাৰ হাজাৰ হেক্টৰ মাটিত চোম গছ উভালি ইংৰা[জে] চাহ বাগান খুলিলে। চাহপাত বিক্ৰী কৰি ইংৰাজে নিজ দেশ চহকী কৰিলে কিন্তু থলুৱা লোকৰ আৰ্থসামাজিক জাতীয় জীৱন আৰু কৃষ্টি সংস্কৃতিৰ লগত জড়িত এটা জাতীয় শিল্প লাহে লাহে ফোপাই আহিব ধৰিলে। দেশ স্বাধীন হোৱাৰ পাছত মুগা শিল্পৰ উন্নতিৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে বহু আচনি গ্ৰহণ কৰিছে যদিও নানান কাৰণত এই শিল্পৰ যথাযথ উন্নতি হোৱা নাই। মুগা সূতা আৰু মুগা কাপোৰ উৎপাদনত অসমে হেৰুৱা সন্মান ঘূৰাই পাবলৈ এতিয়াও বহুত বাকী।

মুগা সূতা উৎপাদন কৰা পলুবিধৰ বৈজ্ঞানিক নাম এন্‌থেৰিয়া আসামা (Antheraea assama)। ই চেটাৰনীডি (Saturniidae) গোত্ৰ; লেপিডপটেৰা (Lepidoptera) বৰ্গ আৰু পতঙ্গ শ্ৰেণীৰ অন্তৰ্ভূক্ত। মুগা এবিধ অৰ্দ্ধঘৰচীয়া প্ৰাণী। কিয়নো মুগা পলুৰ জীৱন চক্ৰৰ চকৰী ওলোৱা, কণী পৰা আৰু লেটা বন্ধা কাৰ্য্য ঘৰৰ ভিতৰত কিন্তু পলু পালন ঘৰৰ বাহিৰত সম্পন্ন হয়।

মুগা বহুবিধ গছৰ পাত খোৱা এবিধ আমোদজনক পলু। আমোদজনক এই বাবেই যে ই বেলেগ বেলেগ গছৰ পাত খাই বেলেগ বেলেগ ৰঙৰ মুগা সূতা উৎপাদন কৰে। চোম, সোৱালু আৰু দীঘলটি গছৰ পাত খোৱালে উজ্জ্বল সোণালী আঁহ আৰু চঁপা আৰু মেজাঙ্কৰি গছৰ পাত খোৱালে অতি উচ্চ মানৰ বগা সূতা উৎপাদন কৰে। উল্লিখিত গছৰ উপৰিও মুগা পলুৱে পাণ চঁপা পাটিহোন্দা, বগৰী, ভোমলটি, ৰজমণি, গমাৰি, গন্ধসৰৈ, কঠলুৱা, তেজপাত আদি গছৰ পাত খায়। এইবোৰ অসমত পোৱা যায় আৰু অসমৰ জলবায়ু এই বৃক্ষ সমূহৰ বৃদ্ধি আৰু বিকাশৰ বাবে অনুকূল। অসমৰ হাবিত প্ৰচুৰ পৰিমাণে পোৱা এই বৃক্ষ সমূহ আধুনিক সভ্যতাৰ প্ৰভাৱত কমি আহিছে। মুগা শিল্পৰ উন্নতিৰ বাবে এইবোৰৰ সংৰক্ষণৰ সময় আহি পৰিছে।

মুগা পলু বহু বছীয়া বা বহুচক্ৰী (multivoltive)। অৰ্থাৎ বছৰত ইয়াক ছবাৰ পুহিব পাৰি। বছৰটোত পুহিব লগা মুগা বাহ কেইটা হ'ল কতীয়া (আহিন-কাতি), আঘোনীয়া (কাতি-আঘোন), জাৰুৱা (মাঘ-ফাগুন-চ'ত), জেঠুৱা (বহাগ-জেঠ), এহেৰুৱা (জেঠ-আহাৰ), আৰু ভদীয়া (শাওন-ভাদ্ৰ)। জেঠুৱা আৰু কতীয়া বাহ সূতা কটাৰ বাবে আৰু বাকী বাহ কেইটা সচঁৰ বাবে পোহা হয়।

একোজনী মুগা চকৰীয়ে খৰিকাত ২০০/২৫০ টা কণী পাৰে। প্ৰায় ৮/১০ দিনৰ ভিতৰতে কণী ফুটি পলুবোৰ জগে। তেতিয়া পোক- পৰুৱা আৰু শুকান পাত আদি আঁতৰাই পৰিষ্কাৰ কৰি লোৱা খাদ্য বৃক্ষত খৰিকাৰে সৈতে পলুবোৰ ওলোমাই দিয়া হয়। পাত খাই পলুবোৰে নিৰ্দিষ্ট দিনৰ মূৰে মূৰে মুঠ ৪ বাৰ মোট সলাই পূৰঠ হয়। জাৰৰ দিনত পূৰঠ হবলৈ ২১/২৪ দিন আৰু গৰমৰ দিন ৫০/৬০ দিন লাগে। পলু জগাৰ পৰা পূৰঠ হোৱালৈকে মুগা পলুৰ দেহৰ পৰিবৰ্ত্তন মন কৰিবলগীয়া। পূৰঠ পলুক পকাপলু বোলা হয়। পকিলে পলুবোৰ গছৰ পৰা নিজে নিজে গধূলি সময়ত নামি আহে। ৰাতি পলুবোৰ ধৰি আনি শুকান আম, কঠাল কিম্বা শিঙৰি পাতৰ জালিত খোলা বান্ধিবলৈ এৰি দিয়া হয়। ৩/৪ দিনৰ ভিতৰত পলুৱে খোলা বন্ধা কাম সম্পূৰ্ণ কৰে আৰু ৭/৮ দিনত জালি ভাঙি খোলা সংগ্ৰহ কৰিব পাৰি।

মুগা পলুৰ দেহত দুটা ৰেচম গ্ৰন্থি থাকে। অধোহনুৰ সন্মুখত থকা এডাল বয়ন নলীয়েদি দুই ৰেচম গ্ৰন্থিৰ পৰা নিৰ্দ্ধাৰিত পৰিমাণৰ ৰস একে লগ হৈ ওলাই আহে। 'চেৰিচিন' নামৰ এক বিশেষ আঠাই ৰসখিনি জোৰা লগাই আৰু বতাহৰ সংস্পৰ্শলৈ অহাৰ লগে লগে ই সোণালী আঁহলৈ ৰূপান্তৰ ঘটে। এই আঁহেৰে মুগা পলুৱে খোলা তৈয়াৰ কৰা প্ৰক্ৰিয়াটোত অপূৰ্ব কৰিকৰী কৌশল নিহিত হৈ আছে। মুগা সূতাৰ ব্যাস ০·০৫ মিলি মিটাৰ। এটা সৱল মুগা পলুৱে ১২০০-১৫০০ মিটাৰ সোণালী আঁহ তৈয়াৰ কৰিব পাৰে। এই আঁহে ২০০° ছেলছিয়াছ উষ্ণতালৈকে তাৰ স্ফটিকতা, কুপৰিবাহিতা, কঠিনতা, সোণালী

বৰণ, জলশোষণ ক্ষমতা আৰু অন্যান্য ধৰ্মবোৰ অক্ষুন্ন ৰাখিব পাৰে। সেয়েহে মুগা আঁহ বস্ত্ৰ উদ্যোগৰ উপৰিও অন্যান্য প্ৰযুক্তি উদ্যোগত ব্যৱহাৰ কৰাৰ প্ৰচুৰ সম্ভাৱনা আছে।

মুগা সূতা পাবলৈ হলে খোলাৰ ভিতৰত থকা লেটাটো চকৰীলৈ ৰূপান্তৰ হোৱাৰ আগতে খাৰ পানীত সিজাই ৮-১৫ খোলাৰ আঁহ একেলগ কৰি কাটিব লাগে। খোলাবোৰ প্ৰখৰ ৰ'দৰ তাপত দি লেটাবোৰ নিধন কৰি সুবিধা অনুযায়ী খাৰ পানীত সিজাই পাছত যি কোনো সময়তে কাটিব পাৰি। খাৰ পানীত সিজালে 'চেৰিচিন্' নামৰ আঠাজাতীয়া পদাৰ্থটো দ্ৰৱীভূত হয় আৰু সূতা কটা সহজ হৈ পৰে। আজি কালি মুগা সূতা কটা নানান উন্নত যন্ত্ৰপাতি আৱিষ্কাৰ হৈছে। ১ কি. গ্ৰা. মুগা সূতা উৎপাদনৰ বাবে ৪০০০-৫০০০ খোলাৰ প্ৰয়োজন হয়।

সোণালী মুগা আইঁৰ পৰা স্বৰ্ণ বস্ত্ৰ উৎপাদন হয়। অসমৰ মানচেষ্টাৰ বুলি খ্যাত কামৰূপ জিলাৰ শুৱালকুছিত। আহোম স্বৰ্গদেউ প্ৰতাপ সিংহই তাঁত শিল্পৰ উন্নতিকল্পে শুৱালকুছিত তাঁতী সকলক বহুৱাইছিল। তেতিয়াৰ পৰা শুৱালকুছিত স্বৰ্ণ বস্ত্ৰ উৎপাদন হৈ আহিছে। কিন্তু ইংৰাজৰ ঔপনিবেশ শাসন কালত এই শিল্পটোৰ কঁকাল পোনাব নোৱাৰাকৈ ক্ষতি হৈছিল। কাৰণ ইংৰাজ সকলৰ অসমীয়া জাতীয় ঐতিহ্যৰ প্ৰতি ভাল ধাৰণা নাছিল। ১৯৩৯ চনৰ পৰা শুৱালকুছিত পুৰণিকলীয়া হস্ত তাঁতৰ ঠাইত আধুনিক উৰণীয়া মাকো ব্যৱহাৰ আৰম্ভ হয় আৰু স্বৰ্ণ বস্ত্ৰ উৎপাদনৰ ক্ষেত্ৰত এক বৈপ্লৱিক পৰিবৰ্তন আহে। বৰ্তমান শুৱালকুছিত প্ৰায় ডুহেজাৰ থন শালত স্বৰ্ণ বস্ত্ৰ উৎপাদন হয়

যদিও কেচাঁমালৰ অভাৱ আৰু অন্যান্য কাৰণত মুগা কাপোৰৰ চাহিদা শুৱালকুছিয়ে পূৰণ কৰিব পৰা নাই। ফলত মুগা কাপোৰৰ দাম দিনক দিনে বাঢ়ি গৈছে। সৰ্বসাধাৰণৰ বাবে মুগাৰ সাজপাৰ পিন্ধাটো সপোন হৈ পৰিছে। ই অতি গুৰুত্বৰ সমস্যা।

আমাৰ ঐতিহ্য, পৰম্পৰা, কৃষ্টি সংস্কৃতি আৰু জাতীয় জীৱনৰ লগত নিবিড় ভাবে জড়িত এই আপুৰুগীয়া শিল্পই অসমীয়া মানুহৰ মাজত যিদৰে আলোড়নৰ সৃষ্টি কৰিব লাগিছিল দৰাচলতে তেনেদৰে কৰা নাই। সোণালী সূতা আৰু স্বৰ্ণ বস্ত্ৰ উৎপাদন কৰি অসমে একচেটিয়া ভাৱে বিশ্বৰ বজাৰ দখল কৰি পৰ্য্যাপ্ত পৰিমাণৰ বিদেশী মুদ্ৰা অৰ্জন কৰাৰ প্ৰচুৰ সম্ভাৱনা থকা স্বত্বেও সম্যক চেতনা আৰু বিজ্ঞান সন্মত চিন্তা চৰ্চ্চাৰ অভাৱত মুগা উদ্যোগে ৰাজ্যখনৰ ন্যুনতম চাহিদাৰে পুৰণ কৰিব পৰা নাই। ই কম পৰিতাপৰ কথা নহয়। প্ৰকৃতিৰ অৱদান এনেহেন সোণালী সূতাৰ গুৰুত্ব অসমীয়া মানুহে উপলব্ধি কৰিব নোৱাৰিলেও অন্য ৰাজ্য আৰু বিদেশী ৰাষ্ট্ৰই ইয়াৰ সম্ভাৱনীয়তা গভীৰভাৱে উপলব্ধি কৰি গৱেষণাত ব্ৰতী হৈছে। আমি এই দিশত সজাগতা আনিব নোৱাৰিলে আমাৰ এই আপুৰুগীয়া শিল্প-কলা অন্য দেশে আহৰণ কৰি বিশ্বৰ বজাৰ দখল কৰিব। অসমীয়াৰ নিজৰ বুলি চিনাকী দিবলৈ আৰু একো বাকী নাথাকিবগৈ। অসমৰ এই জাতীয় উদ্যোগৰ উন্নতিকল্পে পঞ্জাৱৰ সেউজ বিপ্লৱৰ দৰে বিজ্ঞান-সন্মত ভাবে এক সোণালী বিপ্লৱ গঢ়ি তুলিব পাৰিলে অসমৰ প্ৰভূত অৰ্থনৈতিক উন্নতিৰ লগতে ভয়াবহ নিবনুৱা সমস্যাও কিছু পৰিমাণে দূৰ হ'ব আৰু আমাৰ কৃষ্টি-সংস্কৃতিও ৰক্ষা পৰিব।

আয়সৰ ওপৰত মানুহৰ জীৱনৰ মূল্য নিৰ্ভৰ নকৰে- জীৱনটো কেনেকৈ ব্যৱহৃত হল তাৰ ওপৰতহে জীৱনৰ মূল্য নিৰ্ভৰ কৰে"

— মৰ্টেইন" ।



এটি পৰ্য্যালোচনা :

# :"ভাৰতবৰ্ষৰ ঔদ্যোগিক উন্নয়ন আৰু ঔদ্যোগিক নীতি":

শ্ৰী উৎপল চেতিয়া
স্নাতক ৩য় বাৰ্ষিক (কলা)
অৰ্থনীতি বিভাগ

স্বাধীনতাৰ পিচৰে পৰা বৰ্ত্তমানলৈকে ভাৰতত যথেষ্ট খিনি ঔদ্যোগিক দিশত উন্নতি লাভ কৰিছে বুলি কব পাৰি। ঔদ্যোগিক দিশত উন্নয়নে এখন দেশৰ অৰ্থনৈতিক অৱস্থাৰ ওপৰত যথেষ্ট খিনি প্ৰভাৱ পেলায়। তদুপৰি অৰ্থনৈতিক উন্নয়নত উদ্যোগিকৰণে এক বিশেষ ভূমিকা পালন কৰে। এই বিলাক চমুকৈ তলত দিয়া ধৰণেৰে আলোচনা কৰিব পাৰি। প্ৰথমতে, ঔদ্যোগিকৰণে জনমূৰি আয়ৰ পৰিমাণ বৃদ্ধিত প্ৰভূত পৰিমানে সহায় কৰে। এই কথাটো মন কৰিবলগীয়া যে উন্নত দেশৰ ক্ষেত্ৰত অৰ্থাৎ ঔদ্যোগিক ভাৱে উন্নত দেশ সমূহত জনমূৰি আয়ৰ পৰিমাণ অধিক আৰু কৃষি প্ৰধান দেশ সমূহত জনমূৰি আয়ৰ পৰিমাণ সীমিত। দ্বিতীয়তে ঔদ্যোগিক খণ্ডৰ লগত অৰ্থনীতিৰ কৃষি উন্নয়ন যাতায়ত আৰু পৰিবহন ব্যৱস্থা, বেংক আৰু বীমা সেৱা বৈদেশীক বাণিজ্য ইত্যাদি খণ্ডৰ উন্নয়ন ঔদ্যোগিকৰণৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত। তৃতীয়তে, যেতিয়া বৰ্দ্ধিত জনসংখ্যাই সীমিত পৰিমাণৰ কৃষি ভুমিকাৰ ওপৰত হেঁচাৰ সৃষ্টি কৰে তেতিয়া ছদ্মবেশী নিবনুৱা (Disguised Unemployment)ৰ সমস্যাটো অধিক প্ৰকট হৈ উঠাৰ সম্ভাৱনাই দেখা দিয়ে। এই ক্ষেত্ৰত সমস্যা সমাধানৰ বাবে অতিৰিক্ত শ্ৰমিকক কৃষি খণ্ডৰ পৰা আতঁৰাই ঔদ্যোগিক ক্ষেত্ৰ বিলাকত নিয়োজিত কৰিব পাৰি। গতিকে দেখা যায় ঔদ্যোগিকৰণেৰে নিবনুৱা সমস্যাৰ এটা সমাধান হব পাৰে। চতুৰ্থতে আন্তৰ্জাতিক বাণিজ্যত কৃষিজাত সামগ্ৰীৰ তুলনাত ঔদ্যোগিক সামগ্ৰীৰ মূল্যৰ সম্প্ৰসাৰণৰ সম্ভাৱনা কম থাকে। সেয়ে ঔদ্যোগিকৰণৰ ফলত কৃষিজাত সামগ্ৰীৰ মূল্যৰ যি অনিশ্চয়তা সেই খিনিৰ পৰা অৰ্থ-নীতি মুক্ত হব পাৰে।

গতিকে দেখা গল যে ঔদ্যোগিকৰণে এখন দেশৰ অৰ্থনৈতিক দিশত কিমান প্ৰভাৱ পেলাব পাৰে।

ভাৰতৰ দৰে অনুন্নত অথচ ক্ৰমোন্নতিৰ পথত খোজ পেলোৱা দেশৰ কাৰণে ঔদ্যোগ বিশেষ ভাৱে আৱশ্যকীয়। দেশৰ চুকে কোণে উপচি থকা প্ৰাকৃতিক সম্পদ সমূহ উপযুক্ত ভাৱে খটুৱাব পাৰিলে জাতীয় আয় আৰু বনুৱা নিয়োগৰ ক্ষেত্ৰত যথেষ্ট ভাৱে অৰিহণা যোগাব পৰা যাব। ভাৰতত পৰিকল্পিত উন্নয়নবো মূল লক্ষ্য হ'ল দেশৰ জনমূৰি আয় বঢ়োৱা। এই লক্ষ্য সাধন কৰিবলৈ উদ্যোগ বিকাশৰ প্ৰয়োজন আছে। ভাৰত এখন কৃষি প্ৰধান দেশ যদিও ইয়াত ঔদ্যোগৰ প্ৰয়োজনৰ কথা অস্বীকাৰ কৰিব নোৱাৰি। ভাৰতত কৃষিজাত সামগ্ৰীৰ ভিত্তিতে বহু ধৰণৰ ঔদ্যোগ গঢ়ি তুলিব পাৰি। উদ্যোগীকৰণে ভাৰতৰ দৰে ক্ৰমোন্নতিশীল দেশৰ অৰ্থনৈতিক, সামাজিক পৰিবৰ্তন সাধন কৰিব পাৰে।

ভাৰতীয় অৰ্থনীতিত উদ্যোগীকৰণৰ স্থান যে বিশেষ ভাৱে উল্লেখনীয় সেই কথা পুনৰ বাৰ দোহৰাৰ প্ৰয়োজন নাই। অতীজৰে পৰা ভাৰতবৰ্ষৰ হস্তশিল্পই দেশে বিদেশে সমাদৰ পাই আহিছে। অৱশ্যে এই দেশলৈ ইংৰাজ সকল অহাৰ পিছতহে পশ্চিমীয়া দেশৰ শিল্প বিপ্লৱৰ প্ৰভাৱ পৰিবলৈ ধৰে আৰু তাৰ ফলত আমাৰ হস্ত শিল্পৰ কিছু পৰিমাণে অৱনতি ঘটে। কল কাৰখানাত সীমিত সামগ্ৰীৰ লগত হস্ত শিল্পজাত সামগ্ৰীবোৰে ফেৰ মাৰিবলৈ অসমৰ্থ হৈ পৰে।

ইংৰাজ শাসক সকলে আমাৰ দেশৰ কল কাৰখানা স্থাপনৰ ওপৰত প্ৰাধান্য নিদি বিদেশৰ পৰা নানা ধৰণৰ সামগ্ৰী আমদানি কৰাৰ ওপৰতহে বিশেষ

মনোযোগ দিছিল। ফল স্বৰূপে দেশত উদ্যোগীকৰণৰ গতি-বেগ অলপো বঢ়া নাছিল। বৃটিছ চৰকাৰে উদ্যোগ বিকাশৰ ক্ষেত্ৰত অৱলম্বন কৰা নীতিয়ে উদ্যোগ আচনিৰ অগ্ৰগতি বহু পৰিমাণে ব্যাহত কৰিছিল।

প্ৰাক - স্বাধীনতাৰ কালত দেশৰ সামান্য পৰিমাণে যি উদ্যোগীকৰণ হৈছিল তাকো সুবিধা জনক ধৰণৰ নাছিল বুলি কব লাগিব। কিয়নো সেই সময়ৰ চৰকাৰে নিজা সুবিধাৰ কাৰণে কিছুমান অৰ্থতন্ত্ৰ বিশেষতহে কেতবোৰ উদ্যোগ স্থাপন কৰিছিল।

স্বাধীনোত্তৰ কালত ভাৰতত ৰাজহুৱা খণ্ডৰ বিশেষ সম্প্ৰসাৰণ ঘটিছে যদিও তাৰ আগতে ব্যক্তিগত খণ্ডইহে আমাৰ উদ্যোগ চলোৱাৰ ক্ষেত্ৰত আগভাগ লৈছিল। উদ্যোগ বিকাশৰ ক্ষেত্ৰত সেই সময়ৰ চৰকাৰৰ ভূমিকা নিৰব দৰ্শকৰ দৰেই আছিল।

প্ৰথম পৰিকল্পনাৰ আৰম্ভণিতে দেশত মাথোন পাচঁোটা ৰাজহুৱা খণ্ড উদ্যোগত বিনিয়োগৰ পৰিমাণ আছিল ২৯ কোটি। কলক্ৰমত ইয়াৰ যথেষ্ট সম্প্ৰসাৰণ ঘটিছে। ১৯৭৩ চনৰ মাৰ্চ মাহত এনে উদ্যোগৰ সংখ্যা ১১৩ টা বাঢ়ে আৰু তাত কৰা বিনিয়োগৰ পৰিমাণ আছিল ৫,৫৭১ কোটি টকা। মুঠৰ ওপৰত কবলৈ গলে প্ৰাক - স্বাধীনতাৰ কালত ভাৰত-বৰ্ষত উদ্যোগ সমূহ ঘাইকৈ ব্যক্তিগত প্ৰচেষ্টাত গঢ় লৈ উঠিছিল।

বৰ্ত্তমানে চৰকাৰে উদ্যোগীকৰণৰ ক্ষেত্ৰত চৰকাৰে যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে। এই উদ্দেশ্যে চৰকাৰে বৰ্ত্তমানলৈকে কিছুমান উদ্যোগিক নীতি গ্ৰহণ কৰিছে।

ভাৰতবৰ্ষৰ উদ্যোগিক নীতি :- স্বাধীনতাৰ আগলৈকে ভাৰতবৰ্ষত উদ্যোগিক নীতি নাছিল বুলি কলে অত্যুক্তি কৰা নহ'ব। সেয়েহে স্বাধীনতা লাভৰ পিছত ভাৰত-বৰ্ষৰ উদোগিক নীতি প্ৰৱৰ্ত্তনৰ যোগেদি ভাৰতবৰ্ষৰ উদ্যোগীকৰণৰ বাট মুকলি কৰাৰ প্ৰচেষ্টা হাতত লৈছে।

উদ্যোগিক নীতি বুলি কলে উদ্যোগীকৰণৰ উদ্দেশ্য আচঁনি কাৰ্যবিধি নিয়ম আৰু বিনিয়ম উদ্যোগীকৰণ আৰু কাৰ্য্যকল্যাণ সামৰি প্ৰস্তুত কৰি উলিওৱা বহুল ভিত্তিক নীতিকেই বুজিব লাগিব। স্বাধীনোত্তৰ কালত ভাৰতবৰ্ষত উদ্যোগিক নীতিৰ একাধিক বাৰ পৰিবৰ্ত্তন ঘটোৱা হৈছে। ১৯৪৮, ১৯৫৬, ১৯৭৭, ১৯৮০, ১৯৮৫, ১৯৯০, আৰু শেহতীয়াকৈ ১৯৯১ চনত ভাৰতবৰ্ষৰ উদোগিক নীতিৰ পৰিবৰ্ত্তন ঘটোৱা হৈছে। আমি মূলতঃ ইয়াত ১৯৯১ চনৰ উদ্যোগিক নীতিৰ বিষয়ে বিতং ভাৱে আলোচনা কৰিম আৰু বাকী বিলাকৰ এটা থুল-মূল আভাস হে ডাঙি ধৰিম।

ভাৰতবৰ্ষত ১৯৪৮ চনত পোন প্ৰথম বাৰৰ বাবে উদ্যোগিক নীতি ঘোষণা কৰা হয়। ১৯৪৮ চনৰ উদোগিক নীতিত উদ্যোগ সমূহক ৪ টা ভাগত ভগোৱা হৈছিল।

( ক ) অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণ, আনৱিক শক্তি উৎপাদন আৰু নিয়ন্ত্ৰণ আৰু ৰেলসেৱাৰ মালিকানা আৰু পৰিচালনা এই সকলোবোৰ কেন্দ্ৰীয় চৰকাৰৰ হাতত থাকিব।

( খ ) কয়লা, লো আৰু তীখা, বিমান নিৰ্মাণ, জাহাজ নিৰ্মাণ, টেলিফোন আৰু বেতাৰ যন্ত্ৰৰ নিৰ্মাণৰ ক্ষেত্ৰত নতুন উদ্যাগিক গোট স্থাপন কৰিলে সেই গোট ৰাজহুৱা খণ্ডৰ অন্তৰ্ভুক্ত হব।

( গ ) কেতবোৰ মৌলিক উদ্যোগ যেনে — নিমখ, মটৰ গাড়ী, ট্ৰেক্টৰ, গধুৰ যন্ত্ৰপাতি, সাৰ, বিলাতী মাটি, চেনি, কাগজ, বায়ুসেৱা আৰু জাহাজ পৰিবহন ইত্যাদি খণ্ডত কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰণ থাকিব।

( ঘ ) অৱশিষ্ট যিবোৰ উদ্যোগিক গোট সেইবোৰ ব্যক্তিগত আৰু সমবায় খণ্ডত থাকিব।

১৯৫৬ চনত উদ্যোগিক নীতিত উদ্যোগৰ নতুন শ্ৰেণী বিভাজন কৰা হয় আৰু উদোগ সমূহক তিনি ভাগত ভগোৱা হয়।

( ক ) অনুসূচীত সেইবোৰ উদ্যোগ বল, যিবোৰত কেন্দ্ৰীয় চৰকাৰৰ একচেটিয়া অধিকাৰ থাকিব। এনে উদ্যোগৰ সংখ্যা হ'ল ১৭ টা।

( খ ) অনুসূচীত ১২ টা উদোগৰ ভিতৰত ৰাসায়নিক উদ্যোগ, ঔষধ-পাতি, সাৰপম আৰু সাগৰ পৰিবহন আদি উদোগ আছে।

( গ ) অনুসূচীত অবশিষ্ট উদ্যোগবোৰ থাকিব যিবোৰ ব্যক্তিগত খণ্ডই অধিকাৰ আৰু নিয়ন্ত্ৰণ কৰিব।

১৯৭৭ চনৰ পৰা ১৯৯০ চনলৈ প্ৰবৰ্তন কৰা বিভিন্ন ঔদ্যোগিক নীতিৰ মূল বৈশিষ্ট্য সমূহ তলত দাঙি ধৰা হ'ল —

( ১ ) ১৯৭৭ চনত চৰকাৰে ক্ষুদ্ৰ উদোগ স্থাপন আৰু বিকাশৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। ক্ষুদ্ৰ উদ্যোগ সমূহৰ ভিতৰত আছিল কুটীৰ-শিল্প, অতি ক্ষুদ্ৰ উদ্যোগ য'ত স্থিৰ খৰছৰ পৰিমাণ আছিল ১ লাখ টকা আৰু যিটো উদ্যোগ স্থাপন কৰা অঞ্চলটোত জনসংখ্যা ৫০,০০০ ভিতৰত আৰু ক্ষুদ্ৰ উদ্যোগ যত স্থিৰ খৰছৰ পৰিমাণ ১০ লাখ টকাৰ ভিতৰত।

২/ ক্ষুদ্ৰ উদ্যোগ সমূহক সহায় কৰিবলৈ জিলা ঔদ্যোগিক কেন্দ্ৰ স্থাপন কৰা হ'ল।

৩/ ৰাজহুৱা খণ্ডৰ বাবে ভোগ্য সামগ্ৰীৰ উৎপাদন মুকলি কৰি দিয়া হ'ল।

৪/ ৰুগ্ন উদ্যোগ সমূহলৈ সাহাৰ্য্য দানৰ প্ৰশ্নটো নতুন কৈ বিচাৰ কৰি চোৱা হ'ল।

৫/ উদ্যোগ পৰিচালনাত শ্ৰমিকৰ অংশ গ্ৰহণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হ'ল।

উল্লেখ যোগ্য যে ১৯৮০ চনৰ ঔদ্যোগিক নীতি ১৯৫৬ চনৰ নীতিৰ ভিত্তিতে যুগুত কৰা হৈছিল।

১/ স্থাপিত উৎপাদন ক্ষমতাৰ পূৰ্ণ ব্যৱহাৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হ'ল।

২/ আঞ্চলিক বৈষম্য দূৰীকৰণক প্ৰাধান্য দিয়া হ'ল।

৩/ নিয়োগৰ সা-সুবিধা বৃদ্ধিয়ে অগ্ৰাধিকাৰ লাভ কৰিলে।

৪/ কৃষি ভিত্তিক উদ্যোগৰ উন্নয়নে গুৰুত্ব লাভ কৰিলে।

৫/ ৰপ্তানি বৃদ্ধি আৰু আমদানি বিকল্পকৰণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হ'ল।

৬/ ক্ষুদ্ৰ উদোগত স্থায়ী খৰছৰ পৰিমাণ ১০ লাখ টকাৰ পৰা ২০ লাখ টকালৈ বৃদ্ধি কৰা হ'ল। সেই দৰে আনুষঙ্গিক উদোগৰ ক্ষেত্ৰত বিনিয়োগৰ সীমা ১৫ লাখ টকাৰ পৰা ২৫ লাখ টকালৈ বৃদ্ধি কৰা হ'ল।



১৯৮৫ চনৰ উদ্যোগিক নীতিয়ে আমদানি শিথিল কৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰিলে।

১ / বৈদেশিক বিনিময় যোগ্য মুদ্ৰা নিয়ন্ত্ৰণ আইন ( Earcign Exchange Regulation Act ) আৰু একচেটিয়া ব্যৱসায় আৰু বাধা আৰোপিত বাণিজ্য ব্যৱস্থা আইন ( Monopolies Restrictive Trade Practices Act ) ৰ প্ৰয়োজনীয় পৰিবৰ্ত্তন সাধন কৰা হয়।

২ / M.R.T.P. অৰ্থাৎ ( Monopolies Restrictive Trade Practices Act ) আইনৰ পৰিসীমাৰ পৰা সেইবোৰ প্ৰতিষ্ঠান মুক্ত হৈ পৰিল যিবোৰৰ সম্পদৰ পৰিমাণ ১০০ কোটি টকাৰ কম হ'ল। পূৰ্বে এই পৰিমাণ ২০ কোটি টকা আছিল।

৩ / ক্ষুদ্ৰ উদ্যোগৰ ক্ষেত্ৰত বিনিয়োগৰ পৰিমাণ ২০ লাখ টকাৰ পৰা ২৫ লাখ টকালৈ আৰু আনুষাঙ্গিক উদ্যোগৰ ক্ষেত্ৰত এই পৰিমাণ ৩৫ লাখ টকাৰ পৰা ৪৫ লাখ টকালৈ বৃদ্ধি কৰা হ'ল।

১৯৯০ চনত চৰকাৰে নতুন ঔদ্যোগিক নীতি ঘোষণা কৰে।

১ / ক্ষুদ্ৰ উদ্যোগৰ স্থিৰ খৰছৰ পৰিমাণ বৃদ্ধি কৰা হ'ল। আনুষাঙ্গিক উদ্যোগৰ ক্ষেত্ৰত এই পৰিমাণ ৪৫ লাখৰ পৰা ৭৫ লাখ কৰা হ'ল।

২। ক্ষুদ্ৰ উদ্যোগৰ বাবে সংৰক্ষিত সামগ্ৰীৰ সংখ্যা ৮৩৬ ৰ পৰা ওপৰলৈ নিয়া হ'ব।

৩। গ্ৰাম্য অঞ্চল আৰু পিছপৰা অঞ্চলত ক্ষুদ্ৰ উদ্যোগ স্থাপনৰ বাবে কেন্দ্ৰীয় বিনিয়োগ ( Central Investment Subsidy ) সাহাৰ্য্যৰ ব্যৱস্থা কৰা হ'ল।

৪/ কৃষি ভিত্তিক উদোগে প্ৰাধান্য লাভ কৰিলে।

৫/ উন্নত অঞ্চলে ২৫ কোটি টকালৈ আৰু পিছপৰা অঞ্চলত ৭৫ কোটি টকালৈ স্থিৰ মূলধনত বিনিয়োগ কৰা নতুন উদ্যোগৰ ক্ষেত্ৰত অনুজ্ঞা পত্ৰৰ প্ৰয়োজনীয়তা তুলি দিয়া হল। নতুন ঔদ্যোগিক নীতি ( ১৯৯১ ) :-

১৯৯১ চনৰ ২৪ জুলাই তাৰিখে ভাৰত চৰকাৰে নতুন ঔদ্যোগিক নীতি ঘোষণা কৰে। এই নীতি

বিশেষ তাৎপৰ্য্য পূৰ্ণ বুলি ভবাৰ স্থল আছে। এই নীতিয়ে ভাৰতবৰ্ষৰ অৰ্থনৈতিক গাথনিৰ এক আমূল পৰিবৰ্তন সূচনা কৰিলে বুলি কব পৰা যায়। এই ঔদ্যোগিক নীতিৰ প্ৰধান বৈশিষ্টকেইটা তলত দাঙি ধৰা হৈছে।

১/ ১৮ টা উদ্যোগৰ বাহিৰে আন কোনো উদ্যোগৰ বাবে অনুজ্ঞা পত্ৰৰ প্ৰয়োজন নহব। অনুজ্ঞা পত্ৰৰ প্ৰয়োজন হোৱা এই ১৮ টা উদ্যোগৰ ভিতৰত আছে কয়লা আৰু লিগ নাইট, খনিজতেল, চেনি, মটৰ গাড়ী, চিগাৰেট, বিপদ বহুল ৰাসায়নিক উদ্যোগ, প্লাইউড, কেঁচা চামৰা, কাগজ, প্ৰতিৰক্ষা সামগ্ৰী, উদ্যোগিক বিস্ফোৰক সামগ্ৰী, ঔষধ, ভি. চি. আৰ, ৰঙীন টি, ভি, শুভ্ৰ সামগ্ৰী ( White goods যেনে ঘৰুৱা ফ্ৰিজ, ঘৰুৱা বাচন বৰ্তন, কাপোৰ ইত্যাদি।

২/ ক্ষুদ্ৰ উদ্যোগ সমূহত উৎপাদনৰ বাবে কেতবোৰ সামগ্ৰীৰ সংৰক্ষা ব্যৱস্থা বাহাল থাকিব।

৩/ আঠটা ক্ষেত্ৰত ৰাজহুৱা খণ্ডত প্ৰাধান্য অটুট থাকিব। ৰাজহুৱা খণ্ডত নটা উদ্যোগ ব্যক্তিগত খণ্ডৰ বাবে মুকলি কৰি দিয়া হব। ৰাজহুৱা খণ্ডৰ ৮টা উদ্যোগ হল অস্ত্ৰ-শস্ত্ৰ আৰু প্ৰতিৰক্ষাৰ সামগ্ৰী নিৰ্মাণ আনৱিক শক্তি উৎপাদন, কয়লা আৰু লিগ নাইট, খনিজ তেল, লো, ক্ৰম, জিপচাম, চালফাৰ, সোণ আৰু হীৰাৰ খনন কাৰ্য্য, আনৱিক শক্তি, ( উৎপাদন আৰু নিয়ন্ত্ৰণ ) নিৰ্দ্দেশ, ১৯৫৩ চনত উল্লেখিত ধাতু সমূহ আৰু ৰেল পৰিবহন।

৪/ মূলধনজাত সামগ্ৰীৰ আমদানিৰ বাবে প্ৰয়োজনীয় বৈদেশিক বিনিময়যোগ্য মুদ্ৰা বিদেশী অংশীদাৰে সুনিশ্চিত কৰিব পাৰিলে এনে সামগ্ৰীৰ আমদানি স্বয়ংক্ৰিয় ভাবে অনুমোদিত হব।

৫/ নতুন প্ৰকল্পৰ ক্ষেত্ৰত বিত্তীয় অনুষ্ঠান সমূহৰ ঋণ অংশ পত্ৰ লৈ ৰূপান্তৰ কৰা বাধ্যতামূলক দফাটো তুলি দিয়া হব।

৬/ উচ্চ অগ্ৰাধিকাৰপ্ৰাপ্ত উদ্যোগৰ ক্ষেত্ৰত প্ৰত্যক্ষ বৈদেশিক বিনিয়োগৰ পৰিমাণ বৈদেশিক বিনিময় যোগ্য মূদ্ৰা নিয়ন্ত্ৰণ আইন হস্তক্ষেপত ফেৰা' ( FERA ) ই ৰাখি দিয়া বৰ্ত্তমানৰ ৪০ শতাংশৰ পৰা ৫১ শতাংশলৈ বৃদ্ধি কৰা হব।

৭/ নিৰ্ধাৰিত উদ্যোগ সমূহত প্ৰত্যক্ষ বিনিয়োগৰ বাবে সুবৃহৎ আন্তৰ্জাতিক প্ৰতিষ্ঠান সমূহৰ সৈতে যোগা-যোগ ৰক্ষা কৰিবলৈ এখন বিশেষ ক্ষমতা সম্পন্ন পৰিষদ গঠন কৰা হব।

( ৮ ) উচ্চ অগ্ৰাধিকাৰ প্ৰাপ্ত উদ্যোগ সমূহৰ বাবে বৈদেশিক প্ৰযুক্তি বিদ্যা প্ৰয়োগৰ চুক্তি স্বয়ংক্ৰিয় ভাবে অনুমোদিত হব। এই চুক্তি সম্পাদিত হোৱাৰ দিনৰে পৰা ১০ বছৰলৈ বা উৎপাদন কাৰ্য্য আৰম্ভ হোৱাৰ ৭ বছৰলৈ মুঠ বিক্ৰী আয়ৰ ৮ শতাংশ বৈদেশিক প্ৰযুক্তি বিদ্যা যোগানকাৰী প্ৰতিষ্ঠানটোৱে লাভ কৰিব পাৰিব।

( ৯ ) ৰাজহুৱা খণ্ডৰ ৰুগ্ন উদ্যোগৰ পুনঃ সংস্থাপনৰ দায়িত্ব ঔদ্যোগিক আৰু বিত্তীয় পুনৰ গঠন সংসদে বহন কৰিব।

নতুন উদ্যোগৰ ক্ষেত্ৰত এই ঔদ্যোগিক নীতিয়ে অধিক প্ৰভাব পেলাব। তদুপৰি এই ঔদ্যোগিক নীতিয়ে ৰাজহুৱা খণ্ড আৰু ব্যক্তিগত খণ্ডৰ উদ্যোগ সমূহক অধিক প্ৰতিযোগিতামূলক আৰু ব্যয় সচেতন কৰি তুলিব পাৰিব বুলি আশা কৰা হৈছে। বৈদেশিক অৰ্থনৈতিক সহযোগিতাই উদ্যোগ সমূহৰ প্ৰযুক্তি বিদ্যাৰ স্তৰ উন্নত কৰিব বুলি আশা কৰা হৈছে।

এইখিনিতে এটা কথা কব পাৰি যে ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰ অধিক কাৰ্য্যদক্ষ আৰু লাভজনক হলেহে নেহৰুৱ ভাষাত এই উদ্যোগবোৰ — "আধুনিক ভাৰতবৰ্ষৰ মন্দিৰ" ( temple of modern India ) বুলি অভিহিত কৰিব পৰা যাব। ★ ★ ★

"ৰাজনৈতিক পৰাধীনতাতকৈ ভাষা বা সাংস্কৃতিক পৰাধীনতা অধিক ভয়াবহ — প্ৰথমটোৱে এটা জাতিৰ জন্মস্বত্বৰ অধিকাৰি গ্ৰাস কৰে কিন্তু দ্বিতীয়টোৱে এটা জাতিৰ আত্মাক ধ্বংস কৰে।"

— পদ্মনাথ গোহাঞি বৰুৱা।



# পাৰ্বতি প্ৰসাদ বৰুৱাৰ গীতি কবিতাৰ ভাষা।

অধ্যাপক, বিনন্দ মণ্ডল

( অসমীয়া বিভাগ )

এখন সমাজৰ সকলো শ্ৰেণীৰ মানুহে যিদৰে একেধৰণে সাজিব নাজানে ঠিক তেনেদৰে ভাষাও ব্যৱহাৰ কৰিব নাজানে। ব্যৱসায়ীলোকে বজৰুৱা ভাষা ব্যৱহাৰ কৰি, বুদ্ধিজীৱীয়ে কথাত চাতুৰ্য্য সানি, ভক্তই কথা বতৰাত ভকতীয়া ঠগ সানি কথা কলেহে মনৰ হুতাহ পলায়। সেইবাবে মানুহৰ সমাজৰ বিভিন্ন স্তৰৰ প্ৰচলিত ভাষাক অনুধাৱন কৰি বক্তাৰ চাৰিত্ৰিক অথবা শ্ৰেণীগত ভাৱৰ বৈশিষ্ট থাওবাব পাৰি। কথাষাৰ ওলোটাই এনেদৰেও কব পাৰি যে মানুহৰ শ্ৰেণীগত অৱস্থান অনুসৰি ভাৱ আৰু তাৰ প্ৰকাশৰ বাহন স্বৰূপ ভাষাই গঢ় লয়। সাহিত্যিক সকলৰ ভাষাৰ ক্ষেত্ৰতো এই কথা খাতে। সাহিত্যিকে যদিওবা এটা জাতীয় উনৈহতীয়া ভাষাকে মাধ্যম হিচাপে গ্ৰহণ কৰে তথাপি ব্যক্তিগতভাবে স্থানীয় সমাজখনৰ পৰা গ্ৰহণ কৰা স্থানীয় ভাষাৰ কথাৰ ঠাঁচ বা উপভাষাৰ ঠাঁচ লেখনিৰ মাজত অজানিতে সোমাই যায়। আৰু সেইখিনিতেই এজন সাহিত্যিকৰ ভাষাই বৈশিষ্ট্যও গ্ৰহণ কৰে। এইদৰে ভাষাৰ বৈশিষ্ট্য আৰু শ্ৰেণীগত ভাৱৰ বৈশিষ্ট্য এই উভয়বিধ গুণৰ সমাহাৰত এজন সাহিত্যিকৰ প্ৰকাশভঙ্গী সম্পূৰ্ণ হয়। আনহাতে ভাৱৰ ফালৰ পৰা বিচাৰ কৰি চালেও সাহিত্যত ব্যৱহাৰ কৰা ভাষাৰ দুই প্ৰকাৰৰ প্ৰয়োগ দেখা যায়। এবিধ হৈছে অনুভূতি প্ৰকাশক ভাৱবাদী প্ৰয়োগ আৰু আনবিধ হৈছে চিন্তাশীল যুক্তিনিষ্ঠ প্ৰয়োগ। ভাষাৰ ক্ষেত্ৰত এই প্ৰয়োগ বৈচিত্ৰও ভাব বৈশিষ্ট্যৰ ওপৰতেই নিৰ্ভৰশীল। এইবোৰ কাৰণতে সাহিত্যিক এজনৰ ভাষাৰ বিচাৰ কৰিবলৈ যাওঁতে ভাষাটোৰ কেৱল বৈয়াকৰণিক বিচাৰৰ মাজত আবদ্ধ নাথাকি শব্দ বা বাক্য সমূহৰ ভাৰবহন ক্ষমতা, সামাজিক ভাবে সেইবোৰৰ ব্যৱহাৰিক পৰিধি, বিশেষ সামাজিক গোষ্ঠীগোষ্ঠি বা সাহিত্যিক ভাৱধাৰাৰ প্ৰতি ৰীতি আনুগত্য ইত্যাদি কথাবোৰ বিচাৰ কৰি চাব লাগে। গীতি কবি পাৰ্বতি প্ৰসাদ বৰুৱাৰ ভাষাৰ বিচাৰ কৰিবলৈ যাওঁতে এনে এটা দৃষ্টিভঙ্গীকেই আমি এই প্ৰবন্ধত লৰবিচাৰিছোঁ।

পাৰ্বতি প্ৰসাদ বৰুৱা আছিল গীতি কবি। কবিজনে গীত আৰু গদ্য ৰচনা উভয়তে অসমীয়া গ্ৰাম্য-সমাজত প্ৰচলিত সহজ-সৰল ভাষাটোকে মাধ্যম হিচাপে গ্ৰহণ কৰিছে। গ্ৰাম্য জীৱনৰ সাধাৰণ কথা বতৰাত ব্যৱহাৰ কৰা কেতবোৰ শব্দ আৰু জতুৱা ঠাঁচ, বিহুগীত, বৰাগীৰ গীত, ল'ৰা ধেমালিৰ গীত আৰু ৰূপকথা জগতৰ পৰা এইজন কবিয়ে বহুবোৰ শব্দ আহৰণ কৰিছে। "শৰত কুঁৱৰী", "হেমন্ত লখিমী", হাতত কুকিটিলৈ ফুল তোলা লৰা' আদি ৰূপকাত্মক অভিব্যক্তি বোৰৰ ভাৱত যেনেকৈ ৰূপকথা জগতৰ স্মৃতি লুকাই আছে ঠিক তেনেকৈ 'সোণৰ সোলেং', 'সোণৰ হৰিণা', 'মায়াৰ ফান্দত পৰা', 'আনন্দ গোসাঁই', 'সৃষ্টিৰ কঠিয়া', 'তুনীয়া', ফেটি মুকুলী'. 'টুলুঙা নাওঁ' আদি ৰূপবোৰে বৰাগী গীতৰ ভাৱ কঢ়িয়াই আনিছে। কবিজনে **'চতাই পৰেবত'**, 'হাতী হেৰুৱালো নিহিৰি বনত', ঘোঁৰা হেৰুৱালো ৰণত, পাই হেৰুৱালো সৰগৰ মুকুতা চোতালৰ দুবৰি বনত', 'চেং কলি', 'কালিন্দী ভোমোৰা' আদি বিহুগীত সুৰীয়া চৰণাংশৰ লগতে ল'ৰা ধেমালিত গোৱা 'গাগিনী কিমান পানী', 'আম গছৰ শুকান ডাল, একে চৰেই ভাঙিম গাল' আদি বাল্য ধেমালিৰ গীতৰ কলিও ব্যৱহাৰ কৰিছে। তদুপৰি গ্ৰাম্য সমাজৰ সাধাৰণ কথা বতৰাৰ মাজত প্ৰচলিত বুকু-জোৰা, হিয়া উদং, মনত ৰং লগা, গাত বিহুলাগি সাতখন আঠখন কৰা, ছাঁ জুই পোহৰত ধন লেখা, হাবাথুৰি খোৱা, ফুটুকাৰ ফেন, একৈয়া বোটলা, জেউৰাই শইচ

খোৱা', ৰিং মৰা, লেকলৌ পকৱা, 'উজাবৰ বাঢ়নী পানী'; তমোময় ৰদৰে তাপ, হাবিয়াহ ভৰা চিত, পৰাণৰ সংশয় ইত্যাদি জতুৱা ৰূপবোৰৰ ব্যৱহাৰৰ পৰা ভাষাটোৱে গ্ৰাম্য বৈশিষ্ঠ্য লাভ কৰিছে।

অসমীয়া নৱন্যাস যুগৰ কবি সাহিত্যিক সকলৰ ভিতৰত চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আদিৰ ভাষাৰ লগত পাৰ্বতি প্ৰসাদ বৰুৱাৰ ভাষাৰ এটা সাদৃশ্য লক্ষ্য কৰা যায়। গ্ৰাম্য ভাষাক সাহিত্যত ব্যৱহাৰ কৰাত এইসকল কবিৰ ভাষা সাদৃশ্য গতভাবে বৈশিষ্ঠ্যপূৰ্ণ। কিন্তু ৰঘুনাথ চৌধাৰী বা অম্বিকাগিৰি ৰায় চৌধুৰী আদিৰ দৰে কবিৰ ভাষাত এনে লক্ষণ নাই। এই সকলৰ ভাষা অধিক ক্ষেত্ৰত সংস্কৃত-বহুল। বিষয়বস্তুত আলঙ্কাৰিক প্ৰয়োগ আৰু শব্দজগতৰ পৰিধি উভয় ক্ষেত্ৰতে এওঁলোক সেইকালৰ পৰা চহকী। পাৰ্বতি প্ৰসাদৰ কবিতাত শব্দজগতৰ পৰিধিও ঠেক আৰু অলঙ্কৰণো কম। অৱশ্যে তাৰে তুলনাত কাল্পনিক জগতখনৰ পৰিসীমা ঠেক নহয় আৰু কবিজনৰ মনপখীৰ দেউকা অন্যান্য কবি সকলৰ দৰে সবল-সুঠাম।

অসমীয়া নৱন্যাসিক কবিসকলৰ ভাষাত এটা সাদৃশ্যগত বৈশিষ্ঠ্য পৰিলক্ষিত হয়, সেইটো হৈছে ভাষাৰ মাজেদি বিনয়ী স্বভাৱ প্ৰদৰ্শন কৰাটো। উদাহৰণ স্বৰূপে পাৰ্বতি প্ৰসাদে ব্যৱহাৰ কৰা, জীৱনফেৰি, প্ৰাণটি, সাজপানীটুপি, ভঙাপজা আদি শব্দবোৰলৈ নিৰ্দ্দেশ কৰিব পাৰি। ৰমান্টিক কবি সকলে এইদৰে প্ৰকৃতি জগতৰ প্ৰতি মমতা, পাৰ্থিব জীৱনৰ ক্ষেত্ৰত অসহায়বোধ, নিঃস্ববোধ, আত্মলঘিমাৰ ভাব আদি কবি হৃদয়ৰ ঠুনুকা ৰূপটোক প্ৰকাশ কৰিবৰ বাবে এনে বৈশিষ্ঠ্যপূৰ্ণ ভাষা ব্যৱহাৰ কৰে। অসমীয়া কবিসকলে ব্যৱহাৰ কৰা স্বাৰ্থিক প্ৰত্যয়ান্ত এনে ভাষাটোৰ প্ৰয়োগ বৈশিষ্ঠ্য এইখিনিতে বিশেষভাৱে মনকৰিবলগীয়া।

গীত ৰচয়িতা হিচাপে পাৰ্বতি প্ৰসাদ বৰুৱাৰ গীতবোৰত উপাদানৰ সহযোগিতা আছে। গীতৰ ভাষাত বাঞ্ছনীয় বিষয়টো হৈছে অজটিল, উচ্চাৰণ সহজ স্বৰ-ধ্বনিপ্ৰধান ভাষা। গীতৰ ভাষাত সুৰেও অৰ্থৰ দ্যোতনা দিয়াৰ এটা অৱকাশ থাকে। তেনেক্ষেত্ৰত উচ্চাৰণ সহজ শব্দত সুৰৰ ভাজ দিব পৰা অৱস্থা এটা সকলো গীতিকাৰে অনুভৱ কৰে। এনে দৃষ্টিৰে চালে পাৰ্বতি প্ৰসাদৰ গীতৰ ভাষাতো এই বৈশিষ্ট্য লক্ষ্য কৰা যায়। কবিজনৰ গীতৰ সমূহত গ্ৰাম্য ভাষাৰ প্ৰয়োগে এই লক্ষণ আনি দিছে।

অসমীয়া ৰমন্টিক কবিসকলৰ বেছিভাগৰে ক্ষেত্ৰত ভাৱবস্তুত ৰহস্যবাদী স্বভাৱ এটা আছেই আছে। পাৰ্বতি প্ৰসাদো এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়। 'সোণৰ সোলেং' ৰূপকখনি কবিৰ অতিন্দ্ৰীয় ভাৱৰ উৎকৃষ্ট নিদৰ্শন। অতিন্দ্ৰীয়বাদী কবিৰ ভাষাৰ উল্লেখযোগ্য বৈশিষ্ট্য হৈছে প্ৰতীকৰ ব্যৱহাৰ তেওঁলোকে আধ্যাত্মিক জগতখনক চিনাকি দিবলৈ প্ৰতীকৰ অবিহনে সুকীয়া মাধ্যম নাই বুলিবই পাৰি। কাৰণ আধ্যাত্মিক জগতৰ সত্তাবোধ, সজ্ঞাবোধ সকলোবোৰেই পাৰ্থিব-দুৰ্লভ বস্তু। এইবোৰ মূখ্যতঃ একোটাহত বিমূৰ্ত্ত ধাৰণাহে। উদাহৰণ স্বৰূপে পাৰ্থিব দৃষ্টি-ভঙ্গীত জীৱনৰ অনিত্য, সৰ্ব্বশুদ্ধ কিম্বা সীমাহীন ৰূপ নাই। কিন্তু আধ্যাত্মিক দৃষ্টিত জীৱনক সৰ্ব্বশুদ্ধ, নিত্য আদি ৰূপবোৰ ভগৱত প্ৰাপ্তিৰ মাজেৰে আশা কৰা যায়। পাৰ্বতি প্ৰসাদ বৰুৱাই চিৰ অভেদ্য, মহাৰহস্য, মহাজীৱনৰ, সোণৰ সোলেং, সুখৰ সপোন, চৰম প্ৰাণ আদি খণ্ডবাক্য সমূহৰ মাজেদি এখন আধ্যাত্মিক জগতৰ প্ৰতিচ্ছবি আমাৰ আগত দাঙি ধৰিব খুজিছে। ৰহস্যবাদী কবিৰ ভাষাৰ এই ভাববাদী প্ৰয়োগ বৈশিষ্ট্য পাৰ্বতি প্ৰসাদৰ উপৰোক্ত উদাহৰণবোৰৰ পৰাই চানেকি লব পাৰো। পাৰ্বতি প্ৰসাদ বৰুৱাৰ কবিতাৰ আধ্যাত্মিক পৰিমণ্ডলত আৰু অনেক এনে ধৰণৰ শব্দ কিম্বা বাক্যাংশ পাওঁ যিবোৰে আমক কবিয়ে বাসকৰা আধ্যাত্মিক জগতখনলৈ লৈ যায়। উদাহৰণ স্বৰূপে জীৱনৰ জোৰ, জীৱনৰ চগা, মহা জীৱনৰ বস্তি, বুকুৰ জোৰ, সোণৰ সোলেং, বীণ বৰাগী, বীণ, এন্ধাৰ বাট আদি অংশবোৰলৈ আঙুলিয়াব পাৰি। পাৰ্বতি প্ৰসাদে প্ৰতীক ব্যৱহাৰ কৰোঁতে কেতিয়াবা একেটা প্ৰতীককে পুনৰুক্তি ঘটাইছে। পাঠান্তৰত প্ৰতীকৰ এনে ব্যৱহাৰে অৰ্থ বৈচিত্ৰ আনিব খুজিলেও পাঠকৰ ক্ষেত্ৰত ভাববস্তু গ্ৰহণৰ বেলিকা অৱবোধ সৃষ্টিও নকৰাকৈ থকা নাই। উদাহৰণ স্বৰূপে সোণৰ সোলেং'ৰ অন্তৰ্গত বীণ বৰাগীৰ মুখত দিয়া প্ৰথম গীতটোত 'জীৱনৰ জোৰ' আৰু 'জীৱন চগা' এই দুয়োটা প্ৰতীক একেটা কবিতাতে ব্যৱহাৰ কৰিছে। জীৱন যদি 'জোৰ' হয় সেই জীৱনকে স্থানান্তৰত 'চগা' বোলা হৈছে। জীৱন মানে 'জোৰো' 'চগাও' — এনেধৰণৰ কথাবোৰে নিশ্চয় পাঠকক বিমূৰত নেপেলোৱাকৈ নাথাকে। এনেবোৰ কথালৈ লক্ষ্য কৰিলে পাৰ্বতি প্ৰসাদ বৰুৱাৰ কবিতাৰ ভাষাই কেতিয়াবা ভাগৰি-ভাগৰি কথা কোৱা যেন লাগে।

অতি সাম্প্ৰতিক কালত অসমীয়া কবিসকলে কবিতাত আঙ্গিকৰ উৎকৰ্ষ সাধিবলৈ লোক জীৱনৰ মাজত শব্দৰ অনুসন্ধান কৰিবলৈ লৈছে। কেৱল শব্দই নহয় কবিতাত থলুৱা জীৱন ভঙ্গীকো কৰিতাৰ ভাষা হিচাপে ব্যৱহাৰ কৰিছে। শব্দৰ কৰ্ষণ, শব্দৰ অন্বেষণ, শব্দ জগতৰ থলুৱা গঢ় আৰু তৎজড়িত থলুৱা অনুষংগবোৰৰ বিষয়ে যাৰ সম্যক ধাৰণা নাই তেওঁলোকৰ কবিতাত প্ৰাণৰ স্পন্দনো কম। পাৰ্বতি প্ৰসাদ বৰুৱাৰ কবিতাৰ প্ৰধানতঃ বিষয়বস্তু দুটা। এটা হৈছে শৰত কালীন প্ৰকৃতিৰ বৰ্ণনা আৰু আনটো কবি জীৱনৰ বৈৰাগ্য অনুভূতি। এই দুয়োটা দিশৰ কৰিতাবোৰত লোক ভাষাৰ পৰা বুটলি অনা এনে শব্দবোৰ শব্দ আছে যিবোৰে আমাক মাজে মাজে হাতত ধৰি সেই তাহানিৰ মনাই পগলাৰ গাঁৱলৈ লৈ যায়। অসমীয়া গাওঁ সমাজত 'তই' শব্দৰ প্ৰয়োগৰ এটা বিশেষত্ব আছে। ডাঙৰেই হওক বা সৰুৱেই হওক অথবা সমনীয়াই হওক যাকে তাকে তই বুলিলেহে আপোন আপোন লাগে। তথাকথিত ব্যাকৰণবোৰে দেখুৱাৰ দৰে 'তই' শব্দৰ তুচাৰ্থ বোধৰ বিধিটো ইয়াত নাখাতে। পাৰ্বতি প্ৰসাদৰ বৈৰাগী গীতত আছে — 'সোণৰ হৰিণা তই ক'ত দেখিলি, ছাঁ জুই পোহৰত ধন লেখিলি, আকৌ — 'আপোন হাতে ঘৰ ভাঙিলি, অ অবৰী আকনো তই কিহৰ আশাত ফুৰিছ ঘুৰি' ইত্যাদি স্বগত ভাষণবোৰত গাৱঁলীয়া কথনভঙ্গী মন কৰিবলগীয়া। অসমীয়া বৈৰাগী গীতত 'তই' শব্দৰ ব্যঞ্জনা অসীম। এনে গীতত 'তই' শব্দই নিজকে বুজাবৰ বাবে ব্যৱহাৰ কৰিলেও শব্দটোৰ গৰ্ভত আৰু অনেকবোৰ ভাবৰ অনুসঙ্গ লুকাই থাকে। যেনে শব্দটোৱে নিজস্বতাৰ উপৰিও নিজৰ অসহায় অৱস্থা এটা, মন ভাঙি পৰা মানুহ এটা, দুৰ্ভগীয়া জীৱন এটা, পুতৌ লগা অৱস্থা এটা, উদাস-বিহ্বল-সংশয়াছন্ন মানুহ এটাৰ জীৱনৰ ছবিখন দাঙি ধৰে। উপৰোক্ত গীতৰ অংশ দুটিত আকৌ 'তই' শব্দটোৰ গৰ্ভত বহুবচনৰ আভাস এটাও লক্ষ্যকৰিবলগীয়া। ঠিক তেনেদৰে লোক গীতবোৰত 'ঐ' ধ্বনিটোৰ ব্যৱহাৰতো বিশেষত্ব পাওঁ। মৰম চেনেহৰ গৰাকীজনক 'ঐ' বুলি ৰিঙিয়াই মতা মাতষাৰত হৃদয়ৰ পৰাও চেনেহৰ গোন্ধ ওলাই আহে। পাৰ্বতি প্ৰসাদৰ — 'শুকুলা ডাৱৰ ঐ কহুৱাৰ ফুল .................. এনেধৰণৰ গাঁঠনিত চহা কৰিৰ উতনুৱা মনৰ জিলিকনি এটা সততে ওলাই পৰে।

পাৰ্বতি প্ৰসাদ বৰুৱাই ব্যৱহাৰ কৰা কথিত ভাষাৰ ঠাচটোত শিৱসাগৰ জিলাৰ কথিত ভাষাৰ ৰ্যৱহাৰ বহুল গঢ় এটা সততে লক্ষ্য কৰিব পাৰি। পাৰ্বতি প্ৰসাদে 'সপোনৰ ময়া', 'গধূলি বেলিকা', 'অগনিৰ ভাপ', 'ফুটুকাৰ ফেন সোপা', 'বেজাৰত জলকা লগা', 'চিনো যেন চিনো যেন লগা', 'ৰেণুৰে বলিয়া কালিন্দী ভোমোৰা' 'চেংকলি' 'লেকলৌ পকৱা' আদি এশ এটা থলুৱা গঢ় ব্যৱহাৰ কৰিছে। পাৰ্বতি প্ৰসাদে তেওঁৰ কবিতাৰ ছত্ৰে ছত্ৰে ঘৰৰ ওচৰৰ গাওঁখনৰ লখিমী ভাষা-টোক আলহীৰ আসনত বহুৱাইছে। সেয়েহে হবলা পাৰ্বতি প্ৰসাদে নিজৰ ৰুগ্ন জীৱনৰ করুণ-কাতৰ দুখবোৰ পৰিয়ালৰ আকস্মিক দুৰ্যোগৰ বিননিবোৰ নাঙলৰ শিৰলুত সিঁচিদি সকলোকে সেইবোৰৰ সমভাগী কৰি তুলিলে ★

## দৃষ্টিভংগী

মনত ৰাখিব যে জীৱন দুখ অথবা আনন্দৰ নহয়, ইয়াৰ তাৎপৰ্য গুৰুত্বপূৰ্ণ আৰু আত্মত্যাগেৰে জীৱনত প্ৰৱেশ কৰিব লাগিব।

—দ্য টকেভিল

# অসমৰ আৰ্থিক উন্নয়ন আৰু খনিজ সম্পদ

বিনয় ৰঞ্জন ফুকন
স্নাতক ৩ য় বাৰ্ষিক

এখন দেশ বা এটা অঞ্চলৰ আৰ্থিক উন্নয়নত প্ৰাকৃতিক সম্পদৰ ভূমিকা অতি উল্লেখযোগ্য । প্ৰাকৃতিক সম্পদৰ ওপৰত নিৰ্ভৰ নকৰাকৈ অৰ্থনৈতিক উন্নয়নৰ কথা ভাৱিব নোৱাৰি । কিন্তু প্ৰাকৃতিক সম্পদ থাকিলেই যে আৰ্থিক উন্নয়ন এখন দেশৰ বা এটা অঞ্চলৰ সম্ভৱ হ'ব তেনে নহয় ই নিৰ্ভৰ কৰে প্ৰকৃতিৰ বুকুৰ পৰা সম্পদ সমূহ আহৰণ কৰি উপযুক্ত ব্যৱহাৰযোগ্য কৰি তোলাৰ ওপৰতহে । প্ৰাকৃতিক সম্পদৰ প্ৰাচুৰ্য্যই এখন দেশ বা এটা অঞ্চলৰ আৰ্থিক উন্নয়নত বহুখিনি সহায় কৰে যদিও প্ৰাকৃতিক সম্পদত চহকী দেশ বা অঞ্চলো অনুন্নত হৈ থকা দেখা যায় । উদাহৰণ স্বৰূপে—জাপানে প্ৰাকৃতিক সম্পদত দুখীয়া হৈও আন দেশৰ পৰা কেঁচা সামগ্ৰী আমদানি কৰি শিল্প উদ্যোগত শীৰ্ষস্থান লাভ কৰিবলৈ সক্ষম হৈছে আৰু উন্নত ৰাষ্ট্ৰ বিলাকৰ লগত সমানে ফেৰ মাৰি যাব পাৰিছে । আনহাতে ভাৰতৰ নিচিনা প্ৰাকৃতিক সম্পদত চহকী দেশেও শিল্প উদ্যোগৰ অভাৱত আন দেশৰ ওপৰত নিৰ্ভৰ কৰিব লগা হৈছে । যিহেতু আৰ্থিক উন্নয়নত মানৱ সম্পদ ( Man Power ) অৰ্থাৎ মানুহৰ কায়িক শ্ৰম , জ্ঞান , বুদ্ধি , দক্ষতা কৰ্ম্ম-প্ৰেৰণা, চলনশীলতা তথা সাংগঠনিক ক্ষমতাৰ ভূমিকা মূখ্য প্ৰাকৃতিক সম্পদৰ ভূমিকা গৌণ ।

এতিয়া মূল বিষয়ৰ লগত সংগতি ৰাখি আলোচনা কৰা হওক । অসমৰ খনিজ সম্পদৰ ভিতৰত খাৰুৱা তেল , প্ৰাকৃতিক গেছ , কয়লা আৰু চুণশিল , এই কেইবিধৰ বিষয়ে উল্লেখ কৰিব পাৰি । ইয়াৰ উপৰিও চীনামাটি , ফুলৰছ অৰ্থ , কাওলিন , চিলিমনাইট, আকৰিক লো , চিলিকা বালি , কোৱাৰ্টজ আৰু ফিল্ডস্প্যাৰ আদি অৰ্থাৎ খনিজ সম্পদ আছে বুলি জনা যায় যদিও এইবোৰ বৰ্ত্তমানলৈকে উদঘাটন কৰিব পৰা হোৱা নাই । এই খনিজ সম্পদ বিলাকে বাণিজ্যিক দিশত কেনেধৰণৰ প্ৰভাৱ পেলাব সেইটোও জনা হোৱা নাই । তলৰ তালিকাত অসমৰ কেইবিধমান খনিজ সম্পদৰ জমাৰ পৰিমাণৰ প্ৰাপ্ত হিচাপ আৰু বাৰ্ষিক উৎপাদনৰ পৰিমাণ দিয়া হৈছে ।

তালিকা — ১ অসমৰ খনিজ সম্পদ

| নাম | জমা থকাৰ পৰিমাণ (১৯৮০ ) | বাৰ্ষিক উৎপাদন ( ১৯৮০ ) |
|---|---|---|
| খাৰুৱাতেল | ৮২'৬৫ নিযুত টন | ৪'৯৬৯ নিঃ টন |
| প্ৰাকৃতিক গেছ | ১১৪.০০০ ঘনমিটাৰ | ১০০৩ নিঃ ঘঃ মি |
| কয়লা | ২৯০ নিযুত টন | ৯'২২ লাখ টন |
| চুণশিল | ৩৩১ „ „ ( ৮৪'২ নিযুত টন প্ৰমাণিত ) | ২'৯০ লাখ টন |
| চীনামাটি | ৬'৬ লাখ টন ( প্ৰমাণিত ) | |
| আকৰিক লো | | |
| [illegible] ডিঙা | ১০ নিযুত টন | |
| লেংপাৰা | ৭ „ „ „ | |
| কুমৰি নাঙলা | ৩'৫ „ „ ( অনুমানিক ) | |
| ছিলিকাবালি | ১০ নিঃ টন | |
| জিম্মা জুৰি | | |
| মাংগুৰি | ৭৮ „ „ | |
| কোৱাৰ্টজ | ৮৫০০ টন । | |
| ফেল্ডস্পাৰ | ৬২০০ „ । | |



SOURCES (1) Directorate of Geology and Mines Govt. of Assam - 1988
(11) India - 1990

অসমৰ খনিজ সম্পদৰ ভিতৰত খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছ অতি গুৰুত্বপুৰ্ণ । খাৰুৱা তেল শোধন কৰি কেৰাচিন, ডিজেল, পেট্ৰল, বিমান প্ৰজ্বলক, কাঠত দিয়া তেল, ফাৰনেছ অইল, মম আৰু অন্যান্য বস্তু উৎপাদন কৰা হৈছে । ডিগবৈ, নুনমাটি আৰু বঙ্গাইগাওঁ তেল শোধনাগাৰ তিনিটাত প্ৰায় ২৫ লাখ টন খাৰুৱা তেল শোধন কাৰৱ ক্ষমতা আছে । বঙ্গাইগাওঁ পেট্ৰ, ৰাসায়নিক উদ্যোগৰ উৎপাদিত পলিষ্টাৰ আঁহৰ ভিত্তিত ৬টা সুতাৰ কল আৰু এটা কাপোৰ কল প্ৰতিস্থা হৈছে যদিও ইয়াৰ সুতাৰ ওপৰত নিৰ্ভৰ কৰি কেইবাটাও কাপোৰ কল স্থাপন কৰাৰ সুবিধা আৰু প্ৰয়োজন আছে । অসমৰ বাবে কাপোৰ সুতা বাহিৰৰ পৰা আমদানি কৰিব লগা হয় । কিন্তু পেট্ৰ ৰাসায়নিক উদ্যোগৰ উৎপাদিত পলিষ্টাৰৰ ওপৰত নিৰ্ভৰ কৰি বহুতো সুতা কল আৰু কাপোৰ কল স্থাপন কৰি এই অভাৱ দূৰ কৰি অসমৰ আৰ্থিক উন্নয়নত সহায় কৰিব পৰা থল আছে । ইয়াৰ উপৰিও গাওঁ সমূহত বিজুলী-চালিত তাঁতৰ যোগান ধৰি অসমৰ সৰ্ব্বসাধাৰণ বাইজক উৎপাদন মুখী কৰ্মসংস্থান কৰি তুলিবলৈ সম্ভৱ হব ।

প্ৰাকৃতিক গেছৰ ওপৰত নিৰ্ভৰ কৰি নামৰূপত ৰাসায়নিক সাৰ তাপবিদ্যুৎ আৰু ক্ষুদ্ৰ আকাৰৰ পেট্ৰ ৰাসায়নিক উদ্যোগ স্থাপিত হৈছে । দুলীয়াজানত প্ৰতিস্থিত অসম গেছ কোম্পানীয়ে প্ৰাকৃতিক গেছৰ যোগান ধৰে । বিশেষকৈ শিৱসাগৰ আৰু ডিব্ৰুগড় অঞ্চলৰ ৰাইজে যথেষ্ট পৰিমাণে উপকৃত হৈছে । তদুপৰি এটা বৃহৎ গেছ ক্ৰেকাৰ প্ৰকল্প স্থাপনৰ বাবে কেন্দ্ৰীয় চৰকাৰে অনুমোদন আগবঢ়াইছে । আৰু ইয়াৰ ওপৰত নিৰ্ভৰ কৰি বহুতো উদ্যোগ গঢ়ি উঠাৰ সম্ভাৱনা আছে । কিন্তু উদ্যোগ স্থাপন কৰিব পৰা উদ্যোক্তা কিমান ওলায় আৰু তাৰ লগত জড়িত প্ৰযুক্তিবিদ্যাত পাৰদৰ্শী ( Technical know how ) থলুৱা লোক কিমান পোৱা যাব তাৰ ওপৰত উদ্যোগ গঢ়ি উঠাতো নিৰ্ভৰ কৰিব ।

অসমৰ বোকাজানৰ বিলাতী মাটি কাৰখানা গঢ়ি উঠিছে যদিও ই অসমৰ প্ৰয়োজনীয় অভাৱ পুৰণ কৰিবলৈ সক্ষম হোৱা নাই । অসমৰ কয়লাৰো উপযুক্ত ব্যৱহাৰ হোৱা নাই বুলিব পাৰি । ই কেইটামান সৰু সৰু উদ্যোগ আৰু বিলাতী মাটিৰ কাৰাখনাত ব্যৱহাৰ হয় । অসমৰ কয়লাত প্ৰচুৰ পৰিমাণে গন্ধক থকাৰ কাৰণে পোনে পোনে ইয়াক তাপবিদ্যুৎ কেন্দ্ৰ তীখাৰ কাৰখানা আদিত ব্যৱহাৰ কৰিব নোৱাৰি । গন্ধক শোধন কৰাৰ ব্যৱস্থা হোৱা নাই বাবে অসমৰ কয়লা নিকৃষ্ট মানদণ্ডৰ হয় । অসমৰ কয়লাৰ পৰা এক বৃহৎ পৰিমাণৰ খাৰুৱা তেল উৎপাদন কৰিব পৰা সম্ভৱ বুলি বৰ্ত্তমান গৱেষণাগাৰত প্ৰমাণিত হৈ ছে ।

অসমচৰকাৰে খনিজ সম্পদৰ পৰা পোৱা ৰাজহৰ প্ৰায় অংশ খাৰুৱা তেলৰ যোগেদি পায় । তেলৰ ৰয়েল্টি আৰু বিক্ৰীকৰৰ যোগেদি ১৯৮৮-৮৯ চনত অসম চৰকাৰে ১৮২ কোটি টকা পাইছিল । ১৯৯০-৯১ চনত অইল ইণ্ডিয়া লিমিটেডৰ যোগেদি উৎপাদিত তেলৰ পৰা অসম চৰকাৰে ৰয়েল্টি আৰু বিক্ৰী কৰ হিচাপে ১৯৮.৩৫

কোটি টকা পাইছিল। অইল ইণ্ডিয়াৰ বাহিৰেও তেল আৰু প্ৰাকৃতিক গেছ আয়োগে অসমত তেল উদ্ঘাটন কৰে। তেলৰ ৰয়েলিটি প্ৰতি টনত এতিয়া ৩১৪ টকাকৈ অসম চৰকাৰে পায় যদিও ১৯৯০ চনৰ ১ এপ্ৰিলৰ পৰা ৩৪৭ টকালৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে যদিও ই কিমানদূৰ কাৰ্য্যকৰি হৈছে তাকজনা হোৱা নাই।

### ভৱিষ্যতৰ সম্ভাৱনা

অসমৰ খনিজ সম্পদৰ যথাযোগ্য ব্যৱহাৰ এতিয়ালৈকে হোৱা নাই বুলিব পাৰি। গতিকে অসমৰ আৰ্থিক উন্নয়ন দ্ৰুততৰ হোৱা নাই। অসমত যথেষ্ট পৰিমাণৰ আকৰিক লো আৰু অন্য ধাতুৰ খনি নাই যদিও বাহিৰৰ পৰা আহৰণ কৰি কেচাঁমালৰ ওপৰত নিৰ্ভৰ কৰি ধাতুৰ বস্তু উৎপাদনৰ উদ্যোগ কিছুমান স্থাপন কৰিব পাৰি। খাৰুৱা তেলজাত সামগ্ৰী আৰু প্ৰাকৃতিক গেছৰ ওপৰত নিৰ্ভৰ কৰি উদ্যোগ গঢ়ি তোলাৰ অত্যাধিক সুবিধা আছে যদিও মূলধন, কাৰিকৰী জ্ঞান আৰু সাংগাঠনিক দক্ষতাৰ অভাৱত সম্ভৱ হোৱা নাই। উপযুক্ত উদ্যোগৰ অভাৱত প্ৰাকৃতিক গেছ বিলাক নিতৌ জ্বলাই দিয়া হৈছে। যদি এই গেছ বিলাক বিভিন্ন উদ্যোগৰ সহায়ক কামত খটুৱাই পলিষ্টাৰ, প্লাচটিক আদি উৎপাদন কৰা হয় তেন্তে ই অসমৰ চাহিদা পূৰণ কৰিও ৰপ্তানি কৰা সম্ভৱ হব। আৱন্তীতে কোৱাৰ দৰে আৰ্থিক উন্নয়নৰ মূখ্য উপাদান মানৱ সম্পদ (Man Power) আৰু ইয়াৰ বিকল্প নাই। এটা অঞ্চলৰ আৰ্থিক উন্নয়ন মানুহৰ কাৰ্য্য দক্ষতা আৰু আগ্ৰহৰ ওপৰত নিৰ্ভৰ কৰে। অসমৰ সম্পদ সমূহ উৎপাদন মূখী কৰি তুলিলে আৰ্থিক উন্নয়ন দ্ৰুততৰ হব। উদ্যোগীৰ অভাৱতহে অসমৰ আৰ্থিক উন্নয়নত বাধা প্ৰাপ্ত হৈ আছে।

## শ্বেৰ আৰু শ্যায়েৰী

শ্বেৰ শ্যায়েৰী প্ৰেমৰ প্ৰভাৱত সৃষ্টি হোৱা কাব্যিক সুৰ থকা এক শ্ৰেণীৰ কবিতা। এইবোৰ হৃদয়ৰ কবিতা। নাৰী-পুৰুষৰ প্ৰেমৰ কবিতা। প্ৰেমত নিৰ্হিত থকা দুখ, সুখ, যন্ত্ৰণা, ক্ষোভ, অভিমান, অপেক্ষ, হতাশ- হুমুনিয়াহ আদিয়েই ইয়াৰ উপাদান।

□ ইয়ে ইনচানোকো টুটে হুয়ে, দিল হায় চাকী
হামচে তো টুটে হুয়ে সাগৰ নহী দেখে যাতে।

★ এৱাতো মাত্ৰ মানুহ ভগ্ন হৃদয় চাকী
মইতো ভঙা পিয়লাও চাব নোৱাৰো।

□ তুমকো দুনিয়া কে গমোদ্দচে নেহি
চবচে উলফং চহী মুঝ চোই মুহব্বৎ না চাই

ম্যা তুমাহাৰী হুঁ, এহি মেৰা লিয়ে ক্যা কম হ্যায়
তুম মেৰে হো কে ৰথে, এ মেৰী কিচমৎ না চহী
তুম মুঝে ভুলভি যাও এহক্ হ্যায় তুমকো
মেৰি ব্যাৎ ঔৰ হ্যায় ম্যায়নে তো মুহব্বৎ কি হ্যায়।

★ পৃথিৱীৰ দুখ - দুৰ্দ্দশাৰ পৰা তোমাৰ এতিয়া অৱকাশ নাই। সকলোৰে সৈতে তোমাৰ সম্পৰ্ক আছে, কেৱল মোৰ সৈতে তোমাৰ আৰু প্ৰেম নাই। মই তোমাৰেই, তাকেই মই সত্য বুলি জানো। তুমি মোৰ হ'বা, তেনে ভাগ্য মই আশা কৰা নাই। তুমি মোক পাহৰি গৈছা, তাৰ বাবে মোৰ কোনো অভিযোগ নাই। পাহৰি যোৱা অধিকাৰ তোমাৰ আছে। মোৰ কথা বেলেগ, মই তোমাক পাহৰিব পৰা নাই। এই বাবেই যে মই তোমাক সঁচাকৈয়ে ভাল পাইছিলোঁ। সঁচাকৈ।



# গল্প

সংঘাটৰ বোজা পিঠিত তুলি সময় সমাগত। সমাজৰ, মানুহৰ মনবোৰ শুধবাবৰ হ'ল। আমাক আজি পথ প্ৰদৰ্শকৰ প্ৰয়োজন হৈছে। আমাৰ মনৰ আন্ধাৰবোৰ আতঁৰাই পোহৰৰ সন্ধান দিব লাগে। জাতিৰ দাপোনস্বৰূপ সাহিত্যয়ো হেনো সেই সন্ধান দিব পাৰে।

প্ৰিয় পঢ়ুৱৈ, তেন্তে আহকচোন, সোণাৰি মহাৰিছালয়ৰ ১৯৯২-৯৩ বৰ্ষৰ গল্পশিতানৰ মাজলৈ সোমাই যাওঁ, আলোচা! আলোকৰ সন্ধান পাওঁ। ☆ ☆ ★

## পপাহ শেৱালী

- মিচ্ মাধুৰিমা গগৈ
স্নাতক ২য় বাৰ্ষিক (কলা)



ছোৱালীজনী কলেজ খনলৈ অহাৰ পৰা গোটেই কলেজখনতে গুণগুণনিৰ ৰোল উঠিছিল। নামাতিম বুলি ভাবিলেও ওচৰেদি পাৰহৈ যাওঁতে বিদেশী চেণ্টৰ সুভাষ বিলাই মিচিকিয়াই হাঁহি থৈ যোৱা ছোৱালী জনীৰ প্ৰতি মোৰ এনেয়ে এক আকৰ্ষণ ওপজিছিল। ছোৱালীজনী বেচ সাহসী আৰু মিষ্ট-ভাষী। কিন্তু মোৰ সাহস হোৱা নাছিল ছোৱালী জনীৰ কাষ চাপিবলৈ।

সেইদিনা আছিল সোমবাৰ। প্ৰায় ১০ মান বজাত আমাৰ কলেজৰ সন্মুখত এখন নীলা ৰঙৰ 'মাৰুতি-কাৰ' আহি ৰৈছিল। 'কাৰ' খনৰ ফালে চাওঁতে দেখিলো আধা মেলা দুৱাৰেদি ওখ শিল পিন্ধা এখন ধুনীয়া ভৰিয়ে মাটি চুইচেহি। ভৰিখন দেখিয়ে মোৰ ভৰিৰ গৰাকীক চাবলৈ ৰবকৈ ইচ্ছা হৈছিল। ওচৰতে থিয়হৈ ৰৈছিলো মই। শকত আৱত বয়সস্থ মানুহ এজনৰ লগত হাঁহি হাঁহি কথা পাতি মোৰ কাষেদিয়ে পাৰহৈ গৈছিল তাই। তেওঁলোক আগবাঢ়িছিল অধ্যক্ষৰ কমৰ ফালে। মইও চাবৰ কমৰ ওচৰতে ৰৈ তেওঁলোক অহাৰ উদেশ্যটো জানিবলৈ অপেক্ষা কৰিলো। শেষত অৱশ্যে জানিব পাৰিলো, ছোৱালীজনী আমাৰ কলেজতে নামভৰ্ত্তি কৰিছে স্নাতক ২য় বৰ্ষত।

পিছদিনাৰ পৰা ছোৱালীজনী সদায় কলেজলৈ আহে সেই নীলা ৰঙৰ মাৰুতি খনত। লগত আনে এমুকুৰা হাঁহি আৰু বিদেশী চেণ্টৰ সুভাষ। ছোৱালীজনী কলেজলৈ অহাৰ পৰাই মই লক্ষ্য কৰিছো এখন ৰঙা 'ইয়ামাহা' লৈ এজন ল'ৰা সদায়ে আহে তাইক লগ কৰিবলৈ। ছোৱালীজনী য'তেই নাথাকক লৰাজন অহাৰ লগে-লগে তেওঁৰ ওচৰত উপস্থিত

হয় আৰু তুয়ো হোটেল পায়গৈ। কিছুসময়ৰ পাছত পুনৰ ছোৱালীজনীক কলেজত থৈ যায়। সদায় এইবোৰ দেখিয়ে নেকি কলেজত তাইক লৈ বু-বু-ৰা-বা চলিল। কোনোবাই কোনোবাই আকৌ তেওঁলোকক নাম দিলে "ডাণ্টে বিয়েট্ৰিছ'। মই কিন্তু সিহঁতক সদায়ে লক্ষ্য কৰিছিলো। আৰু মই লক্ষ্য কৰিছিলো কোনো দিনেই ম্লান নোহোৱা সেই হাঁহিটি।

এই ধুনীয়া ছোৱালীজনীৰ লগত চিনাকী হোৱাৰ সৌভাগ্য ঘটিছিল এদিন লাইব্ৰেৰি ৰুমত। তাইৰ নাম আছিল "নিশিপুষ্পা বড়া"। তুদিন মানৰ পৰা মই লক্ষ্য কৰিছিলো নিশিৰ ওচৰলৈ সেই ল'ৰাজন অহা নাই। তাই আন দিনৰ দৰে হোটেললৈও যোৱা নাই। তাৰ পৰিবৰ্ত্তে তাই লাইব্ৰেৰি ৰুমত সোমাই কিতাপ পঢ়ি থাকে। কাৰন লগৰ ল'ৰা ছোৱালীৰ পৰা শুনা ঠাট্টা মস্কৰা আদিয়ে তাইক এইদৰে অকলশৰীয়া হবলৈ বাধ্য কৰাইছে। এদিন হঠাৎ লগ পালে নিশিক লাইব্ৰেৰি ৰুমত অকলশৰে। মই আৰু ৰব নোৱাৰিলো, বহুত দিনৰ পৰা পুহি ৰখা কথাটো কোৱাৰ সিদ্ধান্ত ঠাইতে কৰি পেলালো। বুকুত অলপ সাহস গোটাই মই তাইক কলো মই কিজানি ইতিমধ্যে তোমাক ভালপাই পেলাইছো 'নিশি'। কিছুসময় নিস্তব্ধতাৰ পাছত এটা দীঘল হুমুনিয়াহ পেলালে নিশিয়ে। গম্ভীৰ কণ্ঠৰে তাই কলে, তাতেই মোৰ তুভাৰ্গ্য 'দাদা'। সেই ক্ষমতা মোৰ নাই। মোৰ জীৱনৰ ভঙা কাহিনী কোনে শুনিব?

মই আবেগেৰে কৈছিলো, কিয় নুশুনিম? মই আজিয়েই এই মুহূৰ্ত্তে শুনিবলৈ প্ৰস্তুত নিশি। হঠাৎ লাইব্ৰেৰি ৰুমলৈ সোমাই আহিল মোৰেই সতীৰ্থ ৰঞ্জন। ৰঞ্জনে মোক দেখাৰ লগে লগে ঠাট্টা সুৰতে কলে, কিহে দোস্ত বঢ়িয়া Chance ল'লা দেখোন। সেই দিনা কোৱা নহল তাইৰ জীৱনৰ কাহিনী। লাইব্ৰেৰি ৰুমৰ পৰা ওলাই আহি তাই ঘৰলৈ বুলি আগবাঢ়িল খোজেৰে। মই তাইৰ পাছে পাছে খোজ ললো লগপোৱাৰ হেপাহেৰে। এটা সময়ত লগো হ'লো।

নিশিয়ে কৈ গৈছিল, তাই'ৰ জীৱনটোৰ কথা। থোকা-থূকি মাতেৰে তাই কৈছিল, জীৱনটোক উপভোগ কৰিবলৈ মোৰ বৰমন যায় 'দাদা'। কিন্তু মই ক্ষণ গণিছো প্ৰতি পলে পলে মৃত্যুৰ। মোৰ দেহত এক তুৰাৰোগ্য ৰোগ লম্ভীছে। যাক কোৱা হয় 'কেন্সাৰ'। দেশত, বিদেশত সকলোতে চিকিৎসা কৰিলো একো ফল নাপালো।

মই আগতে গুৱাহাটীত পঢ়িছিলো। এই অসুখ-টোৰ কাৰণেই মই ঘৰলৈ আহি এই কলেজত পঢ়িব লগা হ'ল। বহুত বোৰ চিকিৎসাৰ শেষত ঘৰুৱা ডাক্তৰজনে ৰিপৰ্ট' দিলে মোৰ হেনো কেন্সাৰ বেমাৰ হৈছে। মাহঁতে কোনেও মোক কথাটো জানিবলৈ দিয়া নাই। কিন্তু মই জানিলো। যিদিনা ডাক্তৰ খুড়াই এই ৰিপৰ্টটো দিছিল সেইদিনা মই এজনী বান্ধৱীৰ ঘৰলৈ গৈছিলো। কিন্তু মোৰেই তুৰ্ভাগ্য! বান্ধৱী জনীক মই লগ নাপালো। সেয়ে মই তাৰ পৰা সোনকালেই উভতি আহিলো। মাঁহঁতে হয়তু ভবাই নাছিলে মই ইমান সোনকালে উভতি আহিম বুলি। তেওঁলোকে ভিতৰত আলোচনা কৰিছিল আৰু কান্দিছিল। মই মাৰ উচুপনি শুনি ভিতৰত কি হৈছেনো বাহিৰৰ পৰাই বুজাৰ চেষ্টা কৰিলো। মই শুনিবলৈ পালো, মায়ে উচুপি উচুপি "কৈছিল, ভগৱানে 'নিশিতকৈ আগতে মোক কিয় নেদেখিলে"! তেতিয়া ডাক্তৰ খুড়াই কৈছিল, "নিয়তিৰ সতে যুঁজিব পৰা ক্ষমতা আমাৰ নাই।" "বিধিৰ বিধান আমি ভাগ্যৰ লিখন বুলিয়ে মানি ল'ব লাগিব।"

এই সকলোবোৰ কথা শুনি মই বুজিছিলো মোৰ অসুখটো ভাল কৰিব পৰা ক্ষমতা হয়তো ডাক্তৰৰ নাই। মই অধৈৰ্য্য হৈ পৰিছিলো। পুনৰ আলিলৈ ওলাই গলো। মই ঘৰলৈ ঘূৰি আহিম নে কি কৰিম ভাবিয়ে পোৱা নাছিলো। মনলৈ বিভিন্ন ধৰণৰ চিন্তা আহিল। তাৰ পাছত ভাবিলো মানুহয়ে কোনো দিনেই অমৰ নহয়। আজি মই মৰিম, তুদিনৰ পাছত তুমিও মৰিবা। মাত্ৰ তুই চাৰি দিন অগা পিছা তাকলৈ তুখ কৰিবলৈ কিটো আছে। সেয়ে মই শেষ সিদ্ধান্ত ললো কেতিয়াও মই তুখ কৰি নাথাকো, অন্ততঃ মা-দেউতা আৰু দাদাৰ কাৰণে। এইবোৰ ভাবি মই ঘৰলৈ ঘূৰি আহিলো। কলেজলৈ যে মোৰ ওচৰলৈ সদায় আহে ল'ৰাজন মোৰ দাদা। তুপৰিয়া আহি মোক খোৱাৰ কিবা কিবি দি যায়। কাৰণ বাহিৰত যি কোনো বস্তু খোৱা মোৰ মানা আছে। এই কেইদিন দাদা নাই। বিশেষ এটা কামত কলি-কতালৈ গৈছে। এইদৰে 'নিশিয়ে' দীঘল নিশ্বাসেৰে তাইৰ কথা সামৰণি মাৰি বিদায় ললে মোৰ কাষৰ পৰা। 'নিশি'ৰ কথা শুনি মোৰ সমস্ত শৰীৰেদি এক



বিদ্যুৎ প্ৰৱাহ বৈ যোৱা যেন অনুমান কৰিলো। ইমান দিনে এই মৃত্যু মুখী ছোৱালী জনীৰ ওপৰত বাক্য বানেৰে কিমান যে অত্যাচাৰ কৰা নহল। মোৰ অজানিতে তুচকু পানীৰে উপচি পৰিল। মই ঠাইতে শিলপৰা কপৌৰ দৰে থৰহৈ গৈছিলো। চিঞৰি চিঞৰি কবৰ মন গৈছিল নিশিৰ কাহিনী ৰঞ্জন, অমলহতক। ইমান বহল অন্তৰৰ নিশিৰ নামটো মই আকৌ এবাৰ আওঁৰাই চালো - 'নিশিপুষ্পা' সঁচাই যেন নিশি নিশা ফুলা বহুত সুৰভিৰে ভৰা 'এপাহ শেৱালী'। ☆☆☆



# পলাশৰ কুঁহি

- ৰতি প্ৰভা গগৈ

প্ৰবক্তা, অসমীয়া বিভাগ



দুনহলীয়া ঘৰটোৰ সন্মুখতে দীনই বহিবলৈ ঠিক কৰিলে। মাকৰ নীলা পাৰিৰ ফটা ৰিহা খনৰ আগটোত তুঁহ খিনিৰে সৈতে বান্ধি অনা কণী কেইটা ফটাকানি খনৰ ওপৰতে মেলি দিলে। এটা, তুটা ............... পোন্ধৰটা কণী দীনই মনে মনে হিচাব কৰিলে। পোন্ধৰটাত ত্ৰিশ টকা, বহী চাৰি দিস্তা, চিয়াঁহী দোৱাত এটা-মুঠ পচিশ টকা, বাকী পাচঁ টকাৰে নিমখ-হালধী লৈ যাব লাগিব। সি কণীকেইটা তুঁহখিনিৰ ওপৰত সজাই পেলালে।

কণীবোৰ সজাওঁতে দীনই মন কৰিলে— কেইটামান বগা ঘূৰণীয়া, কেইটামান বগা দীঘলীয়া। বগা ঘূৰণীয়া কেইটা ক'লা ফুটুকী কুকুৰা জনীৰ, বগা দীঘলীয়া কেইটা মুগা কুকুৰা জনীৰ। সি কণী কেইটা এবাৰ তুই চাগে। ইমান নহি। সি ভাবিলে কণী কেইটা

উমনি দিয়া হলে ? কমেও দহটা পোৱালী ওলাল হেতেন। এটাত ত্ৰিশ টকাকৈ তিনিমাহ মানৰ পাছত বিকিব পাৰিলে হেতেন। দীনৰ বুকুখন কোনোবা খিনিত বিষোৱা যেন অনুভৱ কৰিলে। পাচঁ বছৰীয়া ভায়েক নবীনৰ মুখ খনেও দীনক আমনি দিব ধৰিলে। সি দেখে বুলি কিমান সাৱধানেৰে কণীবোৰ চাং তলৰ টেকেলীত থোৱা হৈছিল। এটা কণী তাক অকলেই খাবলৈ লাগে। এটা কণীৰ মূল্য সি কি বুজিব।

" ঘৰুৱা কণী নেকি ? কেনেকৈ দিছা ? "

"দুটকা কৈ"

"দিয়া চোন পাচঁটা" মানুহজনে টকা দহটা আগবঢ়াই দিলে। দীনই কণী পাচঁটা কাগজত মেৰিয়াই দিলে। কাষৰে পাজৰে বহা বেপাৰী বিলাকলৈ মন কৰিলে দীনই। প্ৰায় সকলোৱেই তেওঁলোকৰ গাৱঁৰে। কোনোবাই ভেন্দী, কোনোবাই জিকা, ভাতকেৰেলা, লাউআদি আনিছে। শাক-পাচলি, খৰি বিক্ৰী কৰিয়েই মানুহখিনিয়ে জীৱিকা নিৰ্ব্বাহ কৰে। অ'ব ত'ব পৰা গোটখোৱা গ্ৰেজিডৰ মাটি ওলিয়াই জুপুৰি সাজি থকা এই মানুহখিনি বেছি ভাগেই বানপানীৰ কাৰণে উঠি অহা। এই বছৰ চৰকাৰে প্ৰত্যেককে এবিঘা মাটি আৰু ২৫০০ কৈ টকা দিছে সংস্থানৰ বাবে। দীনৰ বাপেকেও পালে। মাকে চিলাই মেচিন এটা ললে। ২৩০০ টকা তাতে গল। বাকী ২০০ ৰে তাৰ আৰু ভায়েকৰ চোলা, মাকলৈ এটা ব্লাউজ, বাপেকলৈ এটা গেঞ্জি, বহী চাৰি দিস্তা, চামৰাৰ কাগজ পাঁচখন, আঙুৰ এশ গ্ৰাম আনিলে। তাতেই আটাইখিনি টকা শেষ। আঙুৰ থোপা পাই ভায়েকৰ কি যে আনন্দ। সি যে আঙুৰ খাইয়ে পোৱা নাই, ভায়েক ইয়াতহে জন্ম হৈছে। সি সৰু হৈ থাকোতে কিন্তু খোৱা পিন্ধাৰ একো আকাল নাছিল।

" হেৰা ভাইটী " কণী কেনেকৈ দিছা ?-গাৱঁলীয়া কণী নে ? "

" দুটকাকৈ। ঘৰৰ কণী "

" দিয়া, আটাই কেইটা বান্ধি দিয়া। " কণী দহটা কাগজত মেৰিয়াই দিলে দীনই। মানুহজন তাৰ লগৰ দেৱাশীষৰ দেউতাক। টকা ৰিশটা আগবঢ়াই দি দেৱাশীষৰ দেউতাক ওচৰতে ৰৈ থকা গাড়ী খনৰ ফালে আগবাঢ়ি গ'ল। দিনই টকা বিশটা মোহাৰি চালে। খম খমীয়া নোট্। দেৱাশীষ হতঁৰ কাৰণে বিশটা টকা হাতৰ মলি। দীনৰ অলপ লাজ লাজ লাগিল। এঃ লাজ লাগিবলৈ কিটো আছে। বেপাৰ কৰাটো লাজৰ কথানে ? দুখীয়া বাবেহে ? সি কিবা দুখীয়া হওঁ বুলি হৈছে নে ? নিজকে বুজালে দীনই। তথাপি তাৰ লাজ ভৱ এটা মনত লাগি থাকিল। হীনমন্য ভাৱ এটাই মনটোক আমনি কৰিব ধৰিলে।

দেৱাশীষ সিহঁতৰ শ্ৰেণীৰ প্ৰথম ল'ৰা। সি দ্বিতীয়। দেৱাশীষে তাতকৈ দহ নম্বৰ বেছি পালে। দীনই অঙ্কত পালে ৯০%, দেৱাশীষে ৮০%। ইংৰাজীত দীনই ৭০% হে পালে, দেৱাশীষে ৮৩% পালে। বাকী বোৰ বিষয়ত ১/২ নম্বৰৰ কম বেছি। ৰিজাল্ট দিয়াৰ দিনাই দীনই ভাৱিছিল শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈ পাওঁতে সি এক নম্বৰ হবই। মাকক আহিয়েই কৈছিল। 'মা মই' অহাবাৰ কে এক নম্বৰ হমেই। মাকৰ চকুত চকুলো। আনন্দৰ নে বিষাদৰ দীনই ধৰিব নোৱাৰিলে। আখললৈ আজি জুই যোৱাই নাই। চাউল নাই। খৰি এবোজা কাটি আনি চোতালতে ভৰি হাত মেলি দুখৰি পীৰা এখনত বহি থকা দেউতাকৰ ভাৱ-লেশহীন নিৰ্ব্বিকাৰ মুখখন দেখি তাৰ ৰিজাল্টে আনন্দই দিছে নে বেদনাই দিছে দীনই ধৰিব নোৱাৰিলে। হয়তো মনৰ মাজত বান পানীয়ে উটুৱাই নিয়া আশাবোৰৰ লেখ। স্বচ্ছল অৱস্থাৰ পৰা ঘপহ কৰে দাৰিদ্ৰতাৰ অথাই সাগৰত ককবকাব লগা হোৱা দেউতাক মদনৰ মনত হয়তো পোৱা নোপোৱাৰ হিচাব। ঠিকা ঠুকলি কৰি লৰাক আপেল আঙুৰ খুউৱা মদনৰ বাকচৰ এচুকত এতিয়াও পৰি আছে বহুত টকাৰ লেন দেনৰ হিচাব নিকাচ বোৰ, বেঙ্কৰ পাচ বুক।



মাজে মাজে পত্নী দময়ন্তীৰ লগত তাকে চাই দুঃখ কৰে। পুতেকৰ আশাত মদন সেয়ে নিৰ্ব্বিকাৰ। পাই হেৰুৱাৰ বেদনাত মন ভাৰাক্ৰান্ত। তথাপি জীয়াই আছে জীয়াই থকাৰ আশাত।

মাক দময়ন্তী ? দীনৰ মাকে চখ কৰি পিন্ধি উৰি বৰ ভাল পাইছিল। এতিয়া হাতৰ কাণৰ আটাইবোৰ বিক্ৰী কৰিলে।

দীনই তুইঁখিনি খালটোলৈ পেলাই দি ফটা কানিখন সামৰি যাবলৈ উঠিলে। দীনই বুকুখনৰ বিষটো অকৌ অনুভৱ কৰিলে। সন্মুখৰ কিতাপৰ দোকানখনৰ বস্তু কেইটা লৈ দীনই ঘূৰি আঁহোতে দেখিলে দেৱাশীষ হঁতৰ ৰঙা মাৰুতীখন পাৰহৈ গৈছে। ঠাইতে ৰৈ গাড়ীখনলৈ দীনই চাই থাকিল নেদেখা হোৱালৈকে। বুকুৰ গভীৰৰ পৰা খুলনিয়াহ এটা ওলাই আহিল। দীনই কষ্ট কৰিব পাৰিব তথাপি দেৱাশীষক সেই দহ নম্বৰৰ পিছ পেলাব পাৰিব জানো ? দেউতাকে তাক পঢ়াবলৈ ইমান টকা ক'ত পাব ? দেৱাশীষ আৰু দীনৰ মাজৰ ব্যৱধান দহৰ পৰা ৰিশ হ'ব, বিশৰ পৰা ত্ৰিশ হ'ব, ত্ৰিশৰ পৰা ........................।

দীনই ব্যৱধান কমোৱাৰ একো উপায় বিচাৰি নাপালে।

লাহি দিয়া বেলিৰ লগে লগে দীন ঘৰমুৱা হ'ল। নগৰৰ পৰা তিনি কিলোমিটাৰ দূৰত দীনহঁতৰ গাওঁ। নগৰৰ গাতে লাগি থকা নৈ খনে নগৰীয়া বতাহ গাওঁখনলৈ সোমোৱাত বাধা দিছে। দীনই বাটত অলপ সময় বৰ লগা হ'ল। নাওঁখন সিপাৰৰ পৰা আহিছে। পঠা নাই অহা মংলাকাইৰ পাহোৱাল বাহু দুটা বেলিৰ পোহৰত চিক্‌মিকাই আহিছে। মলিয়ন পেণ্ট চাৰ্টেৰে মেইটো বমেশ। কাষত এভাৰ খৰি। খৰি ভাৰ বিকিলেহে হয়তো আখললৈ জুই যাব। নাওঁ কাষলৈ চাপিল। দীনৰ লৈতে বজাৰৰ পৰা অহা আৰু পাঁচজন নাওঁত উঠিল। উত্তাল পাহাৰীয়া নদী পাক ঘূৰণি খাই আগবঢ়া নদীৰ সোঁতলৈ চাই চাই দীনৰ ভাব হ'ল এই নদীবোৰ ইমান গভীৰ, ইমান গহীন অথচ কি উত্তাল। কি ভয়ঙ্কৰ নদীৰ সেই দানৱীৰূপ দেখা সকলেহে উপলব্ধি কৰিব পাৰিব। দহবছৰ বয়সতে দীনই নদীৰ সেই ভয়ঙ্কৰীৰূপ প্ৰত্যক্ষ কৰিছে। " পানী আহিলে ঐ " বুলি কোৱাৰ লগে লগেই গাওঁ ভূঁই একাকাৰ কৰি পেলোৱা পানীৰ কি যে দানৱী ৰূপ।

বাৰ, তাৰিখ তাৰ মনত নাই, কিন্তু নিশা ৭-৩০ বজাৰ অসমীয়া বাতৰিটো টি.ভি' ত লৈ থাকোতেই পানী অহাৰ বাতৰিটো বিয়পি পৰে। দীনৰ মাকে তাক সোঁহাতে ধৰি বাওঁ হাতে থিতাতে য'ত যি পালে লৈ পোনছাটেই সাজু কৰি থোৱা ভোৰত উঠিল। মাথাউৰিত নিশাটো কটাই পিছদিনাই আবেলি ৩/৪ মান বজাত নগৰৰ স্কুলৰ আশ্ৰয় শিৱিৰত প্ৰায় এমাহ কটোৱাৰ পাছত একেবাৰে নিঃস্ব হৈ এইখন গাঁৱত জুপুৰি সাজি থাকিবলৈ আৰম্ভ কৰে। আকাশৰ পৰা হঠাতে ধুপুচকৈ মাটিত সৰি পৰা সীমাহীন দুখৰ সেই কথাবোৰ তাৰ মনত পেলাবলৈ মন নগল। হঠাৎ তাৰ মনত খেলালে এই নদী খনেও যদি একে ৰাতিৰ ভিতৰতে তাণ্ডৱ নৃত্য কৰি নগৰৰ সকলো গৰ্ব্ব শেষ কৰি দিলেহেতেন। সিহঁতৰ ঘৰ-বাৰী, ৰঙীন টি ভি টো পানীৰ তলত বুৰাই পেলোৱাৰ দৰে যদি দেৱাশীষহঁতৰ সকলো সা-সম্পদ নিঃশেষ কৰি পেলালে হেঁতেন। ছিঃ ছিঃ। এনে কথা ভাবিব নাপায়। সি নিজকে ধিক্‌কাৰ দিলে। কেম্পত থকা সময়তো মাজে মাজে তাৰ এনে ভাৱ আহিছিল। সিহঁতক পুতৌ কৰি ইচ্ আচ কৰা মানুহবোৰ দেখি তাৰ তেনে ভাৱ মাজে মাজে আহিছিল। কিন্তু তাৰ মাকে চকুৰ পানী টুকি টুকি বাৰে বাৰে কোৱা মনত আছে " হে প্ৰভু ! সাত শতুৰুৰও এনে নহওক "।

হয়। সাত শতুৰুৰও তেনে নহওক সি চকু কেইটা মুদি দিলে। অনুভৱ কৰিলে দেৱাশীষ হঁতৰ গাড়ী খন যেন ক্ৰমাৎ তাৰ চকুৰ আগৰ পৰা আঁতৰি যাব ধৰিছে। সি ধৰিবলৈ চেষ্টা কৰিছে, হাত দুখন মেলি দিছে। নাই, সি আগবাৰিব নোৱাৰে তাৰ ভৰিহালত অনুভৱ কৰিছে যুগৰ

যুগৰ জড়তা । সি আগবাঢ়িব নোৱাৰি কক্‌বকাই আছে ।

নাওঁখন পাৰত লাগিল । "বোপাই বজাৰৰ পৰা আহিলি ?" গজেন দাইটীৰ মাতত দীনৰ দিবা স্বপ্নত যতি পৰে । কাষত খৰিভাৰ থৈ নাৱলৈ বৈ থকা গজেন দাইটীৰ গজেন্দ্ৰ সদৃশ দেহত গেঞ্জীৰ নামত এখন ফটাকানি । গেঞ্জী চিলাবও নোৱাৰি—দীনই ভাবিলে ।

"হয় দাইটী" বুলি কৈ হতাশাৰে গধূৰ মনটো লৈ আগবাঢ়ি গ'ল । আহি-আহি চাহ বাগিচাৰ মাজ পালেহি । চাহ গছৰ সেউজখিনিত সিযেনকিবা এটা নোপোৱা বস্তুৰ সন্ধান পালে । নগৰীয়া পৰিবেশত নঙঠা হৈ পৰা মনটো বহুত অমূল্য সম্পদেৰে ভৰি পৰা যেন অনুভৱ হ'ল । সেউজ দলিচাৰ দৰে পৰি থকা চাহ-গছৰ ওপৰত বাগৰি-বাগৰি সেই অমূল্য সম্পদৰ সোৱাদ লবলৈ তাৰ মন গ'ল । তাৰ মনৰ ভাগৰ নিমিষতে যেন শেষ হৈ গ'ল । দেৱাশীষহঁতক লগ নোপোৱাৰ দুঃখ, ওখ-ওখ দালানবোৰ চুকি নোপোৱাৰ দুঃখ, গাড়ী মটৰেৰে ভৰা নগৰীয়া পৰিবেশে আনি দিয়া মনৰ ভাগৰ নিমিষতে কিয় বা কেনেকৈ শেষ হৈ গ'ল, সি বুজি নাপালে । কেৱল অনুভৱ কৰিলে অনাবিল এক প্ৰশান্তি মনৰ মাজত । চাহ বাগিচাৰ সেউজখিনি য'ত শেষ হৈছে তাৰ পৰাই আৰম্ভ হৈছে হালধীয়া সোণাৰুৰ সোণোৱালী ৰঙৰ অপূৰ্ব্ব সমাবেশ । মাজে-মাজে পলাশৰ জুই ৰঙা বোল । প্ৰকৃতি কবি ৰঘুনাথ চৌধাৰীৰ কবিতা সি পঢ়িছে, জীৱনীও পঢ়িছে । সোণাৰুক লৈ লিখা কবিতাৰ শাৰী কেইটা তাৰ মনলৈ আহিল । "সোণগুটি সোণাৰুৱে লৈ থোপামনি কনক কবিতা ৰচি দিছে প্ৰেম উপযাচি ···· " "সোণগুটি-" দীনই মনতে আকৌ এবাৰ আওৰালে । সোণাৰুৰ সোণালী ৰঙৰ পৰা আহি দীনৰ চকু জুই ৰঙা পলাশত আঠা লগাদি লাগি ধৰিল । দীনৰ চকুৱে পলাশৰ ৰঙ আৰু সৌন্দৰ্য্য গিলিবলৈ ধৰিলে । হঠাৎ দীনই আৱিষ্কাৰ কৰিলে সোণাৰু আৰু পলাশৰ ৰঙ একাকাৰ হৈ আকাশ খন ছানি পেলালে । সেয়া যেন ফুল নহয়, ৰঙও নহয়, দগমগাই জ্বলি থকা একুৰা জুই । জুইৰ পোহৰত দীনৰ ভৰি হালে নতুন বল পালে জপিয়াই জপিয়াই দীনই ঘৰ অভিমুখে আগবাঢ়ি গ'ল ।

## মুকুতা মালা

☐ **আশাঃ** জীৱনত দুটা কথাই সবাতোকৈ মৰ্মান্তিক । এটা হ'ল—অন্তৰেৰে হাবিয়াস কৰা বস্তুটো নোপোৱা আৰু আনটো পোৱা ।

☐ **মৰ্যাদাঃ** মৰ্যাদা অক্ষুন্ন ৰাখিব পৰা ক্ষমতাটোৱেই হ'ল মানুহৰ মৰ্যাদা ।

☐ **প্ৰত্যাশাঃ** আমাৰ প্ৰত্যাশা যিমানেই পাওঁ, সিমানেই সি বৃদ্ধি পায় । নোপোৱাৰ বাবেই আমি সদায় প্ৰত্যাশিত ।

☐ **হতাশাঃ** হতাশাই উদাসী হোৱাত সহায় কৰে ।



# নিয়তি

—মৃনালী শৰ্ম্মা
স্নাতক প্ৰথম বৰ্ষ



গুৱাহাটী চহৰৰ ব্যস্ত জনপথ । ব্যস্ত মহানগৰীৰ ব্যস্ত জনতাৰ মাজতে ময়ো ব্যস্ত হৈ যিমান পাৰো খৰকৈয়ে ষ্টেট বেংকটোৰ ফাললৈ আগবাঢ়িছিলো । পল্টন বজাৰৰ জনতাৰ ভিৰৰ মাজেৰে আগবাঢ়িবলৈ কিছু অসুবিধা হৈছিল । তথাপি আগবাঢ়িছো । কাৰণ আজি শনিবাৰ-বাৰ বজাতে বেংক বন্ধ কৰি দিব । কোনেও কাৰোফালে চাবৰ সময় নাই । সকলো নিজৰ চিন্তাত মগ্ন । ওচৰৰ গলি এটাৰ মুখত কিছুমান সৰু সৰু ল'ৰাছোৱালী । সিহঁতে কাৰোবাক উদ্দেশ্য কৰি চিঞৰ বাখৰ লগাইছে. মই বৰ গুৰুত্ব দিছিলো । হঠাৎ মোৰ পিঠিত এটা শিলগুটি খুউব জোৰত লাগিলহি । খঙে মোৰ চুলিৰআগ পালেগৈ । কোনে মাৰিলে বুলি পিছলৈ ঘূৰি চাই মোৰ চকু স্তব্ধ হৈ গ'ল । মই যেন মোৰ চকুকেই বিশ্বাস কৰিব নোৱাৰিছিলো, সেয়া সেয়া আমাৰ মহিলা সমিতিৰ সভানেত্ৰী কৰবী দত্ত নহয়নে ? সেয়া অসমৰ শ্ৰেষ্ঠ গল্প লেখিকা কৰবী দত্ত নহয় নে ? হয় সেয়া কৰবী পেহী । ফটা-ছিটা মলিয়ন কাপোৰেৰে সেয়া কৰবী পেহী । মূৰলৈকে দীঘল খৰণি লৈ সমাজত বহি থকা কৰবী পেহীয়ে আজি লজ্জা নিবাৰণ কৰিবলৈও চেষ্টা কৰা নাই । হায় বিধিৰ কি লিখন ! নিয়তিৰ কি যে পৰিহাস ! হঠাৎ ল'ৰা ছোৱালীবোৰে পুনৰ পেহীৰ গালৈ শিলগুটি দলি-মাৰি খেদি আহিল । পাগলী পেহীয়ে কাষলতি তলত টোপোলাটো লৈ দৌৰি এবাৰ পলায় আকৌ এবাৰ মাজতে থমকি ৰৈ ঘূৰাই সিহঁতলৈ দলি মাৰে মুখত অবাইচ্‌ মাতেৰে সিহঁতক গালি পাৰে । মাৰ্জিত নম্ৰ কথা কোৱা পেহীৰ মূখত আজি অশ্লীল মাত । পেহী আমাৰ শিৱসাগৰ জিলাৰ গাভৰু আছিল । গুৱাহাটীৰ কোনোবা এখন গাওঁলৈ তেওঁক বিয়া দিছিল, কোনোবা এটা অফিচত কেৰেণীৰ কাম কৰা দিগন্ত দত্তলৈ । তেওঁ বাৰু কিয় পাগল হ'ল ?

দুটাকৈ ল'ৰা আৰু এগৰাকী কন্যাৰে সৈতে এটি সুখী পৰিয়াল গঢ়ি তুলিছিল কৰবী পেহীয়ে । ডাঙৰ পুতেক নিলমক বহু কষ্টেৰে ডক্তৰী পাছ কৰোৱালে আৰু সৰু পুতেক মৃনালে বি, এ, পৰীক্ষা দি এনেই ঘৰতে ৰহি আছিল । আৰু সিহঁত দুয়ো টাৰ পিছতে প্ৰনিতা । তাই নৱম শ্ৰেণীৰ ছাত্ৰী । হাঁহি ধেমালিৰে মুখৰিত হোৱা এটা সুখী পৰিয়াল কিন্তু নিয়তিৰ কিযে পৰিহাস, নিয়তিয়ে যেন সেয়া সহ্য কৰিব নোৱাৰিলে । সেয়েহে সেই সুখী সংসাৰখন থান্‌-বান্‌ কৰি পেলালে । ডাঙৰ পুতেক নিলমে ডাক্তৰী পাছ কৰাৰ পিছতে গুৱহাটী চহৰতে কোনো এখন চিকিৎসালয়ত চৰকাৰী চিকিৎসক হিচাবে নিযুক্তি পায় । গাৱঁৰ পৰা চহৰলৈ অাহাযোৱাত কষ্ট হোৱাৰ বাবে সি পিতৃ মাতৃৰ অনুমতি লৈ চহৰতে থাকিবলৈ লয় । সপ্তাহৰ মূৰে মূৰে ঘৰলৈ যায়, এইদৰেই গতানুগতিক জীৱনবোৰ পাৰহৈ গৈছিল ।

এটা সময়ত নিলমে নিজে বাচি এগৰাকী গণ্য-মান্য লোকৰ কন্যা বিয়া কৰায় । লাহে-লাহে বৃদ্ধা হৈ অহা কৰবী পেহীয়ে ঘৰখনৰ সকলো বোজা কঢ়িয়াব নোৱাৰা হৈ পৰিছিল, সেয়েহে বোৱাৰী আনি অকন সুখেৰে দিন কটাম বুলি হয়তো কল্পনা কৰিছিল । কিন্তু সেই আশা কৰবী পেহীৰ পুৰণ নহল । নিলমৰ পত্নী আছিল চহৰীয়া, তাতে আছিল আনিন্দ সুন্দৰী ধনী-মানী আৰু সুন্দৰী হোৱাৰ বাবে নিজেই গপত ওফন্দি পৰিছিল । প্ৰথম দুদিন মান খুউব সুখেৰেই পাৰহৈ গৈছিল । ন-বোৱাৰী বুবি ভাবি কৰবী পেহীয়েই

ঘৰ চোতাল আদি সাৰি দিয়ে। প্ৰনিতা সৰুৱে পৰা অসুখীয়া হোৱাৰ বাবে কাম বন কৰিব নোৱাৰিছিল, বহু চিকিৎসা কৰাৰ পিছতো তাইক আৰোগ্য কৰিব পৰা নাছিল। এইদৰে তাই এই পৃথিৱীৰ পৰা আঁতৰি গৈছিল কোনোৱা অজান দূৰলৈ। অন্যহাতেদি চাৰি মাহ পাৰ হৈ যোৱাৰ পাছতো নবৌয়েকে গাধুৱালৈ দেউৰেকে পানী আৰু শাহু কৰবী পেহীয়েই এইবোৰ কৰি দিব লগা হৈছিল। ন-বোৱাৰীৰ পৰা কোনেও এষাৰ ভাল মাত বা ভাল ব্যৱহাৰ পোৱা নাছিল। এই দৰে শান্তিপূৰ্ণ ঘৰখনত অশান্তৰ বীজ বিয়পি পৰিছিল। আৰু নিলম ? সি হৈ গৈছিল বোবা। বিয়াৰ পিছৰ পৰা ভনীয়েক প্ৰনিতা আৰু ভায়েক মৃনালৰ পৰা সি যেন আঁতৰি আহিছিল। তাৰ যেন মৰম চেনেহ বোৰ টুটি আহিছিল। হঠাৎ এবছৰ পুৰ নহওঁতেই পত্নীক লৈ গুচি গৈছিল চহৰলৈ। ঘৰৰ পৰা। নিলম গুচিযোৱাৰ পিছত ঘৰখনৰ অৰ্থনৈতিক আৰু মানসিক ভাৱে সকলো ফা[illegible] জুৰুলা হৈ পৰিছিল। বৃদ্ধা বাপেক মাক হৈ পৰিছি[illegible] বোবা। অন্যহাতেদি মৃনালৰো কোনো এটা কৰ্মসংস্থাপ[illegible] নহল। এইদৰেই ভাংলেখ চিন্তা কৰি পাগলী হ'ল কৰ[illegible] পেহী। আৰু এদিন সন্ধানহীন হৈ পৰিছিল।

চহৰলৈ যোৱাৰ পিছৰ পৰা ডাঙৰ পুতে[illegible] নিলমে এবাৰো ঘূৰি চোৱা নাছিল। বৃদ্ধা বাপেকে ছু[illegible] মান গৈয়ে পুতেকক লগ নেপায় উভতি আহিছিল। এ[illegible] আহাৰৰ বাবে বাপেক মাক হালৰ মাজত হাঁহাক[illegible] লাগিছিল। এনে এটা শোকাকুল অৱস্থাতে স্বামী দিগ[illegible] আঁতৰি গৈছিল কৰৱীৰ কপাল উকা কৰি, কৰবীপেহী [illegible] পৰিল পাগলী। তাইক বৰ্তমান জগতে চিনি পায় পাগ[illegible] বুলি, গল্পকাৰ বা আন নামেৰে নহয়। মই অনুভৱ কৰি[illegible] কৰবী পেহীয়ে লিখা বহুতো গল্পৰ মাজত কোনো এ[illegible] গল্পৰ নায়িকা যেন পেহী নিজেই। কৰৱী পেহীৰ গল্পত যে[illegible] নিজৰ প্ৰতিবিম্ব টোৱেই প্ৰতিফলিত হৈ উঠিছে।

---



# পৰাজয়

※ - শেখৰজিৎ গগৈ ※

উঃ মাঃ ২য় বাৰ্ষিক (বিজ্ঞান)

বিয়লিৰ বতাহ জাক বলিছে। চকি এখন লৈ নবীনে আগফালৰ ফুলনিখনত বহি ললে। আকাশখনত অত ত'ত এচপৰা দুচপৰা ভাৱৰে দৌৰি ফুৰিছে। মেঘাচ্ছন্ন আকাশখন অলপ গোমা কাৰণেই তাৰো মনটো হয়তো আৰু বেছি গোমা হৈ পৰিছে। সন্মুখৰ পহাৰটোলৈ চাইছিল। বহুতো ওখ-ওখ গছে শাৰি পাতি আছে। আৰু তাৰ মাজে উৰি ফুৰিছে বগা বগা বগলীৰ জাক [illegible] কেতিয়াবা উৰি উৰি গৈ সিহঁত নেদেখা হৈ যায় দূ[illegible] নীলিমাত।

অজানিত ভাৱেই নবীনৰ মুখৰ পৰা ওলা[illegible] আহিল তেন্তে কি নিয়েই আত্মহত্যা কৰিলে ? মা[illegible] দুদিনৰ আগতে সি তাক লগ পাইছিল। অতনু আ[illegible]



তেতিয়াহলে এই পৃথিৱীত নাই। কিয় সি তেনে এটা মহাপাপ কৰিলে ? নাই ভালেই কৰিলে সি, আত্মহত্যা কৰি তাৰ জীৱনৰ সকলো সুখ-দুখৰ পৰা হাত সাৰিল। আৰু সি বেছি ভাবিব নোৱাৰিলে। বহুতো চিন্তাই তাৰ মন আৱৰি ধৰিলে। লাহে লাহে আন্ধাৰ নামি আহিল।

অ'ত ত'ত এটা দুটা তৰাই দেখা দিছে। শীতকালীন পুৰ্ণিমাৰ জোনটোৱে তাৰ ভাৱক বিভোৰতাত বাধা দিবলৈ বুলি পৰিপুষ্ট হৈ উঠিছে। কিন্তু পাৰিব জানো ? মাত্ৰ দুদিনৰ আগতে তাক কৈছিল নবীনে গোটেই জীৱনটোৰ কথা কৈ যাওঁতে তাৰ মনৰ কথা বোৰত আঁত লাগিছিল। তথাপিও সকলো কথা কৈ গৈছিল।

জীৱনক ভাল পাইছিল, সি অতি বেছি। সেয়েহে কেতিয়াবা কাৰোবাৰে পৰা গালি খাই বুলি ভয় খাইছিল। মাকৰ অতি মৰমৰ এটি সন্তান সি। মাকে তাক যিমান মৰম কৰিব লাগিছিল তাতোকৈ বহুত বেছি কৰিছিল। তাৰ প্ৰতিদান স্বৰূপে সিও মাকক দিছিল অপাৰ স্নেহ। অতি বেচি বিশ্বাস কৰিছিল। কিন্তু শেষত কি হৈছিল। ভীষণ ভাৱে সি পৰাজিত হৈছিল তাৰ জীৱনটোৰ ওচৰত। সি ভবা নাছিল। সেয়েহে পাগলৰ দৰে কৈছিল "জান নবীন মই এদিন আত্মহত্যা কৰিবই লাগিব।" মই যে জীৱনটোক এনেয়ে উৰুৱাই দিলো। সমাধান একোৱেই নহল। মাত্ৰ পালো গ্লানি। মাত্ৰ পালো কিছুমান অপবাদ। অৱশেষে পাইছিলো কিছুমান প্ৰতিশ্ৰুতি। মন্দাকান্তৰ অবুজ ফুলনিৰ মাজত বিছাৰি পাইছিলো অযুত আশাৰ ফুল। কিন্তু তাক জানো মই নিজৰ কৰি লব পাৰিলো। সেয়েহে ভাবো আত্মহত্যাৰ বাহিৰে মোৰ আন একো উপাই নাই। জীৱনটোক উপভোগ কৰিম বুলি ভাবিছিলো হাঁহি আৰু আনন্দৰ মাজেৰে কিন্তু ..................... নোৱাৰিলো।

সিদিনা কি বাৰ আছিল জানো ? এজাক বতাহ বলিছিল। তাঁহি আহিছিল এজাক মিঠা গোন্ধ। বতাহ জাকত ভাঁহি আহিছিল অদূৰৰ এটা করুন সুৰ। দূৰণিৰ কোনোবা এডাল শুকান গছৰ ডালত বহি চিঞৰিছিল এটা অকলশৰীয়া কপৌৱে। সি হয়তো বিচাৰিছিল তাৰ হেৰুৱা অজানিত দিনৰ স্মৃতি বিমুগ্ধ দিন বিলাকৰ কথা। মনত পৰিছিল তাৰ অকালতে হেৰুৱাই ....... পেলোৱা মৰমীৰ বিমুগ্ধ মাতৰ এটাই ভাঁহি আহিছিল। অতনুৱে দেখিছিল এটা চকামকা পোহৰ। কিহৰ বাৰু সেইয়া। সেইয়াতো তাৰ মাক নহয়। মাকতো আৰু ইহসংসাৰত নাই। তেন্তে সেইয়া মাকৰ প্ৰেতাত্মা নেকি বাৰু ?

দুপৰীয়াৰ পৰাই তাৰ মন আছিল গধুৰ। মন্দাকান্তৰ ফুলনিৰ কোনো এচুকত ফুলি থকা এপাহি ৰঙা মদাৰ ফুলৰ দৰেই। মন পচুৱাই বা লাগি সি কেতিয়াবাই উৰি গৈ পুখুৰীৰ পানীত ভাঁহি আহিছিল। পুখুৰীৰ পদুমবোৰৰ মাজত পদুম পাহে চাগে খুউব লাজ পাইছে। আহিবৰ সময়ত তাৰ মাকে কৈ পঠাইছিল, ভালদৰে পঢ়া শুনা কৰিবি সোণ, চাচোন তোৰ কাৰণেই যে মই জীয়াই আছো। তই ভালদৰে পঢ়া-শুনা কৰি ডাঙৰ মানুহ হলে মই যে কিমান শান্তিত চকু মুদিব পাৰিম। শেষত সি আহিবৰ সময়ত কপালত চুমা এটা খাই কৈছিল অসুবিধা হলে জনাবি, স্বাস্থ্যলৈ চকু দিবি। যোৱা সোণ তোমৰ মঙ্গলেই মোৰ শুভ কামনা। ওখ গঢ়া দেখি ভয় নাখাবি। লাহে লাহে উঠি যাবলৈ চেষ্টা কৰিবি। তেতিয়াই জয়ৰ শৃঙ্গত উঠিব পাৰিবি।

অতনুৱে সিদিনা কৈছিল-কিন্তু ক'তা নবীন মইতো মাৰ এটা কথাও ৰাখিব নোৱাৰিলো। তেতিয়া ভাবিছিলো, সঁচাকৈয়ে মই মাৰ এটা বাধ্য ল'ৰা। মাৰ কথাবোৰ মই আখৰে আখৰে পালন কৰিম। কিন্তু নোৱাৰিলো। মাক প্ৰতিদান স্বৰূপে কি দিলো। দিলো কিছুমান শিৰে শিৰে বিন্ধি ধৰা বেৰ্জৰ খুচ। মাই পাইছিল সেই উপদেশৰ বিনিময়ত কিছুমান অশ্লীলতা অৱৰ্ণনীয় কিছুমান অশ্ৰুৰ প্লাৱন যাক নেকি চেষ্টা কৰিও ভেটিবাখিব নোৱাৰি। সেয়েহে মই আজি অনুতপ্ত। মৃত্যুৰ অৱিহনে মোৰ

বিচাৰিব লগীয়া একোৱেই নাই ।

বীণাপানী শইকীয়া । চিলঙৰ এজনী দামী মডেল। বিখ্যাত উকীল কৃষ্ণ কান্ত শইকীয়াৰ বৰজীয়াৰী। এদিন হঠাতেই অতনুৱে লগ পাইছিল বীণাক। সেই দিনাই তাৰ ভাল লাগি গৈছিল। অতনুৱে কৈছিল জান, নবীন আৰু মই এদিন ফুৰিবলৈ ওলাই গৈছিলো। চিলঙৰ অকোৱা-পকোৱা আলিৰ দাঁতিত থকা পাইন গছ বিলাকৰ তলে-তলে আহি আছিলো । কিবা এটা আনন্দই মোৰ মনটোক বিমুহিত কৰি তুলিছিল । সেয়েহে প্ৰতিজোপা পাইন পাতৰ মাজতেই মই যেন নিজকে লুপ্ত কৰি ৰাখিব খুজিছিলো। এনেতে হঠাতে নীৰেণে মাত লগাইছিল বীণাক । ধুনীয়া ওখ গঢ়ৰ লনী ছোৱালীজনীয়ে সমিধানত এটা মিছিকীয়া হাঁহি মাৰি পাৰহৈ গৈছিল। মই বীৰেণক সুধিছিলো। বিবৰি কৈছিলো, সি সকলো কথা কৈছিল। দেউতাকে উকালতি কৰে। অলপ দিনৰ আগতে চিলঙলৈ বদলি হৈ আহিছে। আগতে দেৰগাঁৱত আছিল। ছোৱালীজনী এইবাৰ চেণ্ট মেৰীজ কলেজত ভৰ্ত্তি হৈছে। প্ৰাক বিশ্ববিদ্যালয়ৰ বিজ্ঞান শাখাত। কিয় জানো দ্বিতীয়বাৰ মই তাক একোৱেই সুধিব নোৱাৰিলো ।

পাৰহৈ গৈছিল কিছুমান দিন, মাহ । দ্বিতীয় এদিন সি লগ পাইছিল বীণাক নাট্য মন্দিৰত । কথা পাতিছিল, দুই এটা। আহিবৰ সময়ত টেক্সিৰে থৈ গৈছিল তাক হোষ্টেলত, ল'ৰাৰ ছাত্ৰ বাসৰ বহুতো অনামী সন্ধ্যাত সি শুই শুই বিচনাত চিন্তা কৰিছিল । কেতিয়াবা ভাবিছিল সি বীৰেণকে শুধি চাব নেকি ? কিন্তু কি এটা অদ্ভুত লাজে তাক আগবাঢ়িবলৈ নিদিলে। খিৰিকিৰ দাঁতিত থকা নিকুঞ্জ লতা ডালকে সুধি চাইছিল । কিন্তু ই জানো সম্ভৱ। সমিধানত সি পাইছিল, বতাহৰ মাজত উটি অহা নিকুঞ্জ লতাৰ এটা কেচাপতীয়া সুবাস। তাতেই সি পাইছিল আনন্দ । বিনিময়ত সি দিবলৈ বিচাৰিছিল এটা অনামী সন্ধ্যাৰ বহুতো ৰং বিৰঙৰ যুগল কিন্তু পোৱা নাছিল সুগন্ধিৰ সুবাস । উটি ভাহি গৈ আছিল নৈ এখনৰ কোবাল সোঁতেৰে । বিচাৰিছিল কোনোৱা গভীৰ আটলাণ্টিকৰ অদূৰ নীলিমাত মিলিত হবলৈ কিন্তু সি বালিচৰত লাগি ৰল । কেৱল অস্তিত্ব কেই নহয় গোটেই ভাৱৰ গতিটোকেই বাধা দিছিল সেই বালিচৰে ।

অতনুৱে হুমুনিয়াহ এৰি কৈছিল — “কেতিয়াবা সেয়েহে মন যায় মৰি যাবলৈ বুজিছ নবীন তাৰ পিছত আৰু শুনিবি জানো মোৰ সেই আনটো অধ্যায়ৰ কথা। তোৰ ছাগে শুনি শুনি আমনি লাগি গৈছে নহয় ? প্ৰাক বিশ্ববিদ্যালয়ৰ দেওনাটো ভাল ধৰণেই পাৰ হৈ আহিলো। চেণ্ট এণ্টনী কলেজত প্ৰথম বাৰ্ষিকত নাম লগালো । সি দেখিছিল ৰঙীন সপোন, কৰিছিল বহুতো ৰঙীন কল্পনা । কল্পনা কৰি কৰি সি আপোন পাহৰা হৈ পৰিছিল। ভাবিছিল এৰি অহা ঘাট-প্ৰতিঘাটৰ প্ৰতিছবি বিলাকৰ কথা । জীৱনৰ টুকুৰা-টুকুৰ ৰঙীন ছবি বিলাকে ভুমুকি মাৰিছিল। ভাবে মাকে যে তাক কিমান আশাত পঢ়ুৱাইছে। মাকৰ সেই আশা সি যে পুৰণ কৰিব লাগিব ।

আগবাঢ়ি গৈছিল দিন এটা, দুটাকৈ, সি তাৰ জীৱনটোৰ খুউব কম দূৰত্বহে অতিক্ৰম কৰিছে । আহিব ধৰা এই সুদীৰ্ঘ পথকো অতিক্ৰম কৰিবলৈ সি চেষ্টা কৰিবই লাগিব। কিন্তু পাৰিলে জানো ? ফিচাৰিৰ অফিছাৰ মহেশ ফুকনৰ সৈতে গঢ়ি উঠিছিল তাৰ অন্তৰঙ্গতা । কেতিয়াবা গধূলী মহেশ ফুকন আহিছিল হোষ্টেললৈ। বহুতো কথা পাতিছিল। কেতিয়াবা কৈছিল তাৰ জীৱনৰ ৰোমান্টিক দিনবোৰৰ কথা। মনৰ গভীৰ কোণত দুৰু দুৰু কৈ কঁপি থকা তাৰ সেই কথাবোৰ ব্যক্ত কৰিব বিচাৰে । এবাৰ ভাবে তাৰ মনৰ সেই কথাটো ব্যক্ত কৰিব নোৱাৰিব নেকি ? মনটো তাৰ সাগৰৰ বলীয়া ঢৌৰ সৈতে উটি গৈছিল দূৰ দিগন্তলৈ। কহুঁৱা বনৰ মাজে মাজে ফুৰিছিল। তাৰ সেই



কল্পনা মনটো, কিতাপখন আগতলৈ ভাৱে, উটনুৱা মনটোক সি কিয় বাৰু বান্ধি ৰাখিব নোৱাৰে।

বন্ধ বেবৰ মাজত অ'ত ত'ত সি বিচাৰি ফুৰে তাৰ প্ৰশ্নবোৰৰ সমিধান। কিন্তু বিচাৰি নাপায়। কোনে দিব তাৰ সেই প্ৰশ্ন বোৰৰ সমিধান। মন পচোৱাই উৰুৱাই লৈ যায় তাৰ মনটো । মাত্ৰ মানুহটো বহি থাকে কিতাপৰ সন্মুখত কিতাপখনৰ এটা শব্দতেই তাৰ দৃষ্টি নিৱদ্ধ হৈ থাকে। ভাৱে, আজি সি বীণাহঁতৰ ঘৰলৈকে যাব নেকি ? ভাল লাগে তাইৰ হাঁহি সজল চাৱনিটো।

গধূলি গৈছিল সি পাৰ্কলৈ। হাঁহি-হাঁহি বীণাই অভিনন্দন জনাইছিল তাক। সিও তাইৰ প্ৰতি উত্তৰ দিছিল। সিদিনা জোৰ কৰিয়েই বীণাই লৈ গৈছিল তাক তাইৰ ঘৰলৈ মাকক চিনাকী কৰি দিছিল। মহেশদাৰ অন্তৰঙ্গ বন্ধু বুলি। চাহ-তামোল খোৱাৰ পাচত আহিবৰ সময়ত তাই আগবঢ়াই থবলৈ বুলি টেক্সিখন নিজেই উলিয়াই দিছিল ।

ব্ৰহ্মপুত্ৰৰ ঢৌ-আহি এবাৰ-দুবাৰ সিহঁতৰ ভৰি চুই গৈছিল। অতনুৱে কৈ গৈছিল নবীনক তাৰ জীৱনত ঘটি অহা ঘটনাবোৰ। সি কৈছিল আৰু শুন ইয়াৰ পিছত হয়তো মোৰ কবলৈকে সময় নহব। গতিকে আমনি লাগিছে যদিও শুনি যা। জান নবীন, মই বি,এ প্ৰথম বাৰ্ষিকতেই উত্তীৰ্ণ হব নোৱাৰি মনত পৰিছে মালৈ। কিমান আশাত মা মোক মায়ে পঢ়াইছিল। কিয় বাৰু মই মাৰ মৰমৰ শাসন কো উপেক্ষা কৰিলো। সেইদিনা সি বেচি পৰিমাণে মদ খাইছিল। শেষত তাৰ সেই অভ্যাসৰ ফলত হোষ্টেলৰ পৰা উলাই আহিব লগা হৈছিল । হোষ্টেলৰ চুপাৰে মাকক জনাইছিল তাৰ সেই এটা বেয়া চৰিত্ৰৰ কথা। শেষত উপাই নাপাই মহেশ ফুকনৰ ভাড়াঘৰটোতে থাকিবলৈ লৈছিল সি।

কিন্তু দিন যোৱাৰ লগে লগে তাৰ গতি বেয়ালৈ ঢাল লৈছিল। জীৱনত পুণৰ নকৰো বুলি কোৱা কামত পুণৰ হাত দিলে । হোষ্টেলৰ পৰা ওলাই আহিব লগা হোৱাত অনুতাপ কৰি কৈছিল সি জীৱনটোক পুণৰ ঘূৰাই আনিব নতুনকৈ। কিন্তু নোৱাৰিলে।, মহেশ ফুকনৰ সৈতে সি কাহানিও দেখি নোপোৱা ঠাইলৈ যাব লগা হৈছিল। যাব পৰা সি জীৱনটোক আৰু আঁতৰাই আনিব নোৱাৰিলে। মাকৰ পৰা সঘনাই চিঠি পাইছিল সি । ভালদৰে পঢ়িবলৈ উপদেশ দিছিল। “প্ৰথম বাৰ বেয়া কৰিলে নিশ্চয় দ্বিতীয়বাৰ চেষ্টা কৰিলে ভাল দৰে পাচ কৰিব পাৰিবি বুলি।” কিন্তু উপদেশ মাত্ৰ চিঠিৰ মাজতে আবদ্ধ থাকিল, তাক সি ব্যৱহাৰ কৰিব নোৱাৰিলে ।

ভাড়াঘৰতে সি কেতিয়াবা খাইছিল, কেতিয়াবা হোষ্টেলতে খাই আহিছিল। ইফালে মদ খাই-খাই সি হৈ পৰিছিল ক্লান্ত। কেতিয়াবা সি ভাবিছিল মাকে যদি সি হোষ্টেলৰ পৰা খেদাখোৱা কথাটো গম পায়। কিয় বাৰু সি ইমান নিষ্ঠুৰ হল ।

মাকৰ ইমান মৰম উপেক্ষা কৰিবলৈ ইমান সাহ সি ক'ৰ পৰা পালে বাৰু ? জীৱনত সি যি নকৰিম বুলি ভাবিছিল সেয়ে হৈ উঠিছিল ।

সিদিনা সোমবাৰ মাকে তালৈ দিয়া চিঠি এখন পাইছিল কলেজৰ ঠিকনাত ভয়ে ভয়ে চিঠিখন খুলিছিল। মাকে লিখিছিল। ভাল দৰে পঢ়া শুনা কৰিবলৈ। আৰু লিখিছিল যদিহে ছুটি পায় তেন্তে এবাৰ চিলঙলৈ যাব । চিঠিখন পায় সি বিপাঙত পৰিছিল । সেয়েহে বৰ লৰা-ধপৰাকৈ চিঠিৰ উত্তৰত লিখিছিল । এতিয়া চিলঙত বৰ জাৰ তুমি আহিলে বৰ কষ্ট পাবা। তাৰ কথা মতে মাক চিলঙলৈ অহানাছিল। উত্তৰত লিখিছিল বাৰু মই তোমাৰ কথামতেই নাযাওঁ । মাত্ৰ ভালদৰে পঢ়া-শুনা কৰিবা । এইয়ে আছিল মাকৰ মৰমৰ শাসন ।

বুজিছ, নবীন মোৰ আৰু অলপ সময়ো জীয়াই থাকিবলৈ ইচ্ছা নাই। জীৱনত যি অপকৰ্ম কৰি আহিলো তাক আৰু শুধৰাবৰ সময় নাই । প্ৰথম বাৰ্ষিকৰ পৰীক্ষা দ্বিতীয়বাৰো বেয়া কৰিলো । মোৰ খবৰটো শুনি মা একেবাৰে নিৰব হৈ পৰিছিল। সাধাৰণ এগৰাকী শিক্ষয়িত্ৰীৰ পেঞ্চনেৰে কিমান আৰু পঢ়োৱাব । তথাপি

পঢ়িবলৈ কৈছিল। প্ৰথমতে মই ইচ্ছা কৰা নাছিলো যদিও জোৰেৰে পঢ়িবলৈ পঠাইছিল। পুনৰ আহি মহেশ ফুকনৰ ভাড়াঘৰটোতেই মই থাকিবলৈ লৈছিলো। ক্লাচ কৰিছিলো মাজে মাজে কিন্তু বেছিভাগ সময় শুই শুইয়েই কটাই দিছিলো। বীণাহঁতৰ ঘৰলৈ গৈছিলো সঘনাই। চিনেমা, পাৰ্ক, ক্লাচ সকলোতে বীণাই আছিল মোৰ লগৰীয়া। তাই হাঁহিছিল, গাইছিল, ফুৰিছিল, অভিনয় কৰিছিল। জীৱনটো অকোঁৱা পকোৱা বাটেৰে আগবাঢ়ি গৈছিল। কেতিয়াবা ভাড়াঘৰৰ সন্মুখত টেক্সী বৈছিল ৰাতি বাৰটাত, এটাত।

উকীল কৃষ্ণকান্ত শইকীয়াই কৰি গৈছিল ওকালতি বীণাই কৰি গৈছিল তাইৰ দৈনন্দিন কাম বিলাক ৰেষ্টোৰেণ্ট, ক্লাব, চিনেমা হলত। দিনত অতনুৱে বৈছিল সময় গণি-গণি। বাট চাইছিল বীণালৈ। তাই আহিলেই ওলাই গৈছিল অতনু। এই দৰেই পাৰহৈ গৈছিল দিনবোৰ। তাৰ পাছত দিনে দিনে স্বাস্থ্যটোও বেয়াহৈ পৰিছিল। কোনোৱে তাক কৈছিল চিলঙলৈ শিক্ষা আহৰণৰ বাবে মানুহ নাহে। ছোৱালীৰ লোভতহে আহে।

এদিন সি শুনিছিল বীণাৰ দেউতাকহঁত বদলি হব দাৰ্জ্জিলিঙলৈ। সেইদিনা সি অনুভৱ কৰিছিল ভীষণ পৰাজয়। সিদিনাহে অকলশৰীয়া অনুভৱ কৰিছিল অতনুৱে। পৰাজিত সৈনিকৰ নিচিনাকৈ চিঞৰি-চিঞৰি কান্দি দিবৰ মন কৰিছিল। সাগৰৰ ঢৌ এবাৰ মাৰ গলে পুনৰ উঠাৰ সম্ভাৱনা আছে। কিন্তু জীৱটোৰ পাক চকৰি পাকনীয়াত সোমাই পৰিলে আৰু পুনৰ তাক তুলি অনাটো অসম্ভৱ, সেয়েহে সি মনতে ভাৱিছিল। পঢ়া শুনা কৰিব নোৱাৰিলো যেতিয়া চাকৰিকে বিচাৰি যোৱাটো উচিত হব।

চাকৰিও বিচাৰিছিল সি। কিন্তু ইমান সহজতে চাকৰি পায় ক'ত। ঘৰলৈকে যাব নেকি? কিন্তু হাতত যে এটা পাইচাও নাই। কেনেকৈ যাব। মাকে টকা পথাব পথাব বুলি বাট চাই আছে। টকাৰ অভাৱতে কেইবা দিনো লঘোনে থাকিব লগা হৈছিল। বহি আছিল অকলে অকলে। মনত পৰিছিল এৰি অহা দিনা বোৰলৈ। এৰি অহা জীৱনটোলৈ। ভাবি ভাবি পাৰ নাপাইছিল সি। আগেয়ে সি ভাবিছিল জীৱনটো সদায় এই দৰেই যাব। কিন্তু ভৱা মতে নহল। ইয়াৰ পিছতেই তাৰ কাহিনীৰ শেষ অধ্যায়টো মোক কৈছিল। কৈছিল নবীন কি দৰে কম তোক সেই অধ্যায়টোৰ কথা।

চিঠি এখন পাইছিলো টকা কেইটামানৰ সৈতে এটা ছুৰ ভাইটিৰ পৰা। সম্ভৱ মায়ে তাৰে হতুৱাই লিখাইছিল। চিঠিখনে কঢ়িয়াই আনিছিল এটা ডাঙৰ বেদনা। মা হেনু কেন্সাৰ ৰোগত আক্ৰান্ত। সিদিনাহে মোৰ মূৰত আকাশখন ভাগি পৰা যেন লাগিছিল। এই পাঁচ মাহে মা ইমান এটা দুৰাৰোগ্য বেমাৰত ভুগিছে অথচ মই ইয়াত কোনো চিন্তা নোহোৱাকৈ পাৰ্কৰ মনো মোহা দৃশ্য চাই চাই ঘুৰি ফুৰিছো। সি সিদিনাহে বুজিছিল জীৱনত কি এটা ডাঙৰ ভুল কৰিছিল। অন্ধকাৰৰ মাজতো সি বিচাৰিছিল অলপমান পোহৰ।

দ্বিতীয় দিনা সি ঘৰলৈ যাবলৈ ঠিক কৰিছিল। সেয়েহে আগ দিনা ৰাতিয়েই সকলো বস্তু বান্ধি ললে গোটেই নিশাটো তাৰ টোপনি নাহিল। বিচনাত চটকটাই সি গোটেই নিশা চিন্তা কৰিছিল তাৰ ঘৰখনৰ কথা। ভাবিছিল মাক যদি এতিয়া ভাল হৈ উঠিছে। তাৰ কিমান ভাল লাগিব। কিন্তু ইমান এটা দুৰাৰোগ্য বেমাৰৰ পৰা জানো মানুহে হাত সাৰিব পাৰিব। সি মনে মনে ঈশ্বৰক প্ৰাৰ্থনা কৰিছিল। যাতে মাকৰ অসুখ ভাল হওঁক।

অতনুৱে ভাগৰুৱা মাতটোৰে কৈছিল। বুজিছ নবীন, জীৱনত কৰা ভুলৰ প্ৰতিদান চাগে মোক ঈশ্বৰে দিলে সেই নিষ্ঠুৰ বাতৰি। মই ঘৰ পোৱাৰ আগতেই মা গুচি গৈছিল এইখন দেশ এৰি আন এখন দেশলৈ। গৈ পাইছিলো মাত্ৰ বগা কাপোৰেৰে ঢাকি ৰখা এটা মৃতদেহ। কাপোৰখন ডাঙি চাইছিলো মাক। চকু পানী



মোৰ হেৰাই গৈছিল। বেদনাত অন্তৰ চূৰমাৰ হৈ গৈছিল। সিদিনাহে অনুভৱ কৰিছিলো পৃথিৱীত যে মোৰ আপোন বুলিবলৈ আৰু কোনো নাই।

চিঞৰি চিঞৰি কৈছিলো মা, " মা, তুমি মোক ক্ষমা কৰা। কিন্তু মায়ে মোক ক্ষমা কৰাৰ সময় নাপালে। [illegible] সকলো কৃত কৰ্ম্ম কৰি ঘূৰি ফুৰিছিল বলিয়াৰ দৰে।

তেন্তে আজি বাতৰিৰ খবৰ টো অতনুৱেই হয়, কিয় বাৰু সি ইমান এটা ভুল কাম কৰিলে। ব্ৰহ্মপুত্ৰৰ ঢৌ বোৰলৈ চাই চাই ভাবি আছিলো তাৰ কথা বিলাক সূৰ্য্যটো অস্ত গৈছিল, লাহে লাহে। দিগন্তৰ নীলিমত বেলিটোৰ ৰক্তিম অশ্ৰু বিলাক সঁচৰিত হৈ পৰিছিল।

এটা অজানিত ভাবে নবীনৰ অন্তৰৰ পৰা হুমুনিয়াহ ওলাই আহিল। কৰ নোৱাৰাকৈয়ে কপাললৈ হাত দুখন তুলি লৈছিল নবীনে। প্ৰাৰ্থনা কৰিছিল লাহে লাহে এন্ধাৰ নামি আহিছিল। ●●●

# মকৰাজাল



অৰুণ কুমাৰ বৈৰাগী
স্নাতক ২য় বাৰ্ষিক
( অসমীয়া বিভাগ )

কেইদিনমানৰ পৰা স্বৰ্গোৱাৰীৰ চকুত টোপনি নাই। অকল যে টোপনিয়েই নাই, তেনে নহয়; তেওঁৰ মনত শান্তিও নাই। অশান্তি আৰু অস্থিৰ মনেৰে তেওঁ বিচনাত ছট্‌ফটাই আছে। মাজে মাজে মূৰৰ চুলি ছিঙাতেৰে আজুৰি কপাল কোঁচাই চকু মুদি কিবা-কিবি চিন্তা কৰে। দীঘল দীঘলকৈ হুমুনিয়াহ কাঢ়ে প্ৰকাণ্ড কোৱাৰ্টাৰটোত তেওঁৰ বাহিৰে মাত্ৰ আৰু দুজন মানুহ বান্ধনি ল'ৰাটো আৰু এজন পিয়ন। ঘৰটোৰ গোটেইখিনি শূন্যতাই যেন তেওঁক আগুৰি ধৰিছেহি। কথাবোৰ যিমানে চিন্তা কৰে সিমানে তেওঁৰ হুমুনিয়াহ গভীৰ হৈ আছে। এটা যেন হিংস্ৰ ধাঁড়ে বোকাত শিং খুচি খুচি যুঁজিবলৈ ধৰিছে।

"সকলো নষ্ট হৈ গ'ল।" স্বৰ্গোৱাৰীয়ে ভাবিলে। ভবাৰ লগে লগে ৰিক্ততাৰে তেওঁৰ অন্তৰাত্মা ভৰি পৰিল।

চৰকাৰৰ সৈতে তেওঁৰ গোটৰ বিৰোধ স্পষ্ট হৈ পৰিছে। বিৰোধ স্পষ্ট হোৱা মানে ভাঙোন সুনিশ্চিত। চৰকাৰৰ সমৰ্থক গোটৰ ভাঙোন হ'লে তেওঁ কি কৰিব? ক'লৈ যাব? সমষ্টিলৈ? এই অৱস্থাত সমষ্টিলৈ যোৱাৰ কথা তেওঁ কল্পনাও কৰিব নোৱাৰে। গ'লেও সমষ্টিৰ মানুহে তেওঁক শুদাই নেৰে। তাৰ প্ৰমাণ স্বৰ্গোৱাৰীৰ টেবুল, ড্ৰয়াৰ আৰু চোলাৰ জেপতে অজস্ৰ আছে। টেবুলত আছে বাতৰি কাকত। দৈনিক বাতৰি কাকত বোৰত বঙাই গাওঁ, কোকোৰাঝাৰ, মছলপুৰ, ওদালগুৰি আৰু গহপুৰৰ জঘন্য ঘটনাৰ বৰ্ণনা

আৰু ছবি। ঘটনাবোৰৰ আঁৰত আছে পুলিচৰ অত্যাচাৰ, সন্ত্ৰাসবাদীৰ বোমা আৰু বন্দুক, ষ্টেনগানৰ গুলি, আততায়ীৰ ছুৰী আৰু দেগাৰ। বেছিভাগ ঘটনাতে জনজাতীয় লোক বলি হৈছে। নিৰীহ পুৰুষ-মহিলা আৰু অবোধ শিশু। গাঁৱৰ পিছত গাওঁ জুইত পুৰি ভস্ম হৈছে। মানুহ-ভৰ্তি বাচত জুই লগাই দিয়া হৈছে। ৰেলৰ ডবা বাগৰি নৈৰ বুকুত জাহ গৈছে। বনৰীয়া চৰাই পহুৰ মাতেৰে মুখৰিত জনজাতীয় গাওঁবোৰ এতিয়া বন্দুক-বোমাৰ শব্দত অস্থিৰ হৈ উঠিছে। গদাধৰ আৰু পুঠিমাৰী নৈত বাৰিষাৰ দিনত মাছৰ উজান উঠে। এইবেলি মাছৰ সলনি আহিছে মৰাশ, মানুহ, গৰু, মহৰ। টেবুলৰ বাতৰি কাকতবোৰত স্বৰ্গোৱাৰীয়ে আজি কালি এইবোৰ খবৰেই পঢ়িব লাগে। বাকীবোৰ বিজ্ঞাপন — টি, ভি, ফ্ৰিজ আৰু উৎসৱৰ।

ড্ৰয়াৰ আৰু চোলাৰ জেপত আছে চিঠি আৰু টেলিগ্ৰাম। বেছিভাগেই বেনামী। বেছিভাগতে ভাবুকি। সন্ত্ৰাসবাদীৰ হিট লিষ্টৰ প্ৰথমতে এতিয়া স্বৰ্গোৱাৰীৰ নাম। তাৰ পিছত তেওঁৰ গোটৰ আনবোৰৰ নাম। গাঁৱৰ আপোন মানুহে দিয়া চিঠিও আছে। গাৱঁৰ ঘৰৰ পৰা দিয়া চিঠিৰ আখৰ, ভায়েকৰ, অনুৰোধ মাকৰ— তই এবাৰ যেনেতেনে ঘৰলৈ আহি যা। ন'হলে আমাক গুৱাহাটীলৈ লৈ যা। ইয়াত টোপোলাত জীউটো বান্ধি আমি দিনে-ৰাতি উজাগৰে আছোঁ। সদায় কিবা নহয় কিবা এটা ঘটনা ঘটি আছেই। বন্দুক-বোমাৰ শব্দ শুনি-শুনি কাণ ক'লা হৈছে।

যোৱা কেইবা মাহো ধৰি স্বৰ্গোৱাৰী গাঁৱলৈ যাব পৰা নাই। কেতিয়াবা নিজে মৰসাহ কৰি যাবলৈ ওলালেও লগৰ বোৰে বাধা দিয়ে। এনে পৰিস্থিতিত ৰাইজৰ মাজলৈ গ'লে জুইত ঘিউ ঢলাৰ দৰে হ'ব। তাৰ পিছত যি পৰিস্থিতিৰ উদ্ভৱ হ'ব তাত আৰু কাৰো নিয়ন্ত্ৰণ নাথাকিব। এতিয়াই তেনেকুৱা হৈছে। এইবোৰ সাত-পাঁচ ভাবি স্বৰ্গোৱাৰী গাঁৱলৈ যোৱা নাই।

কিমান সময় আৰু বিচনাত বাগৰি থাকিব? এটা সময়ত স্বৰ্গোৱাৰী বিচনাৰ পৰা নামি আহিল। মজিয়াত গুদাভৰি খন দিয়েই তেওঁ অনুভৱ কৰিলে এইবাৰ চেপ্তেম্বৰ মাহতে ঠাণ্ডাৰ আঁচোৰ পৰিছে। গাত গেঞ্জী বা চোলা থাকিলে তেওঁ শুব নোৱাৰে। এইটো আগৰে অভ্যাস। এতিয়া এম-এল-এ হৈ চৰকাৰী বাসভৱনত থাকিলেও পুৰণি অভ্যাসটো এৰিব পৰা নাই। গুদা গাৰেই তেওঁ বাৰাণ্ডালৈ ওলাই আহিল। এনেকৈ অকলে বাৰাণ্ডালৈ আহিবলৈ বা অন্য ঠাইত ঘূৰা-ফুৰা কৰিবলৈ তেওঁক মানা কৰা হৈছে যদিও এই মূহুৰ্তত তেওঁ কথাটো পাহৰি গ'ল। বাৰাণ্ডাত তেওঁৰ খোজৰ শব্দ শুনি বাহিৰৰ ৰখীয়া দুজন আগবাঢ়ি আহিল। যথাবিধি চালামকৰি এজনে তেওঁক সুধিলে, "ছাৰ, ইমান ৰাতি বহিৰলৈ কিয় ওলাইছে?

ৰখীয়াজনৰ পিঠিত ওলমি থকা ৰাইফলটো আন্ধাৰতো ছিক্ মিকাই আছে। স্বৰ্গোৱাৰীয়ে সেইটোহে দেখিলে; ৰখীয়াজনৰ মুখখন ধৰিব নোৱাৰিলে। এটা দীঘল হুমুনিয়াহ এৰি দি তেওঁ বাৰাণ্ডাৰ চকীতে বহি পৰিল। একো নামাতিলে। ৰখীয়াজন আঁতৰি গৈ পুনৰ গেটত থিয় হ'ল। লগৰজনৰ হৈতে ফুচফুচাই কিবা কথা পাতিলে।

বাহিৰত ঘিটমিটীয়া আন্ধাৰ। স্বৰ্গোৱাৰীয়ে আজি এবছৰ মানৰ আগতেহে গম পাইছে-এই ঠাইবোৰত এটা সময়ত জনজাতীয় গাওঁ কিমান আছিল। চৰকাৰে ৰাজধানী পাতিবলৈ লোৱাৰ সময়ত সেই গাঁৱবোৰৰ মানুহ দিহা-দিহি ভাগিল। কলৈ গ'ল সেই মানুহ বোৰ? সিহঁতৰ কুকুৰা গাহৰিৰ পালবোৰ? কথাটো যিমানে দকৈভাবিল, সিমানে স্বৰ্গোৱাৰীৰ মনটো অস্থিৰ হৈ উঠিল। চাৰিটামান জোনাকী পৰুৱা গেটৰ সন্মুখত গছজোপাৰ আঁৰৰ পৰা ওলাই আহিল। কেই মূহুৰ্তমান ৰখীয়া দুজনৰ মূৰৰ ওপৰত বৃক্ষৰ বিমানৰ দৰে ঘূৰি ঘূৰি সিহঁত পুনৰ গছজোপাৰ আঁৰতে লুকাই থাকিল। স্বৰ্গোৱাৰীকো দুটামান মহে আমনি কৰিবলৈ ধৰিছে। এটাই ধৰিছে হাতত আনটোৱে ভৰিত। তেওঁৰ হাতৰ মুঠিত চিগাৰেটৰ পেকেট আৰু লাইটাৰ এটা থাকেই। দুশাতেৰে মহদুটা এবাৰ খেদি দি তেওঁ চিগাৰেট এটা জ্বলাই ললে। তেওঁৰ বয়স খুব সম্ভৱ ত্ৰিশ বছৰ। কিন্তু লাইটাৰৰ পোহৰত তেওঁৰ মুখখন এটা স্কুলীয়া ল'ৰাৰ মুখৰ দৰে লাগিল। নিস্তেজ, কৰুণ আৰু ৰুগ্ন। অথচ এইখন মুখতে এটা সময়ত কি প্ৰাণ-প্ৰাচুৰ্য্য আছিল। আন্দোলন আৰু বিদ্ৰোহৰ সকলো পোষ্টাৰে যেন এইখন মুখৰ পৰাই ৰং আৰু প্ৰাণ পাইছিল?

দিনত হ'লে তেওঁ বহি থকাৰ পৰাই খাছি পাহাৰৰ বেথাৰ সৈতে মিলি যাব খোজা বশিষ্ঠ পাহাৰখন দেখা পালেহেঁতেন। আৰু দেখা পালেহেঁতেন পাহাৰৰ গাত টোকোৰা চৰাইৰ বাহৰ দৰে ওলমি থকা সৰু সৰু কুলুৰীবোৰ। সেইবোৰ ৰাজধানীৰ পৰা খেদা খাই আঁতৰি যোৱা জনজাতীয় মানুহ। দুদিন পিছত বশিষ্ঠ পাহাৰত ৰাজনৈতিক নিবাস আৰু টি.ভি. ট্ৰেন্সমিটাৰ বহিব পাৰে। তেতিয়া সিহঁত কলৈ যাব? এতিয়া এই মূহুৰ্তত স্বৰ্গোৱাৰীয়ে পাহাৰৰ সঁচেই দেখা পোৱা নাই। কিন্তু, অলপ কাণ পাতিলেই যেন পাহাৰৰ গাত ঠেকা খাই উভতি অহা জনজাতীয় বতাহৰ গুম গুমনি তেওঁ শুনিবলৈ পাব। তেওঁৰ হুমুনিয়াহ যেন সেই বতাহৰ বুকুৰ পৰা উঠি আহিছে। অলপমান আৰু পাহাৰৰ কোলাত নিজৰাৰ কুল লক্ শব্দ।

স্বৰ্গোৱাৰীয়ে আকাশলৈ চাই পঠিয়ালে। আকাশখন গাঁৱৰ আকাশৰ সমানে তৰা। সমানে অন্ধকাৰ আগলি ইয়াত যেন কিবা এটা নাই। তৰা আৰু অন্ধকাৰ গাঁৱতকৈ ইয়াত বহুত বেলেগ।

"সকলো নষ্ট হৈ গ'ল", তেওঁ আকৌ ভাবিলে।



সিদ্দিনা অমৰ বৰ্মণে কোৱা কথাখিনি তেওঁৰ মনত পৰিল। লাহে লাহে অভ্যস্ত হৈ যাবা। তুমি ল'ৰা মানুহ। কথাবোৰতো ভালদৰে বুজি নোপোৱা! ওঠৰ গাখীৰ শুকাইছেহে মাথোন। এতিয়া হয়তো ভাবিছা যে তোমাৰ দৰে অশান্তি কাৰো নাই। কিন্তু, কিছুদিনৰ পিছত তুমি নিজেই কবা তোমাৰ দৰে সুখ শান্তি কাৰো নাই বুলি।" অমৰ বৰ্মন স্বৰ্গোৱাৰীৰ গোটৰ এম. এল এ। অৱশ্যে বয়সত বহুত ডাঙৰ, সেই মতে অভিজ্ঞও। কথাখিনিৰ মাজতে তেওঁৰ স্বাভাৱিক খোলা হাঁহিটো মাৰি বৰ্মণে আকৌ কৈছিল "মোক নোচোৱা কিয়? আৰু খুব বেছি দুমাহ। তাৰ পিছত সকলো ঠাণ্ডা হৈ যাব। যেতিয়া ঠাণ্ডা হ'ব তেতিয়া মই এটা সঁজাতী দল লৈ মোৰ ঠাইলৈ যাম। গৈ ভাষণ দিম। গাঁৱৰ মানুহৰ চিন্তাত আমি কেনেকৈ ৰাজধানীত উজাগৰে আছো তাৰ বৰ্ণনা দিম। আজি কালিৰ তেনেকুৱা কবিতা গাই শুনাম। গাঁৱৰ মানুহক তুমি জানাই। এই গালা-গালি এই গলা-গলি। কোনো কথাকে ধৰি নাথাকে। বৰ মজাৰ খেল। এই খেলটো খেলিব জনাটোহে কথা।"

অমৰ বৰ্মণৰ কথাখিনি মনত পৰাত স্বৰ্গোৱাৰী আৰু বেছি অস্থিৰ হৈ উঠিল। ৰাজনীতি ইমান ভয়ংকৰ ইমান ভুৱা বস্তু বুলি তেওঁ জনা নাছিল।

গেটৰ পৰা ৰখীয়া এজনে আগবাঢ়ি আহি কলে "ছাৰ; শোৱকগৈ। ৰাতি পুৱাবলৈ বেছি সময় নাই।"

ক'ৰবাত তিনিবজাৰ ঘণ্টা বাজিল।

গান্ধী পাৰ্কত মদখাই হুলস্থুল কৰি থকা মাতাল কেইটা স্বৰ্গোৱাৰীৰ কোৱাটাৰৰ আগেদি পাৰ হৈ গ'ল। সিহঁত সদায় নিশা এইখিনি সময়ত ঘৰলৈ ওভতে। যাওঁতে স্বৰ্গোৱাৰীৰ গেটৰ সন্মুখত সিহঁতে অশ্লীল মাতেৰে গালি পাৰি যায়— "তহঁতৰ গাওঁবোৰ জ্বলি যাবলৈ ধৰিছে। তহঁতে ইয়াত আৰাম কৰিছ! পুলিচ মিলিটাৰীৰ মাজত থাকি ৰাইজৰ চিন্তা কৰিছ! ৰাইজে তহঁতক

ভোটদি পঠিয়াইছে — বুৰ্বক। চব বুৰ্বক !" সেইবোৰ মিনিষ্টাৰ, কমিছনাৰৰ ল'ৰা। গতিকে সিহঁতে মদ খাই মাতলামি কৰিলেও কোনেও একো কৰিব নোৱাৰে। স্বৰ্গোৱাৰীৰ বিবেক দংশন তীব্ৰতৰ হৈ আহিবলৈ ধৰিছে। কোনফালে যাব তেওঁ ? কাৰ লগত থাকিব ? কোনটো সঁচা ? ৰাজনীতি নে মানৱতা ? তেওঁ নিজকে প্ৰতাৰণা কৰা নাইনে ? গাঁৱৰ নিৰীহ, সৰল মানুহবোৰক প্ৰতাৰণা কৰা নাইনে ?

চকীখনৰ পৰা উঠি তেওঁ পুনৰ বেডৰুমলৈ সোমাই গল। বিচনাৰ কাপোৰখন সোতমোচ খাই আছে। সেইখন সাধাৰণ ভাৱে ঠিক-ঠাক কৰি তেওঁ বিচনাত পৰিল। এতিয়া আৰু টোপনি অহাৰ আশা নাই। টোপনি আনিবলৈ চেষ্টা কৰাৰ পৰিৰ্বতে সেয়েহে তেওঁ ভাবিবলৈ ধৰিলে ৰাতি পুৱাবলৈ কি কৰিব ? কি সিদ্ধান্ত লব ? ডিম লাইটৰ পোহৰত তেওঁৰ শোৱনি কোঠাটোৱে এক অলীক ৰূপ ধাৰণ কৰিছে। বেৰত ওলমি থকা ফটোবোৰে যেন প্ৰাণ পাই উঠিছে। বেডৰুমত বেছি ফটো নাই ! মাত্ৰ দুখন। এখন বিষ্ণুৰাভাৰ, আনখন মহাত্মা-গান্ধীৰ। মঙহাল মুখৰ কুঞ্চিত ৰেখাৰ তলত ডুব গৈ থকা বিষ্ণুৰাভাৰ সৰু অথচ তীক্ষ্ণ চকু দুটা যেন লৰচৰ কৰিবলৈ ধৰিছে। মহাত্মাৰ চশমাৰ আঁৰত থকা চকু দুটায়ো তেনেকুৱা কৰিবলৈ ধৰিছে। দুয়োজনকে একেলগে বহুত প্ৰশ্ন সুধিবলৈ তেওঁৰ মনত প্ৰবল ইচ্ছা হ'ল। মহাত্মাৰ অহিংসা আৰু বিষ্ণুৰাভাৰ পাহাৰ ভৈয়ামৰ সম্প্ৰীতি এইবাৰ কথাকে লৈ নানান বিপৰিতমুখী প্ৰশ্ন তেওঁৰ মনত উদয় হ'ল। কিন্তু স্বৰ্গোৱাৰীয়ে প্ৰশ্ন সুধিব নোৱৰিলে। তাৰ পৰিবৰ্ত্তে বোকাত লেটি লোৱা গোনা-মহৰ দৰে তেওঁ বিচনাখনতে গাৰুটোৰ সৈতে যুঁজিবলৈ ধৰিলে।

পুৱা চিল্ মিল্‌কৈ অলপ টোপনি আহিব খোজোতেই তেওঁ খক্ মককৈ সাৰ পাই গল। বাৰাণ্ডাত ধপকৈ পৰা পুৱাৰ পেপাৰ খনৰ শব্দতে তেওঁ সাৰ পালে। দুখন অসমীয়া আৰু দুখন ইংৰাজী পেপাৰ একেলগে পকাত পৰিলে শব্দটো অলপ ডাঙৰ হয়। সাৰ পায়েই তেওঁ পিয়নজনক চিঞৰি মাতিলে সি তৎক্ষণাত দৌৰ মাৰি তেওঁৰ কাষত থিয় দিলেহি।

"পেপাৰ কেইখন লৈ আহ।" চকু-মুখ মোহাৰি উদ্বিগ্ন কণ্ঠে স্বৰ্গোৱাৰীয়ে কলে।

পিয়নজনে পেপাৰ কেইখন আনি সন্মুখৰ সৰু টেবুলত থলে। পেপাৰ এখন মেলি লৈয়েই তেওঁৰ গা জিকাৰ খাই উঠিল। গহপুৰত এক জঘন্য নৰহত্যা হৈছে। সৰহভাগ জনজাতীয় লোক এই ঘটনাৰ বলি হৈছে। স্বৰ্গোৱাৰীয়ে একে উশাহে বাতৰিখন পঢ়ি অতালে। তাৰ পিছত তেওঁৰ সমস্ত শৰীৰ প্ৰচণ্ড জোৰে কঁপিবলৈ ধৰিলে। ভয়ত নহয় আত্মাগ্লানিত ; ধিক্কাৰত। স্বৰ্গোৱাৰীৰ নিজৰ স্বজন পৰিজনক দুবৃৰ্তই হত্যা কৰিবলৈ ধৰিছে। আৰু তেওঁ নিৰ্বাক হৈ চাই আছে সেই জঘন্য দৃশ্য। নীৰৱে তেওঁ শাসক দলৰ মাজত সোমাই আত্মগোপন কৰি আছে। হাতৰ কাগজখন সজোৰে টেবুলত দলিয়াই দি তেওঁ খৰতকীয়া খোজেৰে বাথৰুমলৈ সোমাই গ'ল। নাই-নাই, আজি আৰু তেওঁ নীৰৱ হৈ নাথাকে, নিষ্ক্ৰিয় দৰ্শক হৈ বহি নাথাকে। প্ৰথমে শাসক দলৰ মুৰব্বীৰ ওচৰলৈ তেওঁ যাব। তাত যদি কোনো সমিধান নাপায়, তেনেহলে তেওঁক আৰু কোনেও ৰাজনীতিত ধৰি ৰাখিব নোৱাৰে। তেওঁ নিজৰ সমিষ্টিলৈ যাব। সমষ্টিৰ কুৰিখন গাঁৱৰ অলিয়ে -গলিয়ে যাব। গৈ গাঁৱৰ মানুহৰ সৈতে মুখামুখিকৈ কথা পাতিব। তেওঁলোকৰ সমস্যাৰ বুজ লব, দুখ-দুৰ্দশাৰ আতিগুৰি জানিব বিচাৰিব। প্ৰয়োজন হ'লে ৰাইজৰ সৈতে তেওঁ দেখাদেখিকৈ পোনপটীয়াকৈ হাত মিলাব।

বাথৰুমৰ গ্লাছখনৰ পৰা ওপৰৰ ছাৱাৰৰ পাইপলৈকে এটা মকৰাই এখন জাল গুঠিবলৈ ধৰিছে। চাই থাকোঁতে চকুৰ পচাৰতে জালখন গোঁঠা শেষেই হ'ল। জালখনৰ মাজত মকৰাটোৱে ধৰফৰাবলৈ আৰম্ভ কৰিলে।

গা মচি মচি বাথৰুমৰ পৰা ওলাই আহোঁতেই স্বৰ্গোৱাৰীয়ে বাৰাণ্ডাত অমৰ বৰ্মণৰ মাত শুনিলে। আহিয়েই কাকো সোধা-মেলা নকৰাকৈ চিধাই তেওঁৰ কোঠালৈ সোমাই আহিল। আহিয়েই স্বৰ্গোৱাৰীৰ মুখা-মুখী হ'ল। বৰ্মণে তেওঁৰ স্বাভাৱিক হাঁহিটো মাৰি আৰম্ভ কৰিলে "দেখিলা, ডেকা ল'ৰা" গহপুৰত কি সাংঘাতিক কাণ্ড কৰিলে ? ইলেক্‌চন ওচৰ চাপি আহিছেতো, ক'ত কি হয় একো ঠিকনা নাই। আগৰবাৰ ইলেক্‌চনত গহপুৰৰ ভোটাৰ খিনিয়ে দিগদাৰী দিছিল। এইবাৰ যাতে দিব নোৱাৰে, সেইবাবে এই ঘটনা। পিছে আমাৰ একো নাই তাত। তুমি চিন্তা কৰিছা নেকি ? বাদ দিয়া সেইবোৰ চিন্তা। চব ৰাজনীতি। ৰাজনীতিৰ খেল। আজি-কালি এই খেল বৰ নিষ্ঠুৰ আৰু অমানৱীয় হৈছে যদিও আমাৰ উপায় নাই। আমিও খেলিবই লাগিব। তুমিও।"

বৰ্মণৰ কথাখিনি শুনি স্বৰ্গোৱাৰী থৰ হৈ গ'ল। বৰ্মণৰ চকু-মুখ কতো আশান্তি বা উদ্বেগৰ ছাপ নাই। অতি সহজভাৱে সৰল আনন্দেৰে তেওঁ কথাখিনি কৈছে। একালে শাসকদল, আনফালে হত্যাকাণ্ড ; একালে অমৰ বৰ্মণ, আনফালে নিজৰ বিবেক। এই আটাবোৰৰ টনা আজোঁৰাত স্বৰ্গোৱাৰী অতিষ্ঠ হৈ পৰিল। বাথৰুমত এইমাত্ৰ দেখি অহা মকৰাটোৰ যন্ত্ৰণা যেন তেৱোঁ অনুভৱ কৰিবলৈ ধৰিলে। ●●●




**দেৱজ্যোতি সন্দিকৈ**

স্নাতক ২য় বাৰ্ষিক।

চাকৰিটো পাই ভাল লাগিছিল। বেচৰকাৰী কলেজৰ "জনপ্ৰিয়" চাৰ হোৱাৰ পৰিবৰ্ত্তে হাতত মোটা অংকৰ দৰমহাটো লবলৈ পোৱাৰ কল্পনাই মনটোক যথেষ্ট আনন্দ দিছিল। তদুপৰি সুখ্যাতিৰে এম, এ পাছ কৰাৰ পিছতো বেচৰকাৰী কলেজৰ প্ৰফেচাৰ হৈ ঘৰৰ এক প্ৰকাৰ বোজা হৈ থকাতকৈ গুৱাহাটী হেন ঠাইত কেৱল নিজৰ যোগ্যতাৰ বলতেই চাকৰিটো পাই আৰু ভাল লাগিছিল। বহু কষ্টোপাৰ্জ্জিত ডিগ্ৰীটোৰ ওপৰত শ্ৰদ্ধা জন্মিছিল। যেনেকৈ ফুটবল মেচত বহু নামী-দামী খেলুৱৈয়ে পৰিপুষ্ট টিম এটাৰ বিৰুদ্ধে, কম-দামী কম নামী খেলুৱৈ থকা টিম এটাই জিকিলে, বিজয়ী দলৰ খেলুৱৈ সকলৰ মনত যেনেকৈ এটা আত্মসন্তুষ্টি বা গৰ্ব ভাৱ ফুটি উঠে, ঠিক তেনেকুৱা নহলেও প্ৰায় তেনেকুৱা এটা গৰ্বই মনটোক আচ্ছন্ন কৰিছিল। ব্যৱসায়ত নালাগি বা অন্যান্য টকা থকা চাকৰি নকৰি মিছা-মিছিকৈ শিক্ষকতা

কৰি সময় কটোৱা বুলি ভবা আৰু সম্পূৰ্ণ ব্যৱসায়ী ধ্যান ধাৰণাই মগজুৰ প্ৰতিডাল শিৰা-উপশিৰাকে আছন্ন কৰি ৰখা দেউতাৰ ওচৰত সম্পূৰ্ণ নহলেও অলপমান মোৰ স্থান নিশ্চয় উন্নত কৰিছিল । কাৰণ দেউতাই প্ৰায়েই কৈছিল “ডিগ্ৰীটো পালি যেতিয়া অলপ ব্যৱসায়ৰ কামতে সহায় কৰি দে, ময়ো বুঢ়া হৈ আহিছো । অকল বিমানেই ( মোৰ ককাইদেউ ) নো কিমান কৰিব” ইত্যাদি।

কামত জইন কৰাৰ দুদিনৰ আগতেই কৰ্ম-স্থলীলৈ যাবলৈ ঠিক কৰিলো। গাৱঁৰ পৰিবেশত কোনো গাৱঁৰ মানুহ সাধাৰণতে অলপ দূৰলৈ গলে গোটেই গাওঁখনতে অলপ মৃদু চাঞ্চল্যৰ সৃষ্টি হয়। তাতে মই গোটেই অঞ্চলৰ প্ৰতিপত্তি থকা সদানন্দ বৰুৱাৰ ল’ৰা । অঞ্চলৰ প্ৰায়বোৰ মানুহৰে মই “ জনপ্ৰিয় ” আছিলো । “ জনপ্ৰিয় ” শব্দটোৱে মই নিজকে জাহিৰ কৰা নাই বা জাহিৰ কৰাৰ চেষ্টাও কৰা নাই । তথাপি কওঁ দেউতাৰ মানুহ নমতা গোমোঠা - স্বভাৱ , ককাইদউৰ উশৃংঙ্খলতাৰ বিপৰীতে মই অঞ্চলটোত মানুহৰ মাজত যথেষ্ট জনপ্ৰিয় আছিলো । সেয়ে প্ৰায় সকলোৱেই মই চাকৰি পোৱাৰ কথা গম পাই মোক ঘৰতে আহি শুভেচ্ছা জনাইছিলহি। উপদেশ দিছিল । কলেজৰ ফালৰ পৰাও মোৰ বাবে মোক লৈ এখন বিদায় সভাৰ আয়োজন কৰিছিল। কথাটো তিনিদিন মানৰ আগতেই গম পাইছিলো । খবৰটো পাই এক প্ৰকাৰ ভয়েই লাগিছিল। কাৰণ মই মিটিং চিটিং এই-বোৰত কথা কোৱাটো বৰ টান পাইছিলো। মোৰ স্পষ্ট মনত আছে, মই সপ্তম শ্ৰেণীত থাকোতে মাত্ৰ এবাৰ মিটিঙত কথা কৈ পাইছিলো । সেইখনো বিদায় সভাই আছিল। আমাৰ তেতিয়া ইংৰাজী শিক্ষক শ্ৰদ্ধেয় শ্ৰীযুত জীৱন বৰা চাৰৰ বিদায় সভা ; যাক আমি উপৰুৱাকৈ নাম দিছিলো বাঘ ছাৰ বুলি। এই বাঘ ছাৰ ৰিটায়াৰ হোৱাত আমি ল’ৰাবোৰে খুৱেই ভাল পাইছিলো। গধুলি মাক বাপেকৰ তাগিদাত সদাই পঢ়িব লগা ল’ৰা এটাই ঘৰলৈ কোনোবা আলহী আহিলে সেইদিনা পঢ়িব নালাগে বুলি ভাবি যেনে এটা অহৈতুকী আনন্দ লাভ কৰে, ঠিক তেনে এটা আনন্দই লাভ কৰিছিলো সিদিনা। তথাপি মই সেইখন সভাত কিছু কথা কৈছিলো, আৰু তাতোকৈ আমোদজনক কথাটো হ’ল মই তাত কান্দিছিলোও । মই যেন কান্দিছিলো সেইটো বেজাৰত নহয়, ভয়ত আৰু কান্দি থকা বৰা ছাৰৰ থমথমীয়া মুখখন দেখি লগা আনন্দত ।

সেয়া আছিল মোৰ জীৱনৰ প্ৰথম কথা কৈ পোৱা সভা আৰু এতিয়া সুদীৰ্ঘ প্ৰায় ১৫ / ১৬ বছৰৰ পিছত মোকেই উদ্দেশ্য কৰি পতা আজিৰ সভাখনৰ কথা চিন্তা কৰি মনত ভয় লগাটো নিতান্ত স্বাভাৱিক । ভয় সংশয় আৰু এক অনামী উৎকণ্ঠা বুকুৰ মাজত সাৱটিলৈ শেষ বাৰৰ বাবে, জন্ম লগ্নৰ পৰা প্ৰায় প্ৰতিটো কামতে জড়িত হৈ থকা মোৰ মৰমৰ কলেজখনলৈ সোমাই গৈছিলো । সভা আৰম্ভ হোৱাৰ পিছত কলেজৰ অধ্যক্ষ আৰু সভাৰ সভাপতি বিনোদ গোহাঁই ছাৰে মোকেই উদ্দেশ্য কৰি কোৱা কথাখিনি আৰু ল’ৰা-ছোৱালী বিলাকৰ বাষ্পাকুল চকুবোৰ দেখি মোৰ মনটো হাঁহাকাৰ কৰি উঠিছিল । নিজৰ শ্ৰম আৰু ঐক্যান্তিক প্ৰচেষ্টাই তিল-তিলকৈ গঢ়ি তোলা মোৰ মৰমৰ কলেজখন এৰি যোৱাৰ চিন্তাই মোৰ মন ভাৰাক্ৰান্ত কৰি তুলিছিল । মোৰ ভাৱ হৈছিল যেন এতিয়াই ঘোষণা কৰি দিম, দেহাৰ সমস্ত শক্তিৰে চিঞঁৰি দিম “ নেযাওঁ মই মোৰ কলেজখনক এৰি । তোমালোকক এৰি কেতিয়াও নেযাওঁ ” ।

কিন্তু কব পৰা নাছিলো ঘৰৰ অশান্তি, মোৰ ভৱিষ্যতৰ কথা চিন্তা কৰি, মনৰ একান্ত ইচ্ছা স্বত্বেও মই কব পৰা নাছিলো এক অনামী বোবা বেদনাই মোৰ মন ভাৰাক্ৰান্ত কৰি তুলিছিল । নিতান্তই নিয়ম ৰক্ষা কৰ কিবাকিবি অলপ কৈ বহি পৰিছিলো । সপ্তম শ্ৰেণীৰ বাঘ ছাৰৰ বুকুৰ বেদনাখিনি হয়তু তেতিয়াহে মই উপলব্ধি কৰিব পাৰিছিলো । তেতিয়া মই কন্দাৰ দৰেই আন কোনোবা ছাত্ৰই মোৰ কন্দনামুৱা মুখ খনিলৈ চাই আনন্দত কান্দিছিল নে নাই নাজানো, কিন্তু জন্ম লগ্নৰে পৰা জড়িত এটা অনুষ্ঠান এৰি যোৱাৰ বেদনা মৰ্মে মৰ্মে উপলব্ধি কৰিছিলো ।

অৱশেষত যোৱাৰ দিনটো আহি পাইছিলহি । ভনী আৰু ভাইটোৱে বেছ উলহ মালহেৰে বিদায়ৰ বাবে প্ৰস্তুতি চলাইছিল । দেউতাই গতানুগতিক ভাবেই কিছুমান উপদেশ দিছিল । মায়েও আহাৰ আগদিনা ৰাতি ভাত খোৱাৰ পিছত ভালেমান কিবাকিবি উপদেশ দিছিল । ভালকৈ খোৱা বোৱা কৰিবি । স্বাস্থ্যৰ প্ৰতি নজৰ দিবি ইত্যাদি ধৰণৰ । যিবোৰ উপদেশ আগতেও মই বহুত বাৰ শুনিছো । যিবিলাক শুনাৰ ধৈৰ্য্যও মোৰ আছে ।

গুৱাহাটীৰ “ হোটেল অজন্তা ” ত প্ৰথম গৈ উঠিলো । গুৱাহাটী বিশ্ববিত্তালয়ত পঢ়া হলে অন্ততঃ জালুকবাৰীৰ পানদোকানী কেইটাক চিনি পালোহেঁতেন । কিন্তু পঢ়িলো ডিব্ৰুগড় বিশ্ববিদ্যালয়ত , তাৰোপৰি গুৱাহাটীত কলেজৰ ওচৰে-পাজৰে আমাৰ কোনো চিনাকী মানুহ নাই । চিনাকী মানুহ থকা হলে তাত নেথাকিলেও অন্তঃত ভাড়া ঘৰ এটা নিশ্চয় যোগাৰ কৰি দিব পাৰিলে হেঁতেন । [illegible] নাপাই পিছদিনা হোটেলৰ পৰা কলেজৰ প্ৰিন্সপালৰ ঘৰলৈ যাবলৈ ঠিক কৰিলো আৰু উদ্দেশ্যে ওলাই আহি [illegible] অটো এখন বন্দোবস্ত কৰিলো । জ্যোতিষ শাস্ত্ৰৰ মতে সিদিনা হয়তো মোৰ কোনো এটা গ্ৰহ মোৰ অনুকূলে আছিল । কিয়নো গুৱাহাটী হেন ঠাইত একেদিনাই ভাড়া-ঘৰ বিচাৰি পোৱা আৰু পৰ্বতত কাছকণী বিচাৰি পোৱা একে কথাই হয় , তেন্তে মই সিদিনা এটা কাছকণীয়েই পাইছিলো । কাৰণ মোৰেই সৌভাগ্যবশে মই যিখন অটো ভাড়া কৰিছিলো সেই অটো চালক আছিল মই চাকৰি পোৱা কলেজৰ ওচৰৰে বাসিন্দা । প্ৰসঙ্গ ক্ৰমে মই যে সেই কলেজখনলৈ নতুনকৈ অহা প্ৰফেচাৰ সেই কথা জনাত তেওঁৰেই মালিকৰ এটা ভাড়াঘৰ থকাৰ কথা জানিব পাৰি আদবাটতে ঘূৰি তেওঁৰ ঘৰলৈকে আহিলো । দেৱদূত দেখিবলৈ কেনেকোৱা তাৰ সম্পৰ্কে মোৰ খুব এটা পৰিষ্কাৰ ধাৰণা নাই । কিন্তু সেই সময়ত পেটটো অলপ ওলোৱা, মধ্যমীয়া ওখ আৰু বগা এই মানুহজনক ঠিক দেৱদূত যেন লাগিছিল । ভগৱানক মনে মনে কৃতজ্ঞতা জনাইছিলো ।

মই থকা মানুহ ঘৰৰ মুঠ মানুহ পাঁচজন । পৰিয়ালত এক মাত্ৰ ল’ৰা প্ৰাঞ্জল , ছোৱালী দুজনী আশা আৰু নিশা । আশাই দশম শ্ৰেণীত পঢ়ে , নিশাই সপ্তম শ্ৰেণীত পঢ়ে। প্ৰাঞ্জল উচ্চতৰ মাধ্যমিকত পঢ়ে ।

কলেজৰ পৰা ঘূৰি আহি গধূলি সাজ হোটেলতে খাই কোঠাৰ ভিতৰত বহি আমনি লগাত বাহিৰলৈ চকী এখন উলিয়াই তাতে বহি আছিলো । মালিকৰ ঘৰত সম্ভৱ কোনোবা ছোৱালী আছিল , কাৰণ মই ছোৱালীৰ মাত শুনিছিলো । নীলা তৰা ভৰা আকাশ-খনৰ তলত বহি ঠিক ঘৰৰ চোতালত বহি থকাৰ দৰেই অনুভৱ কৰিছিলো । ঘৰলৈ বৰকৈ মনত পৰিছিল। মাজনী ভাইটো , ভনী জনীৰ মুখবোৰে দুচকুৰ আগত দোলা দিব ধৰিছিল । কৰ্ম সংস্থানে আজি মোক গাওঁতকৈ শতগুণে উন্নত এটা জীৱন দিছে। ইয়াত অৱশ্যে মনটো অলপো খাপ খোৱা নাছিল। সৰুতে ৰামায়ণৰ সাধু কথাৰ ৰামচন্দ্ৰই লক্ষ্মনক কোৱা „ লংকাপুৰী ............ ইত্যাদি, ইত্যাদি কথাবোৰৰ সত্যতা উপলব্ধি কৰাৰ যত্ন কৰিছিলো। মই যেন সেই সময়ত হৈ পৰিছিলো কোবাল ঢৌৰ সতে ভাঁহি ফুৰা উপকূল বিহীন সাগৰৰ মই যেন এখন বঠাহীন নৌকা। সুনীল পানী, সুনীল আকাশৰ ৰং চাই বিভোৰ হোৱা এজন ভাৱশূন্য নাৱিক ।

হঠাৎ আকাশৰ মাজেদি নেজাল তৰা এটা পাৰহৈ যোৱাত নিজৰ অজ্ঞতে চিঞৰি উঠিলো । সেই সেইটো চাহি ............ এঃ গলেই ” !

চিঞৰটো মাৰি মই মোৰ জিভাত কামুৰি

ধৰিলো। চেহ্ কিখন কৰিলো। আশাহঁত ওলাই আহি সুধিলে কি কম ইত্যাদি চিন্তাই মোক চিন্তিত কৰিলে। হঠাতে মই ভৱাৰ দৰেই আশাহঁতে দৌৰি আহি সুধিলেহি,

"কি মামা, কত"? বুলি দুয়োজনীয়ে মোক জুমুৰি দি ধৰিলেহি। মই লাজতে আধা মৰা হৈ সেপঢুকি কলো— "নহয় অ, একো নহয়, মই মাত্ৰ নেজাল তৰা এটা দেখি চিঞৰটো ওলাল"।

মোৰ কথা শুনি দুয়োজনীয়ে হাঁহি দিলে। আৰু মই হঠাতে গম্ভীৰ হোৱাৰ ভাৱ এটা দেখুৱাই মনে মনে ৰলো। কাৰণ মোৰ লাজ বেচিকৈ লগাৰ কাৰণ হ'ল যে আশাহঁতৰ পাছে পাছে সিহঁতৰ ঘৰত থকা ছোৱালী জনীও ওলাই আহিছিল। এজনী অচিনাকী ছোৱালীৰ সন্মুখত এইদৰে চূড়ান্ত ভাৱে লাজ পোৱাৰ পিছত মোৰ নিজকে বৰ লঘূ লঘূ লাগিছিল। অংক নোৱাৰিলে কাড়া শিক্ষকে কাণত ধৰাই সমস্ত ল'ৰা ছোৱালীৰ সন্মুখত আঠু কঢ়াই থলে আঠু কাঢ়ি থকা ল'ৰাটোৰ মনত যেনে এটা লাজে খুন্দামাৰি ধৰে, ঠিক তেনে এটা লাজে মোকো হেঁচামাৰি ধৰিছিল।

পৰিস্থিতিটো সহজ কৰাৰ উদ্দেশ্যে নিশাক কলো "বাৰু তুমি মুঢ়া এটা আনাগৈ যোৱা, মাহীয়ে ঠিয়হৈ আছে নহয়।"

আচলতে ছোৱালীজনী ঠিয়হৈ থকা নথকাতো মোৰ বাবে ডাঙৰ কথা নহয় বা তাইক নিশাই ভিতৰৰ পৰা আনি দিয়া মুঢ়াত বহুৱাই লৈ কথা পতাৰ উদ্দেশ্যই মোৰ নাছিল, কিন্তু এনেকোৱা এটা লজ্জাজনক পৰিস্থিতিত কি কম, কি নকম কব নোৱাৰাকৈয়ে কথা কেইষাৰ মুখৰ পৰা ওলাই আহিছিল।

ছোৱালীজনীৰ নাম মমী দত্ত। কাষতে ঘৰ। দেউতাক ৰিটায়াৰ্ড এক্সাইজ ইন্সপেক্টৰ। ককায়েক তিনিজন, এজন ঠিকাদাৰ, এজন ইঞ্জিনিয়াৰ আৰু এজন ব্যৱসায়ী। আৰু মমী গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰী। মুঠৰ ওপৰত কবলৈ গলে বেছ সম্ভ্ৰান্ত পৰিয়াল। মমী আছিল বেছ তজবজীয়া। চহৰীয়া ছোৱালীবোৰৰ সাধাৰণতে তজবজীয়া বুলি যিটো নাম আছে সেইটো দিশৰ পৰা মই ওপৰে ওপৰে এনেয়ে কোৱা নহয়। প্ৰথম দিনাই আধা ঘণ্টামান কথা পাতোতেই মমীৰ বিষয়ে অভিজ্ঞতা সঞ্চয় কৰিছিলো।

ভৱাতকৈ বহুত সোনকালে কলেজখনক আৰু ঠাইখনৰ লগত নিজকে খাপ খুৱাই লৈছিলো। পূৰ্বৰ কলেজখনৰ ছাত্ৰ মহলৰ মাজত ধেমেলীয়া বুলি থকা সুনামটো ইয়াতো অক্ষুন্ন ৰাখিবলৈ যথেষ্ট চেষ্টা কৰিছিলো। বন্ধৰ দিনত ঘৰলৈ চিঠি লিখা, আশা-নিশাহঁতক ইটো-সিটো পঢ়াই বুজাই দিয়া, সিহঁতৰ লগত ধেমালি কৰা ইত্যাদি কামতে পাৰহৈ গৈছিল দিনবোৰ।

মমীৰ লগত মোৰ সম্পৰ্কটো দুদিন মানতে একেবাৰে সহজ হৈ পৰিছিল। সিহঁতৰ ঘৰলৈও মই প্ৰায়ে যাওঁ। দেউতাকে চাকৰি কালত ক'ত কেনেকৈ কেইটা স্মাগ্লাৰ ধৰিছিল, গুলয়ী-গুীল হঁওতে কত দুখ পাইছিল ইত্যাদি বৰ্ণনা বোৰ শুনা, মাকে যতনাই দিয়া চাহ, জলপান খোৱা, মমীৰ লগত কেৰম খেলা, আজে-বাজে কথা পতা ইত্যাদি। এইবোৰেই সাধাৰণতে সিহঁতৰ ঘৰলৈ গলে মই কৰা কাম। কিন্তু লাহে-লাহে আমাৰ সম্পৰ্কটো এনেকুৱা এটা অৱস্থালৈ গল যে মই কামৰ ভিতৰত সোমাই নতুনকৈ কিনি অনা আলোচনীখন বিচনাতে শুই-শুই পঢ়ি আছো, তেনেতে তাই সোমাই আহি কব "কি কৰিছা, অ চাওঁ, কি আলোচনী সেইখন" এই বুলি মোৰ হাতৰ পৰা টানিলৈ নামটো চাই পুনৰ গালৈকে দলিয়াই দিব। আন কোনোবা দিনা আহি কব "তুমি কোঠাটো ইমান অপৰিপাটিকৈ ৰাখা, অলপ চিজিল লগাই ৰাখিব পাৰা" ইত্যাদি কথাবোৰে মোৰ মূৰটো গৰম কৰি তোলে।

লাহে-লাহে অনুভৱ কৰিছিলো যেন তাইৰ

কি মই গেলেগ কিবা এটা অনুভৱ কৰিবলৈ লৈছো। কথাপি এটা ডেকা ল'ৰাৰ দমত এজনী অনাত্মীয় গাভৰু ছোৱালীৰ সঘনে আহ-যাহ এইবোৰ মই বৰ পচন্দ কৰা নাছিলো। আৰু তাইতো আশাহঁতক পঢ়াবলৈহে আহে, মোক পঢ়াবলৈটো নাহে, সদায় যে মোৰ দমত সোমাব লাগে......। হাজাৰ হওক মইটো লোকৰ এজনী ছোৱালীৰ লগত একেলগে অলপদূৰ গলেই সন্দেহৰ চকুৰে চোৱা পৰিৱেশ এটাৰ পৰা ওলাই অহা ল'ৰা। সেয়ে সহজতে তাইৰ এই সহজ ব্যৱহাৰবোৰ মই হজম কৰিবলৈ টান পাইছিলো। সেয়ে মাজে মাজে ভাৱিছিলো, এনেকৈ মানসিক অশান্তিত থকাতকৈ তাইক স্পষ্ট ভাৱে খুলি কোৱা উচিত। কিন্তু পৰা নাছিলো। শেষত তাই অহাৰ পৰত মই পৰা পক্ষত কমৰ পৰা বাহিৰ ওলাই থাকিবলৈ লৈছিলো। সিহঁতৰ ঘৰলৈ যোৱাও কমাই দিলো। যেনেকৈ সহজ মইটো এজন কলেজৰ অধ্যাপক। কেৱল মাত্ৰ সাজকৈ যে জু-হালৰ গুৰিত বহি কিবা চাহৰ সোৱাদ-লৈ পৰচৰ্চা কৰা মানুহ আছে, চহৰত যে নাই এনে নহয়। ইয়াৰ মানুহবোৰ সাধাৰণ মানুহে মহামানৱটো নহয়। গতিকে এজনী ছোৱালীক লৈ মই এই মানুহবোৰৰ ওচৰত বিনোদনৰ আহিলা হৈ পৰাটো মই বিচৰা নাছিলো। যিটো কথাৰ বাবে ভয় কৰি পাছবেলা এনেয়ে বিচনাত বাগৰি থকাৰ দৰে বহুদিনীয়া প্ৰিয় স্বভাৱটোকো ত্যাগ কৰিছিলো। যাৰ বাবে বহু মানসিক অশান্তিত ভোগিছিলো। অৱশেষত যিটো ভয় কৰিছিলো সেইটোৱেই হ'ল গৈ।

সিদিনা অফ পিৰিয়দ এটাত কমন্ ৰূমত সহকৰ্মী মোৰ প্ৰায় সম-বয়সীয়া ৰিদিপ মেধিৰ লগত এনেয়ে কথা পাতি আছিলো। কথাৰ মাজতে সি কলে, "বৰুৱা, আজি আমাৰ ঘৰলৈ যাওঁ বলক", দুদিন যাম বুলি কৈয়ো নগলে যেতিয়া আজি বাহিৰে বাহিৰে যাওঁ বলক।

মোৰ ইমান বদত প্ৰকৃততে ঘৰলৈ এই আধা কিলোমিটাৰত কৈয়ো কম এই বাট চোৱাকে খোজ কাঢ়িবলৈ মন যোৱা নাছিল। গাওঁ ফুৰিবলৈ যোৱাটো দূৰৰ কথা। সেয়ে কলো —

"আজি নাযাওঁ বুইছে, গাটো বৰ ভাল লগা নাই, তাতে ইমান বদত খোজ কাঢ়িবলৈ মন যোৱা নাই। কাইলৈ সঁচায়ে যাম দিয়ক"।

ঠিক সেই সময়তে ওচৰতে থকা গগৈয়ে মাত লগাই তীব্ৰ বেঁকা হাঁহি এটা মাৰি মোৰ ফালে চাই কলে "আপুনিও ভাল দিয়ক, এওঁনো আজি কালি আমাৰ দৰে ফুৰিব পাৰেনে? ইফালে দেৰি হব লাগিলে হুলস্থুল লগাই দিব নহয়। আজিবা ক'ত প্ৰগ্ৰেম আছে? মই কথাখিনি ভালকৈ বুজিব নোৱাৰি সুধিলো

"............ মানে"?

এইবাৰ তেওঁ দুগুণ উৎসাহেৰে চকু কেইটা আধা মুদা কৰি কলে, "আমিও জানো বুইছে, আপুনি অৱশ্যে ভাল ঠাইতে হাত দিছে। বাপেক ৰিটায়াৰ্ড এক্সাইজ অফিছাৰ, টকাৰে পোতগৈ থাকিব পায়।"

কাক উদ্দেশ্য কৰি কথাখিনি কোৱা হৈছিল তেতিয়াহে মই পৰিস্কাৰকে বুজিব পাৰিছিলো। আৰু এটা ক্লাচ আছিলে যদিও লৰালৰিকৈ গুচি আহিলো। হাত মুখ ধুই বিচনাতে বাগৰি কথাবোৰ পুনৰ ভাবি গলো একাদিক্ৰমে। অনুভৱ কৰাৰ যত্ন কৰিছিলো সঁচাকৈয়ে মই তাইক ভালপাই পেলাইছো নেকি?

মমী দুদিনমান অহা নাছিল। আনফালে তাই নাহিলে মই ভালেই পাওঁ আৰু পৰাপক্ষত তাই নহাটোকে বাঞ্ছা কৰো। কিন্তু তাই এই দুদিন নাহিলত মনটো বেয়া লাগিছিল। তাইৰ লগত মই এই বিষয়ে আলোচনা কৰিম বুলি ভাবিছিলো সম্ভৱ সেই কাৰণেই বেয়া লাগিছিল। তৃতীয় দিনাও নাহিল যেতিয়া অৱশেষত মইয়ে মনত যথেষ্ট সাহস লৈ সিহঁতৰ ঘৰলৈ যোৱাটো ঠিক কৰিলো। মমীক নেপালেও মাক-দেউতাক যাকেই পাওঁ তাকেই কব পৰা অদ্ভুত সাহস এটা মনত থিত

লৈছিল। তেওঁলোককো বুজাই দিম মোকলৈ তেওঁলোকৰ ছোৱালীৰ ইমান এটা কাহিনী গঢ়লৈ উঠাৰ পিচত তাইক এক প্ৰকাৰৰ বদনামত পেলাই আঁতৰি যোৱাটো মোৰ দ্বাৰা সম্ভৱ নহব।

মনত যথেষ্ট সাহস সঞ্চাৰ কৰি ড্ৰয়িং ৰুমত বহি আ.ছো, কি কম, কি নকম ভাৱ এটাই মনটোক হেঁচা মাৰি ধৰিছিল। ভাবি অহা কথাবোৰ এটা এটাকৈ মনতে জুকিয়াই লৈছিলো।

"অ' বিজয় আহিলা নেকি?"

প্ৰকাণ্ড মেদ বহুল শৰীৰটো ধপ্‌কৈ চোফাত এৰিদি মমীৰ মাকে কলে। সৰু ল'ৰা এটাই যেন মূৰত প্ৰকাণ্ড বোজা এটা লৈ আহি গন্তব্য স্থান পাই বোজাটো পেলাই খুউব ভাগৰত হেলাই হেফ.ই বহি পৰিল। দৃশ্যটো ঠিক তেনেকুৱা যেন লাগিল।

"অ' এইয়া. ভালনে আপোনাৰ?"

"ও ভালেই। ভাল তোমাৰ?" কথাষাৰ সাধাৰণ যদিও যিটো গম্ভীৰতা সানি কলে আচৰিতেই হলো, কাৰণ আনকালে ইমান গহীন ভাৱে মোৰ আগত চিনাকী হোৱাৰ পৰা এদিনো কোৱা নাছিল। মুখৰ কোনোবা এটা চুকত হলেও হাঁহিৰ টুকুৰা এটা লাগি থাকেই। সেয়ে মইও গহীন হবৰ চেষ্টা কৰিয়েই কলো "ভাল, আংকল নাই?"

"আছে ভিতৰত'

"মমী নাই নেকি?"

"নাই, তাই পৰহিয়ে গ'ল লগৰ এজনী ছোৱালীৰ ঘৰলৈ আজি অহাৰ কথা আছিল, ক'তা, ইমান পৰলৈকে নাহিলেই দেখুন।"

আনকালে নথকা গম্ভীৰ পৰিবেশ এটাত ডুবগৈ থাকি তেখেত ইমান গহীন হোৱাৰ উৎস সম্পৰ্কে মনতে ভাবিছিলো। হয়তো আংকলৰ লগত কিবা খুট্‌-খাট্‌ লাগিব পাৰে। চাহ খোৱাৰ মাজতে মই কথাবোৰ কেনেকৈ আৰম্ভ কৰিম পুনৰ জুকিয়াই ললো। কিন্তু মই কোৱাৰ আগতেই তেখেতে কলে

"বাৰু বিজয় কথা এটা কওঁ তুমি বে নাপাবা। মই বহুত দিনৰ পৰাই কম বুলি ভাবিছিলো

বুকুখন চিৰিং কৰি উঠিল। কি কথা ঠিক আৰু মোৰ সম্পৰ্কৰ কথাই যে হব তাৰ এ অস্পষ্ট অনুমানো কৰিলো।

"কি কব লগা আছে কওক, মই বেয়া কিয় পাম আৰু মোৰ অস্পষ্ট ধাৰণাটোকে স্পষ্ট কৰি তেওঁ উঠিল।

"বেয়া পালেও উপাই নাই, তুমি আৰু আমাৰ ঘৰ নাহিলেই ভাল হব নেকি?"

"মানে?"

কিবা এটা বুজাৰ আগতেই হঠাতে মুখৰ পৰা ওলাই গ

"মানে বুলিবলৈ একো নাই। তুমি হয়তো শুনি মানুহে কেনেকুৱা কথাবোৰ উলিয়াইছে। গতিকে তো লোকৰ মিলা মিছাবোৰ কমাই দিয়া ভাল বোধকৰে মই মমীকো কম।" মোৰ অৱস্থাটো যদিও ভিজা মেকু দৰেই হৈছিল তথাপি মই কোনোমতে সেপঢুকি ক কিন্তু মানুহবোৰে এনেয়েটো কব পাৰে আৰু আমি ভ ভয় কৰি আঁতৰি গলে সিহঁতক প্ৰশ্ৰয় দিয়াহে হ'ব

কথাখিনি যে মযেই কলো নিজকে বি কৰিবলৈ টান লাগিল। তাৰ পিছত মনত সমস্ত সা কোনো পাতনি নেমেলাকৈয়ে কৈ পেলালো—

"আৰু আপোনালোকে যদি বেয়া নাপায় তেন্তে মই মানুহখিনিক দেখুৱাবলৈকে মমীক বিয়া কৰাম"।

কথাষাৰ শুনি উত্তেজিত ভাৱে চকীৰ পৰা পুনৰ চকীত সজোৰে বহি মোলৈ অপলক নেত্ৰৰে উত্তেজনাৰে তেওঁ কলে —

"শুনা, তোমাক মই বহুত ভদ্ৰতাৰে এইখন ঘ নাহিবলৈ কৈছো। মমীৰ লগত বিয়াৰ আশা ত্যাগ ক ভাল, কাৰণ অহা মাহত তাইৰ বিয়া ঠিক কিৰিছো



বিচাৰকে নিৰ্লিপ্ত ভাৱে মৃত্যু দণ্ডৰ আদেশ দিয়াৰ দৰে তেওঁ খুউব অকনো নকঁপাকৈ কথাখিনি কৈ মই কিবা এটা কোৱাৰ আগতেই ভিতৰলৈ সোমাই গল। থৰ হৈ মই স্বৰগ পৰা মানুহৰ দৰে তেওঁ যোৱাৰ ফালে বহল কৈ চকু কেইটা মেলি চালো মোৰ চৌপাশৰ বস্তুবোৰ যেন খুউব বেগেৰে ঘুৰিছে, কাণৰ কাষত হেজাৰ বাৰুদ একেলগে ফুটিছে।

এটা ক্লান্ত মনলৈ, এখন ভগ্ন হৃদয়লৈ, জীৱনত প্ৰথম কাৰোবাৰ ওচৰত অপমান পোৱাৰ দুঃখজনক অভিজ্ঞতালৈ মোৰ ৰুমলৈ ঘূৰি আহি বিচনাতে শুই পৰিলো। মনটো খুউব হতাশ হৈ পৰিছিল ইমান এটা লাজ পোৱাৰ পিছত নিজকে বৰ অপদাৰ্থ যেন লাগিছিল। কিন্তু এই কথাটোৰ বাবেই মোক সিহঁতৰ ঘৰলৈ নাযাবলৈ কোৱাৰ কোনো প্ৰয়োজন বোধ হয় নাছিল। তাইৰ যে বিয়াৰ ঠিক হৈছে কথাটোকে পোনপটীয়াকৈ কোৱা হলে অলপো বেয়া নাপালো হেতেন।

দুদিনমানৰ পিছত আবেলি কলেজৰ পৰা আহি আলোচনী এখন লৈ বিচনাতে বাগৰি আছো আশাহতে চোতালত বেডমিণ্টন খেলি আছে। হঠাতে মোক আচৰিত কৰি দুৱাৰখন ঠেলি মমী সোমাই আহি দুৱাৰখন পুনৰ জপাই দিলে। মই তৎক্ষণাতে উঠি বহিলো, তায়ো বিচনাৰ কাষ এটাত বহি মোলৈ চাই ৰল। তাইৰ চকুৰে মুখে নিদ্ৰা হীনতাৰ স্পষ্ট চিন, চকু সোমোৱা

"চাগে ঘৰত খুব কান্দিছা" মই সংযত হৈ যথেষ্ট কষ্টৰে কলো—।

"তুমি কিয় আহিলা? কথাষাৰ কোৱাৰ পিছত নিজেই আচৰিত হলো।

তাই খুব কৰুণ ভাৱে মোলৈ চাই ৰ'ল, দুটা সামান্য লৰাই তললৈ মুৰ কৰি খুব দুৰ্বল ভাৱে কলে "তোমাক মই এটা কথাই সুধিবলৈ আহিছো, মাত্ৰ এটা কথা। আজিৰ পৰা তোমাক আৰু মই কোনোদিনেই আমনি নকৰো"।

মই তাইৰ মুখত এই প্ৰথম ইমান কৰুণ মাত শুনিলো। তায়ো নিশ্চয় খুব ডাঙৰ অশান্তিত ভুগিছে। যিটো মই পোৱা লাজখিনিৰ পৰিমাণতকৈ হাজাৰ গুণে বেদনা দায়ক, বেচি কৰুণ। তাই এইবাৰ বিচনাত তললৈ মুৰ কৰি শুইপৰি কান্দিব ধৰিলে। এটা সময়ত উচুপি-উচুপি তাই মোৰ ফালে চাই দুৰ্বল ভাৱে কলে "তুমি এজনী জাৰজ ছোৱালীক বিয়া কৰাব পাৰিবা?"

মই এইবাৰ কলো— "তুমি এইবোৰ কি কৈছা?" "কিন্তু মোক যে বিয়া কৰোৱাৰ কথা কৈছিলা, তুমি জানানে মইও এজনী জাৰজ ছোৱালী বুলি ........

"কিন্তু তোমাৰ মায়ে.................."

বাদ দিয়া মাৰ কথা, মা মোৰ মা হেনো .................."

তাই হঠাৎ বিৰাট খঙেৰে চিঞৰি উঠিল।

"তোমাক জাৰজ বুলি কোনে কলে? আৰু প্ৰকৃততে যদি হয়েই খুলি নোকোৱা কিয়?"

এইবাৰ তাই খুউব কৰুণ হাঁহি এটা মাৰি কলে কম সকলো কম, কম বুলিয়েইতো আহিছো, এইখন সঁচাকৈয়ে মোৰ ঘৰ নহয়। আৰু এই মা-দেউতাও মোৰ আচল মা-দেউতা নহয়।" এই বুলি তাই কণ্ঠলৈ এটা তীব্ৰতা আনি পুনৰ মোৰ চকুলৈ চাই কৈ গল--

"মোক সৰুতেই, জন্মৰ পিচত হস্পিটেলতে মোৰ প্ৰকৃত মা-দেউতাৰ পৰা সলনি কৰি লোৱা হৈছিল। কাৰণ মই মা-দেউতাৰ সপ্তম ছোৱালী সন্তান আছিলো। যিটো তেওঁলোকে বিচৰা নাছিল, আৰু দান দিলে এই মানুহ ঘৰক। বিনিময়ত এই মানুহ ঘৰে ল'ৰা সন্তান এটা দিলে, কিয়নো সেই দিনাই সেইখন হস্পিটেলতে এওঁলোকৰো চতুৰ্থ ল'ৰা সন্তানটো জন্ম হৈছিল। গোপনে ডাক্তৰৰ হতুৱাই সলনি কৰি এতিয়া মা-দেউতাৰ অভিনয় কৰিছে। ইমানখিনি জনাৰ পিছতো কোৱা মই জাৰজ সন্তান নহয়? আৰু মইনো বাৰু নিজকে কৈ কেনেকৈ বুজনি দিম;

কেনেকৈ প্ৰত্যয় যাম যে মই মোৰ নিজৰ ঘৰতেই আছো, মোক জন্ম দান কৰা মাৰ বুকুৰ মাজতে আছো।" মই জঠৰ হৈ বাক্‌ৰুদ্ধ হৈ বহি ৰলো। ক্ষন্তেক পিছত নিজকে সচেতন কৰি লাহে কৈ কলো—

"তোমাক এইবোৰ কথা কোনে কলে, তুমি কেনেকৈ জানিলা যে তোমাক জন্মৰ পিছতে সলোৱা হৈছে।" তাই এইবাৰ মোলৈ একেথিৰে চাই উচুপনি মিহলি এটা সিক্ত কণ্ঠেৰে কলে—

"কোনোবাই কোৱা হলে ভালেই আছিল, অন্তঃত তেতিয়া বিশ্বাস নকৰিলো হেতেন, কিন্তু এতিয়া মই এই মোৰ মা-দেউতাৰ ভূমিকাত থকা মানুহ কেইজনৰ পৰাই সকলো কথা শুনাৰ পিছত মইনো বাৰু কেনেকৈ অবিশ্বাস কৰো। সিদিনা এগৰাকী বান্ধবীৰ ঘৰৰ পৰা আহি মোৰ ৰুমত মই শাৰীখন সলাইছিলো। সেই সময়তে টেপটোত এটা গান ৰেকৰ্ড কৰি আছিলো, ঠিক তেতিয়াই কাৰেন্ট বন্ধ হোৱাত টেপটো অফ কৰিবলৈ পাহৰি গলো। সন্ধিয়া উভতি আহিহে গম পালো যে টেপটো অন্ হৈয়ে আছে। ভাত পানী খোৱাৰ পিছত তেতিয়া কেচেটটো ৰি কৰি লগাই দিছিলো.......... । গানটো শেষ হোৱাৰ অলপ পিছতে মা দেউতাই মোক লৈ পতা কথাবোৰ লাগি গল। সম্ভৱ মই ওলাই যোৱাৰ পিছত কাৰেন্ট অহাত প্লে হৈ থকাত টেপটোৱে কথাবোৰ ধৰি ৰাখিলে। তাৰ পৰাই গম পালো মইকোন, কাৰ ছোৱালী, মোৰ প্ৰকৃত মা দেউতা কোন।"

এইখিনি কৈ তাই বিচনাত পৰি হোক হোকাই কান্দিব ধৰিলে। ক্ষন্তেক পিছত বিচনাৰ পৰা উঠি কলে "তোমাক মোৰ ইচ্ছাৰ বিৰুদ্ধেও এইবোৰ কথা কৈ মোৰ ব্যক্তিগত অশান্তিৰ মাজলৈ টানি আনিব লগা হ'ল। বন্ধু হিচাপে নিশ্চয় ক্ষমাৰ আশাখিনি কৰিব পাৰো!" এই বুলি খুউব করুণ হাঁহি এটা মাৰি তাই ওলাই গল।

মমী ওলাই যোৱাৰ পিছত বহু সময় প্ৰস্তৰ মুৰ্ত্তিৰ দৰে বহি থকাৰ পিছত ক্লান্তভাৱে বাথৰুমলৈ সোমাই হাত-ভৰি ধুই দুৱাৰখন খুলি বাহিৰ খনলৈ চালো। আন্ধাৰ হৈছিল বাহিৰখন। তাৰ পিছত বিচনালৈ উভতি আহি মমীৰ কথাকেই ভাৱিব ধৰিলো। নিজৰ তেজ-মঙহেৰে গঢ়া সন্তানক লৈ এনে নিষ্ঠুৰ খেল খেলা এই ভদ্ৰ চামৰ প্ৰতি মনটো ঘৃণাত ওঠলি উঠিল। এইজনেই দেশ আৰু সমাজক নিকা কৰাৰ শপতেৰে দীক্ষিত হোৱা দত্ত ইন্সপেক্টৰ।

আজিও হঠাৎ কোনোবা ফালৰ পৰা কান্দোনৰ ৰোল এটা ভাঁহি আহিছিল। মই শব্দটো কোন ফালৰ পৰা আহিছে শুনাৰ চেষ্টা কৰিছিলো। হঠাতে খিলি নমৰাকৈ থোৱা দুৱাৰখন প্ৰচণ্ড জোৰে ঠেলি দুৱৰা সোমাই আহিল।

"বৰুৱা, বৰুৱা সৰ্বনাশ হ'ল, মমীয়ে আত্মহত্যা কৰিলে।"

"কি, বিকট্ চিঞৰ এটা মাৰি তেওঁৰ চোলাত খামুচ মাৰি ধৰিলো, যেন মমীৰ হত্যাকাৰী তেওঁহে এনে এটা ভংগীত। মোৰ ৰূপ দেখি হয়তো দুৱৰাই যথেষ্ট ভয় খাইছিল। সেয়ে তেওঁ কপিঁছিল যদিও সহজ ভাৱেই ক'লে, "মোক এই মাত্ৰ বিনয়ে কৈ গৈছে, .......... মই যাওঁ।"

মই আৰু নিজকে বুজনি দিব নোৱাৰিলো। প্ৰবল হাৰিবাৰ প্লাৱনৰ দৰে মোৰ দুচকুৰেদি ঢল ভাগি নামি আহিছিল অবিৰত অশ্ৰু।

মমী যিজনীয়ে নিজৰ প্ৰকৃত মা দেউতাকৰ এবাৰলৈও ছাঁটোকে নেদেখিলে, এই দুৰ্ভগীয়া ভনীজনিক এবাৰ চাবলৈ মোৰ মনটো—হাঁহাকাৰ কৰি উঠিল।

মমী, মমী মোৰ মৰমৰ ভনী জনীয়ে শেষবাৰৰ বাবে কোৱা কথাখিনি মোৰ কাণত ভাঁহি আহিল .......... ।

"ময়ো এইবোৰ মানুহক কেনেকৈ শিক্ষা দিব লাগে জানো।"

কিন্তু তাই মোৰ বুকুতো এপাট শেল বহুৱাই গ'ল। তাই এই দৰে মোক শিক্ষা নিদিয়া হলেও হ'ল হেতেন।



# কবিতা



শিল্প হিচাপে কবিতাৰ যি মূল্য, এটা বিশিষ্ট জীৱনধাৰা হিচাপে তাৰ মূল্য তাতোধিক। নতুন কবিজন হ'ব লাগিব "জনতাৰ সমকক্ষ"। তেওঁ এনে এটা জীৱন-যাপন কৰিব লাগিব যাতে তেওঁৰ দেহেই এটা মহৎ কবিতা হয়, কাৰণ সকলো সৌন্দৰ্য্য আহে সুন্দৰ ৰক্ত আৰু সুন্দৰ মস্তিস্কৰ পৰা"। কবিতাৰ ৰূপ হ'ব লাগিব "জৈৱিক" তাৰ অন্তৰৰ পৰিবৃদ্ধিয়ে ৰূপ দিব বাহিৰৰ অবয়বৰ।"

— ৱাল্ট হুইটমেন

"কবিতা কুটীৰ শিল্প,
অন্তৰ্নতাৰ আয়োজন।
পাঠে পূৰ্ণ কৰে কবিৰ এই আয়োজন
পাঠ কবিৰ আনন্দৰ ছন্দ।
পাঠেই কবিতাৰ জীৱন।
পাঠতেই কবিতাৰ জীৱন-যাপন"। ●●●

—হীৰেণ ভট্টাচাৰ্য্য।



কবিতা
তীব্ৰভাৱে অনুভূত ভাৱৰ
কল্পনাময় প্ৰকাশ।"

— ৱৰ্ড্‌ছৱৰ্থ। ●●●

"কবিতা হ'ব লাগে
প্ৰত্যাশামূলক আৰু
ৰাগাত্মক"।

— মিল্‌টন। ●●●

## মৰিচিকা

কথাবোৰ ভাবি আজি
...লাগিছে। মৰমৰ কলেজখনলৈ মনত পৰিছে।
...দেউতাৰ ইমান ডাঙৰ ব্যৱসায় থাকিও ব্যৱসায়ত নালাগি
...শিক্ষকতাৰে সমাজ সেৱা কৰিব খোজাটোও পাপ আছিল।
মমীৰ মৃত্যুৱে মোৰ জীৱনৰ গতিয়েই সলনি কৰি দিলে।
মই ... অকলশৰীয়া, মমী মোৰ লগৰীয়া আছিল, ময়ো
... মমীৰ সহযাত্ৰী নহওঁ কিয়। মমীয়ে খুউব কম
... পাছে মোৰ ওচৰলৈ আহিছিল। দুদিনতে একেবাৰে
আঁতৰি গল। খুউব সোনকালে হেৰাই গল এটা জীৱন।
ঠিক এটা নেজাল তৰাৰ দৰে .......... । ●●●





# 'বিষ্ণুৰাভা ! তুমি আকৌ আহিবানে ?'

—শ্ৰীমতী ৰিজুমণি গগৈ
স্নাতক ২য় বাৰ্ষিক (অসমীয়া বিভাগ)

বিষ্ণুৰাভা ! তুমি আকৌ আহিবানে ?
চোৱাহিচোন —
তোমাৰ সংস্কৃতিৰ কঠিয়াতলিত আজি
দুষ্কৃতিৰ বীজ ৰোপণ !
তুমি গঢ়ি থৈ যোৱা —
পৰ্ব্বত-ভৈয়াম সমন্বয়ৰ স্থলীত
বিভেদৰ আখৰা ।
উপায়হীন আমি
নিঠৰুৱা মানুহবোৰে পথুলি মুখলৈ চায়
ৰৈ আছে (তুমি আহিবা বুলি)
আৰু ৰৈ আছে —
হালুৱা, হজুৱা ০০০ ; কাৰখানাৰ শ্ৰমিকজনো,
চিফুংৰ সুৰে সুৰে আকৌ জগাই তোলাহি
ইগাওঁ, সিগাওঁ ০০০
কমৰেড ৰাভা, তুমি আহা
তেজে ধোৱা মৰণাস্ত্ৰত আৱদ্ধ হৈ থকা
মানুহৰ মোহ ভাঙিবলৈ
তুলি দিবলৈ ৰক্ত ৰঞ্জিত হাতত "শিল্পাস্ত্ৰ"
য'ত কেৱল থাকিব জীৱন শিল্প
জীৱনে জীৱনক বুজাৰ মন্ত্ৰ !
তুমি আহাঁ —
স্বাৰ্থান্ধজনৰ জ্ঞান চক্ষু হৈ
বিভেদে পোখা মেলা মন পথাৰ খনত
সমন্বয়ৰ বীজ সিঁচিবলৈ
বিষ্ণুৰাভা ! তুমি আকৌ আহিবানে ?
তুমি আহিলেই কম বুলি আলচি থোৱা
তেজ আৰু মঙহৰ কথাবোৰ
বাৰিষাৰ বন্যাত নিঃস্ব গাভৰু ভনীজনী
(যাৰ যৌৱন ঢাকিবলৈ মাত্ৰ এডুখৰি কাপোৰ)
কথাবোৰ বৰ গোপনে —
আজি কালি মুখ-খুলি একোকে কব নোৱাৰি
চাৰিওফালে পিয়াপি দি ফুৰে
প্ৰদূষিত বতাহ ০ ০ ০
সেয়েহে —
বিষ্ণুৰাভা ! তোমাক আজি খুউব প্ৰয়োজন
তুমি আকৌ আহিবানে ?? ●●●



# ৰাজু বৰুৱাৰ স্মৃতিত

শ্ৰী চৰিত্ৰ চেতিয়া
উচ্চতৰ মাধ্যমিক বিদ্যালয় ।
কলা শাখা

যদি
শাৰদী শেৱালিৰ স'তে
তুমিও আহিলাহেঁতেন
তোমাক সজাই দিলোহেঁতেন
আকাশৰ তৰা আনি
সাজি দিলোহেঁতেন
তোমাৰ কপালৰ পৰা ঘূৰি
গাললৈ নামি অহা পৱিত্ৰ চন্দনৰ বিন্দু ।
তোমাৰ চকুৰ পল্লৱত থাকিলহেঁতেন অঞ্জন
কপালত কুন-কুম, সুকোমল আঙুলিত
বজা জেতুকাৰ ৰাঙলী বোল ।
সোণচৰা বাচকবনীয়া বিহামেখেলা
মুঠা মণিৰে ভৰা ডুগ-ডুগী , গামখাৰু , কেৰুৱাল ।
আৰু যে কত-শত চিক্ মিকীয়া অমূল্য সম্পদেৰে
তোমাক সজালোহেঁতেন
বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাতে যেতিয়া
ডাঙৰ আখৰে তোমাৰ ছবিটি ওলাল ,
চাই সকলো , কল্পনা অসাৰ হৈ গ'ল
তলত সৰুকৈ লিখা আছিল—
" ধৰ্ষণ আৰু অমানুষিক অত্যাচাৰৰ
বলি হৈ মৃত্যু হোৱা—ৰাজু বৰুৱা ।" ●●●



# অবুজ সপোন

শ্ৰী শুভজিৎ গগৈ
স্নাতক ২য় বাৰ্ষিক
অসমীয়া বিভাগ

যোৱানিশা সপোন দেখিছিলো
সোঁৱৰণীৰ কোঁহে কোঁহে
মোৰ চিক্‌মিক সপোন
যেন আইৰ মৰমী আঁচল
যাৰ বা লাগি পাহৰো
মোৰ আজীৱন দুঃখ ।।
যেন প্ৰিয়াৰ দুচকু নীলা
থূপখাই আছে য'ত মোৰ কল্লোলিত যৌৱন
যেন সেই প্ৰশান্ত তটিনী
যাৰ পাৰত উদ্ভাসিত
মোৰ সহস্ৰ জীৱন
ঠিকযেন অগ্ৰজৰ তগ্‌বগ্ শোণিত
পৰশত যাৰ
ধন্য মোৰ আপোন ঘাটি ।। ●●●

# 'প্ৰত্যাশা'

—শ্ৰীমতী মৃণালী শৰ্মা
স্নাতক ২য় বাৰ্ষিক

গভীৰৰ পৰা গভীৰতৰলৈ
সিহঁত সোমাই গৈ আছে,
দৰিদ্ৰতাৰ অহৰহ দহনত
সিহঁত পঙ্গু হৈ গৈছে
একমাত্ৰ লক্ষ্য মাথোন এতিয়া
এমুঠি অন্ন ॥
অৰুণোদয়ৰ লগে লগেই
হাতত কোৰ লৈ ওলায়
নিজ নিজ কৰ্মলৈ
বুকুৰ ঘাম মাটিত পেলায়
অহোপুৰুষাৰ্থ কৰে
শ্যামলীমা কৰিবলৈ বসুন্ধৰা ॥
সিহঁতৰ প্ৰতিটো তেজৰ বিন্দু
বিলীন হৈ যায় মাটিৰ লগত ॥
তথাপিতো ......॥
সিহঁতৰ প্ৰাপ্যৰ বাটত লাগে কেনা
হিচাপত হেৰ-ফেৰ, লঘোন আধাপেটী
অনিশ্চিত জীৱন
তথাপি অগস্ত্য যাত্ৰা সিহঁতৰ
আচলতে প্ৰোহৰৰ পথ
সমানেই অপ্ৰতিৰোধ্য ॥ ●●●



# মৃত্যুৰ গৰাহত

— শ্ৰী উমাকান্ত গগৈ
স্নাতক ৩য় বাৰ্ষিক



মোৰ জীৱনৰ
প্ৰতিক্ষণতে জাগি উঠে
মৃত্যুৰ জয়ধ্বনি;
চৌদিশে মাথোন
হত্যা, লুণ্ঠন, অপহৰণ
আৰু ক'ত যে কি ?
প্ৰতিক্ষণতে চমক লগায়
কান্দোনৰ খলকনিৰে
মই নিৰুপায় ?
হে বন্ধু !
নোৱাৰোঁনে কৰিব
ইয়াৰ প্ৰতিকাৰ আমি
আহাঁ, আমি যাওঁ আগুৱাই
প্ৰতিকাৰৰ পথ বিচাৰি ।
আহাঁ, আমি সংকল্প গ্ৰহণ কৰোঁ
জননীৰ ৰক্ষাৰ বাবে
য'ত প্ৰতিষ্ঠা হ'ব
সত্য, শিৱ, সুন্দৰ
আৰু অহিংসাৰ;
য'ত নাথাকিব উচ্চ-নীচ
ভেদাভেদ ভাৱ
এইয়ে আমাৰ লক্ষ্য হওক
জননীৰ বাবে ॥ ●●●



# তথাপিতো মই জীয়াই আছোঁ।



শ্ৰী ইন্দেশ্বৰ বড়া
স্নাতক ৩য় বাৰ্ষিক
কলা-শাখা
অসমীয়া—বিভাগ

[illegible] হেৰুৱাই মই কঢ়িয়াই ফুৰিছোঁ।
এক নিঠৰুৱা শূন্য জীৱন।
সময়ৰ উত্তাল জোৱাৰত উটি গল
মোৰ, অতীত জীৱনৰ বহুৰঙী সপোনবোৰ
আৰু, [illegible] স্মৃতি।
তথাপিতো মই জীয়াই আছোঁ।
এতিয়া মই ক্লান্ত।
[illegible] সমীপত এতিয়া মই
ছিন্নমূল বৃক্ষ।
[illegible] দুৰন্ত গতিৰে
পাৰ হৈ গ'ল, মোৰ মূৰৰ ওপৰেদি
[illegible] গান।
তথাপি—
মই কঢ়িয়াই ফুৰিছোঁ এক নিঠৰুৱা জীৱন।
[illegible]—
[illegible] শীতৰ স্পৰ্শ কঠিন হিমাংশু পৰশ
[illegible] মানৱ অৱক্ষয়।
এতিয়া মই [illegible] বৰ্জিত এক জড়তা।
মোৰ বাবে পূবাৰ হেঙুলীয়া আকাশ
[illegible]
[illegible]—
[illegible] একেই।
[illegible] হ'ল মোৰ
জীৱন আৰু মৃত্যুৰ ৰেখাডাল।
[illegible] ছবি নিয়া কান্দোনৰ সন্ধানত
মই বেদুইন
অতীতৰ সোণালী সূতাডাল কাটি পেলোৱা
কঁটটোৰ সন্ধানত মই অপমৃত্যু সন্ধানী
তথাপি, মই জীয়াই আছোঁ
এটা শূন্য জীৱন লৈ;
কঢ়িয়াই লৈ ফুৰিছোঁ; এক নিঠৰুৱা জীৱন
কাৰণ কিজানিবা বিচাৰি পাওঁ
বৰ্তমানত
মোৰ হেৰাই যোৱা অতীত ॥ □□□

# অপেক্ষা

শ্ৰী মতী বিজয়লক্ষ্মী গগৈ
স্নাতক তৃতীয় বাৰ্ষিক
কলা শাখা।



কত বিনিদ্ৰ নিশাৰ
ভয়াবহ নিসঙ্গতাক
সোঁৱৰি আজিও
বাটচাই আছো তোমালৈ ॥
সদায়ে ভাবো এয়ে মোৰ শেষ নিশা,
তোমালৈ অপেক্ষা কৰাৰ
কিন্তু—
পূবাৰ প্ৰভাতৰ
আশাদীপ্ত ৰেঙনীয়ে
আকৌ সাহস দিয়ে
মোক—
আৰু এটি বিনিদ্ৰ নিশা
আপেক্ষা কৰিবলৈ
তোমাৰ বাবে। □□□

# কবিতা

**শ্ৰী মণিদীপ মহন**
স্নাতক তৃতীয় বাৰ্ষিক

সময়ৰ কুটিল গতিত
কম্পিত মোৰ শিল্পী প্ৰেমৰ
ছন্দোময় তুলিকা,
ধূসৰ দুপৰ ! ধোঁৱাত আচ্ছন্ন ঘৰ।
একবিংশ শতিকাৰ অবাঞ্ছিত স্বাগতম্
"আল্লা ঈশ্বৰৰ মহাসমৰত তেজৰ ঢৌ"
সোণগুটি সোৱাগমণি আঘোণৰ পথাৰত
সদ্যপুষ্পিতা তেজীমলাৰ কৰুণ বিননি—
"হাতো নেমেলিবি কাষো নাচাপিবি
আজুৰি নিনিবি মোৰ গাভৰু লাজ"
ৰুদ্ধ হ'ব খোজে কলমৰ গতি
জোলোক জোলোক তেজ
যেন মৃত্যুৰো অপমৃত্যু
আগলি কলপাতত ............... !
তথাপি শিল্পী মোৰ আশাৰ যাত্ৰা
এটুকুৰা সেউজীয়া পৃথিৱী,
কলিজা ফালি কৈ আছে মাথো
এধাৰি প্ৰেমৰ তপত কবিতা
তেজ-গোৰা ফুল।

●●●







# তোমাৰ গান শুনিম ০০০।

**— শ্ৰী অনামিকা কোঁৱৰ**
স্নাতক ৩য় বাৰ্ষিক (অসমীয়া বিভাগ)

তোমাৰ গান শুনিম
যেতিয়া ফুলনিত
ফুল ফুলিব .......
তুমি আহিবা
যেতিয়া দৰদী
পখীয়ে মাতিব ....... ॥
তোমাৰ গান শুনিম ...........
আকাশৰ জোনে
যেতিয়া পোহৰ সিঁচিব
জুৰিটিৰ পাৰত কঁহুৱা ফুলিব ....... !
তুমি আহিবা
যেতিয়া হৃদয়ে
তোমাক মাতিব ....... ॥
বকুলৰ সুবাস
—যেতিয়া উৰিব।
ভৰালীয়ে গীতৰ শৰাই পাতিব ....... !!
তুমি আহিবা
যেতিয়া সুৰৰ
নিজৰাই মাতিব ....... ॥



# 'চিঠিৰ আকাৰে-কবিতা'

**—শ্ৰী ৰতন ৰাজোৱা**
স্নাতক ১ম বাৰ্ষিক
কলা শাখা।

চিৰ আৰাধ্যা মাতৃ মোৰ
প্ৰণাম মৰম লবি
মোৰ চিঠিৰ কথা চাগৈ
সকলোকে কবি।
মই লিখে লিখিছোঁ চিঠি
তোলৈকে বুলি,
পঢ়িব হলে পাৰিব ইয়াক
সকলোৱে খুলি।
ঈশ্বৰৰ দয়াত তহঁতৰ কৃপাত
কুশলেই আছো মই
চাকৰিৰ ধনেৰে তিনিপাট্টি লেখিছো
নাজনিশা লৈ।
তই দিয়া চিঠিখন পিছে
আজিও নাপালো মই
লিখা কথাবোৰ মনতে ৰাখিবি
কাণেৰেই শুনিমগৈ।
গোটেই দৰ্মহাটো তোলৈ বুলি
পঠাই দিবৰ মন
চাকৰক দিওঁতে বান্ধণিক দিওঁতে
আদায় হয় ধন।
লগৰ শেষত নমস্কাৰ লবি
সেয়াৰে আজিলৈ আহোঁ।
পৰিচয়টো দিবৰ বাবে
এইবাৰ আগবাঢ়ো।
চিনি নাক পালিনে মোক
সেইটো লিখকনো কোন
সেইটো হলো তোৰেই পুত্ৰ
ৰমৰ ০০০০॥



●●●

# 'সাধুৰ সাঁচতী'

**— জোনমণি বৰুৱা**

চৰ-চাপৰি, চহৰ-বন্দৰত বিয়পি পৰে
কাঁড়ী-পাইকৰ ক্ৰুধ আৰু বৈৰীতাৰ নিৰ্য্যাস
এতিয়া কওঁ বুলিও ক'ব নোৱাৰোঁ।
বুকুৰ গোপন কুশল মঙ্গল
লওঁ বুলিও ল'ব নোৱাৰোঁ
আঁজলি পাতি ফুলৰ ঘ্ৰাণ
একাঞ্জলি মাটিৰ স্বাদ—
কওঁ যদি—দিন এতিয়া সচাঁই দুৰ্দ্দিন
ইয়াত সৰনাই জোনাক বিদীৰ্ণ হ'য়
ৰাতি চৌ-চিৰ হোৱা কাননৰ গাজনিত
ৰাতি খুপি খুপি আহিবিনে ৰতনপুৰৰ শিয়ালী
আহিবিনে ?
তোৰে কাণে কাটি
তোৰে কাণে কাটি দুৰ্দ্দিনত লগাম ৰাতি
শিয়ালী আহি তই মেলিবি জপাৰ কাঠি
তামোলৰ পিকলগা জধলা চুমাৰে
খুলিব আইতাই সাধুৰ সাঁচতি
শিয়ালী এ আহিবি ৰাতি—

★ ★ ★

---

-চেতনাৰ ওপৰেদি চলি যায় অবিৰাম ৰাতিৰ মিছিল
বিস্ময়ত মুগ্ধ মই ; নিৰুপায় সূৰ্য্য আৰু পৃথিৱীৰ মন।
—দিনেশ গোস্বামী

# কুইজ

সংগ্ৰাহক / সংগ্ৰাহিকা
মিচ্ ববীতা খাউনীয়াৰ
সুজিত কুমাৰ দে

পৃথিৱীৰ ভিতৰত আটাইতকৈ ডাঙৰ ৰেলষ্টেচনটোৰ নাম কি ?

● উত্তৰ : গ্ৰেণ্ড চেণ্টেল টামিনেল । ( U.S.A, নিউইয়ৰ্ক )

পৃথিৱীৰ ভিতৰত আটাইতকৈ ডাঙৰ আৰু বয়সস্থ গছ-জোপা কি ?

● উত্তৰ : কালিফোনিয়াত থকা জেনাৰেল চেৰমান গছ-জোপা। ইয়াৰ উচ্চতা ৩৭৩ ফুট। বয়স প্ৰায় ৫ হেজাৰ বছৰ ।

কোন চনত ভাৰতত ৰেল গাড়ী চলে ?

● উত্তৰ : ১৮৫৩ চনত ।

"ভাৰত ভাৰতী" গ্ৰন্থখনৰ গ্ৰন্থকাৰ কে.ন আছিল ?

● উত্তৰ : মৈথিলি মাৰাণ গুপ্তা ।

স্বৰ্ণমন্দিৰ ক'ত অৱস্থিত ?

● উত্তৰ : অমৃতসৰ ।

ভাৰতত কোনবিধ খনিজ পদাৰ্থ আটাইতকৈ বেছি উৎপাদন হয় ?

● উত্তৰ : মাইকা বা বালিচন্দা ।

ভাৰতবৰ্ষৰ আটাইতকৈ দীঘল নদীখনৰ নাম কি ?

● উত্তৰ : গংগা ।

কোনে "Prison Oiorg" কিতাপখন লিখিছিল ?

● উত্তৰ : জয়প্ৰকাশ নাৰায়ন ।

"টুলুক" কোনখন ৰাজ্যৰ চলিত ভাষা ?

● উত্তৰ : কৰ্ণাটক ।

ভাৰতৰ কোনখন ৰাজ্যত শিক্ষিতৰ হাৰ আটাইতকৈ বেছি ?

● উত্তৰ : কেৰেলা ।

উদ্যোগবিপ্লৱ প্ৰথমে ক'ত আৰম্ভ হৈছিল ?

● উত্তৰ : ইংলণ্ডত ।

"অৰ্জুনবটা" কেতিয়াৰ পৰা প্ৰচলন হৈছিল ?

● উত্তৰ : ১৯৬১ চনৰ পৰা ।

"ইষ্ট ইণ্ডিয়া কোম্পানী" কেতিয়া জন্ম হৈছিল ?

● উত্তৰ : ১৬০০ চনত ।

"পঞ্চতন্ত্ৰ" কোনে লিখিছিল ?

● উত্তৰ : বিষ্ণু শৰ্ম্মা ।

ভাৰতৰ জাতীয় কংগ্ৰেছৰ প্ৰথম সভাপতি কোন আছিল ?

● উত্তৰ : উমেশ চন্দ্ৰ বেনাৰ্জী ।

ভাৰতৰ "লৌহ মানৱ" বুলি কাক জনা যায় ?

● উত্তৰ : চৰ্দাৰ বল্লব ভাই পেটেল ।

"The child is the father of the man" বুলি কোনে কৈছিল ?

● উত্তৰ : উইলিয়াম উৱডচউৰ্থ ( Wordsworth ) ।

ভাৰত আৰু চীনৰ মাজত থকা সীমা ৰেখাটোৰ নাম কি ?

● উত্তৰ : মেক্ মোহন লাইন ।

ভাৰত যুক্তৰাষ্ট্ৰত সৰ্বশেষত অন্তৰ্ভুক্তি হোৱা ৰাজ্যখনৰ নাম কি ?

● উত্তৰ : চিকিম ।

ভাৰতত প্ৰথম ছবিঘৰ কোনে, ক'ত আৰু কেতিয়া নিৰ্মাণ কৰিছিল ?

● উত্তৰ : জে, এফ, মদনে, ১৯০৬ চনত কলিকতাত ।



# সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা ৯২-৯৩

## Sonari College Students' Union 92-93

সোণাৰিঃ ৭৮৫৬৯০
শিৱসাগৰ ( অসম )

ছাত্ৰ একতা সভাৰ ভিতৰ চ'ৰা

# সোণাৰি মহাবিদ্যালয় ছাত্র একতা সভা
# SONARI COLLEGE STUDENTS' UNION

স্থাপিত ১৯৭০ চন

কাৰ্য্যকাল ১৯৯২-৯৩ চন

**সভাপতি :** অধ্যক্ষ , শ্ৰীগোলাপ বৰগোহাঁই

**উপ সভাপতি :** শ্ৰীমনিদীপ মহন

**সাধাৰণ সম্পাদক :** শ্ৰীনোকুল বৰুৱা

**সহকাৰী সাধাৰণ সম্পাদক :** শ্ৰীউৎপল চেতিয়া

**গুৰু খেল বিভাগ :** শ্ৰীভদ্ৰ বুঢ়াগোহাঁই

**লঘু খেল বিভাগ :** শ্ৰীদিতুল গগৈ

**সংগীত বিভাগ :** শ্ৰীদেৱজ্যোতি দিহিঙ্গীয়া

**সাংস্কৃতিক বিভাগ :** শ্ৰীপূৰ্ণানন্দ ফুকন

**সাহিত্য আৰু তৰ্ক :** শ্ৰীখগেশ্বৰ বৰুৱা

**আলোচনী বিভাগ :** শ্ৰীঅমৃত ৰাইলুং

**শৰীৰ চৰ্চ্চা বিভাগ :** শ্ৰীতিলক পায়েং

**সমাজ সেৱা বিভাগ :** শ্ৰীশুভ কান্ত গগৈ

**ছাত্ৰ জিৰণী চ'ৰা :** শ্ৰীদীপু ৰঞ্জন দত্ত

**ছাত্ৰী জিৰণী চ'ৰা:** শ্ৰীমতী হেমন্তী মহন

শ্ৰেণী প্ৰতিনিধিসকল :

শ্ৰীমৃদুল দিহিঙ্গীয়া, স্নাতক তৃতীয় বাৰ্ষিক ( কলা)

শ্ৰীযত্ন চাংমাই, স্নাতক দ্বিতীয় বাৰ্ষিক ( কলা )

শ্ৰীবিপ্লৱ হাতীকাকতি , স্নাতক প্ৰথম বাৰ্ষিক ( কলা )

শ্ৰী অৰূপ কোঁৱৰ , উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক ( কলা )

শ্ৰী শেখৰজিৎ গগৈ , উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক ( বিজ্ঞান )



## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভনিতে আপোনালোক সদৌটিলৈ মোৰ আন্তৰিক অভিনন্দন ও শুভেচ্ছা জ্ঞাপন কৰিলো। আজিৰ পৰা প্ৰায় ২২ বছৰ আগতে কেইজন মান গুণী, শুভ বুদ্ধি সম্পন্ন ব্যক্তিৰ আপ্ৰাণ প্ৰচেষ্টাৰ ফলত ১৯৭০ চনৰ ৫ আগষ্ট তাৰিখে এই "সোণাৰি মহাবিদ্যালয়" খন স্থাপন হয়। এই মহাবিদ্যালয়খনি স্থাপন হোৱা দিনৰে পৰা সোণাৰিবাসী ৰাইজৰ লগতে চৰাইদেউ মহকুমাৰ ভিতৰত একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান বুলি কলে বঢ়াই কোৱা নহ'ব। যেতিয়াৰে পৰা এই মহাবিদ্যালয়খন স্থাপন হয়, তেতিয়াৰে পৰা এই মহাবিদ্যালয়খনে বিশ্বমানৱ সমাজলৈ শিক্ষাৰ জ্যোতি বিলাই আহিছে আৰু ভৱিষ্যতেও বিলাই যাব।

গণতান্ত্ৰিক দেশ হিচাপে ভাৰতবৰ্ষৰ প্ৰতিজন নাগৰিকক ইয়াৰ সংবিধানে কিছুমান মৌলিক অধিকাৰ প্ৰদান কৰি আহিছে। তাৰ ভিতৰত অন্যতম অধিকাৰ ভোটাধিকাৰ। এই অধিকাৰ আমাৰ মহাবিদ্যালয়তো ব্যতিক্ৰম হোৱা নাই। প্ৰতি বছৰে ছাত্ৰ ছাত্ৰী সকলে এই অধিকাৰ ভোগ কৰি আহিছে। তদ্ৰুপ ১৯৯২ চনৰ ২৯ জানুৱাৰী তাৰিখে ছাত্ৰ ছাত্ৰী সকলৰ এই অধিকাৰৰ দ্বাৰা গোপন (বেলট) কাগজ প্ৰথাৰে মোক সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচনী ৰায় দিয়ে। মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰ ছাত্ৰী সকলে তেওঁলোকৰ ৰায়ৰ দ্বাৰা সাধাৰণ সম্পাদক হিচাপে স্বীকৃতি প্ৰদান কৰি ছাত্ৰ ছাত্ৰী সকলৰ তথা মহাবিদ্যালয়খনৰ সেৱা কৰা সুযোগকন দিয়াৰ বাবে তেখেতলোকৰ ওচৰত মই কৃতজ্ঞতা জনোৱাৰ লগতে শলাগৰ শৰাই আগবঢ়ালো।

**কাৰ্যভাৰ গ্ৰহণ** ১৯৯২ চনৰ ২৯ জানুৱাৰী তাৰিখে সাধাৰণ সভাত পুৰণা সমিতিয়ে বিদায় জনাই আমাক দায়িত্ব ভাৰ অৰ্পণ কৰে আৰু আমি মহাবিদ্যালয়ৰ ছাত্ৰ সমাজৰ উন্নতিৰ কাৰণে কাম কৰি যাম বুলি শপত গ্ৰহণ কৰি কাৰ্যভাৰ গ্ৰহণ কৰো।

**মহাবিদ্যালয়ৰ প্ৰতিভাৰ জিলিঙনি-** মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ শৈক্ষিক দিশৰ লগতে অন্যান্য প্ৰতিভাৰ বিকাশৰ বাবে বিগত বছৰৰ দৰে এইবছৰো ছাত্ৰ একতা সভাৰ উদ্যোগত ইং ১৯৯২ চনৰ ১০ ফেব্ৰুৱাৰীৰ পৰা মহাবিদ্যালয়ৰ দ্বা-বিংশতিতম বাৰ্ষিক ক্ৰীড়া সমাৰোহ সপ্তাহযোৰা কাৰ্য্যসূচীৰে পালন কৰা হয়। প্ৰতিভা জিলিঙনিৰ আটাইকেইটা দিনতেই শতাধিক প্ৰতিযোগীৰ যোগদান আৰু বিপুল সংখ্যক ছাত্ৰ ছাত্ৰীৰ উপস্থিতিয়ে আমাক উৎসাহ যোগায়।

**বিদায় সভা** মহাবিদ্যালয়ৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলৰ আনুষ্ঠানিকতা ৰক্ষা কৰি বিদায় সম্ভাষণ জনোৱাৰ উদ্দেশ্যে এখনি বিদায় সভাৰ আয়োজন কৰা হয় ইং ১৭ জুলাই ৯২ তাৰিখে। নবাগত আদৰণি সভাও অনুষ্ঠিত কৰা হয়। সভাত বিশিষ্ট অতিথি হিচাপে যোগদান কৰে মথুৰাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত প্ৰফুল্ল চন্দ্ৰ বৰঠাকুৰ দেৱে।

# ছাত্ৰ একতা সভাৰ মহাবিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত জনোৱা দাবীসমূহঃ-

চৰাইদেউ মহকুমাৰ ভিতৰত একমাত্ৰ উচ্চ শিক্ষা অনুষ্ঠান হিচাপে আমাৰ মহাবিদ্যালয়ৰ যথেষ্টখিনি সুবিধা আছে যদিও ইয়াত অসুবিধাসমূহৰ প্ৰধানতা বেছি। আমি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত স্মাৰক পত্ৰ আৰু মৌখিক ভাৱে কিছু দাবী জনাইছিলো। আমাৰ দাবীসমূহৰ গুৰুত্ব উপলব্ধি কৰি অধ্যক্ষ মহোদয়ে মহাবিদ্যালয়ৰ জ্বলন্ত সমস্যা সমূহ অৰ্থৰ নাটনি স্বত্তেও সমাধান কৰিবলৈ যথপৰোনাস্তি চেষ্টা কৰি আহিছে। তাৰবাবে তেখেতলৈ আমাৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

## দাবীসমূহঃ-

(১) ছাত্ৰাবাস-ছাত্ৰীনিবাস সমূহৰ অভাৱ অভিযোগবোৰ বিবেচনা কৰি খৰতকীয়া ব্যৱস্থা ল'ব লাগে।

(২) মহাবিদ্যালয়ৰ বিজ্ঞানাগাৰ সমূহৰ নিৰ্মাণ সম্পূৰ্ণ কৰিব লাগে আৰু যাৱতীয় সজুঁলী যোগান ধৰিব লাগে।

(৩) মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটোৰ লগতে পঢ়া কোঠালী এটা নিৰ্মাণ কৰিব লাগে, পাঠ্য পুথিৰ যোগান ধৰিব লাগে।

(৪) নিৰ্মীয়মান চাইকেল গেৰেজটো সম্পূৰ্ণ কৰিবলাগে।

(৫) মহাবিদ্যালয়ত শ্বহীদ বেদীতো অনতিপলমে নিৰ্মাণ কৰিবলাগে।

(৬) মহাবিদ্যালয়ৰ এখন স্থায়ী তোৰণ নিৰ্মাণ কৰিব লাগে।

(৭) মহাবিদ্যালয়ৰ শ্ৰেণীকোঠা সমূহ সম্পূৰ্ণ কৰিবলাগে।

(৮) মহাবিদ্যালয়ৰ খেলপথাৰ উন্নত কৰিবলৈ অনতিপলমে কাম আৰম্ভ কৰিবলাগে।

উল্লেখযোগ্য যে এই দাবীসমূহৰ বহু দাবী আজি কেইবাবছৰৰ পৰাই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই কৰ্তৃপক্ষক জনাই অহিছে।

> মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে সদা সতৰ্ক, জ্ঞান-পিপাসু, গঠনমূলক দৃষ্টি ভংগীৰে চিন্তা-চৰ্চা কৰাতো প্ৰয়োজন। অভাৱসমূহ দূৰীকৰণৰ হকে আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ দিহা পৰামৰ্শ অতি প্ৰয়োজন। পূৰ্ণ শৈক্ষিক বাতাবৰণ সৃষ্টিৰ বাবে অধ্যাপক আৰু অধ্যাপিকাসকলৰ লগত ছাত্ৰ-ছাত্ৰীসকলৰো সময়মতে সহায় সহযোগ থকাতো বাঞ্চনীয়।

**কৃতজ্ঞতা জ্ঞাপনঃ-** মোক বিশেষ ভাবে দিহা পৰামৰ্শ দিয়া মাননীয় অধ্যক্ষ মহোদয়লৈ মোৰ শ্ৰদ্ধা নিবেদিছো। মোক কাৰ্যকালত বিশেষভাৱে সহায় কৰা মণিদীপ, উৎপল, খগেশ্বৰ, শুভকান্ত, অমৃত, দীতুল, শেখৰ, মহু, দিপু, পূৰ্ণানন্দ, বিপ্লৱ, নগেন, ভূপেন, প্ৰসাদ, দীচেন, হেপ্পী, বীণা, ৰূপালী দেৱী, ঋজু, ববীতা, নৱমী, গায়ত্ৰী, মহনহঁতলৈ মোৰ আন্তৰিক ধন্যবাদ ৰ'ল। সদৌ শেষত সোণাৰি মহাবিদ্যালয়ৰ উন্নতি কামনাৰে মোৰ এই চমু প্ৰতিবেদন সামৰিলো।

ধন্যবাদেৰে
"জয় আই অসম"
জয়তু সোণাৰি মহাবিদ্যালয়
ছাত্ৰ একতা সভা
শ্ৰী নোমল বৰুৱা
সাধাৰণ সম্পাদক

★★★



# খেল আৰু সাংস্কৃতিক বিভাগ





# দ্বা-বিংশতিতম মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত হোৱা বিভিন্ন প্ৰতিযোগিতা সমূহৰ ফলাফল ঃ



## খেল বিভাগ ঃ

দৌৰ (ল'ৰাৰ)

১০০ মিটাৰ ঃ–
প্ৰথম ঃ শ্ৰী কুশল ৰাজকোঁৱৰ
দ্বিতীয় ঃ শ্ৰী বিদ্যা বৰগোঁহাই
তৃতীয় ঃ শ্ৰী বিচিত্ৰ বৰগোঁহাই

২০০ মিটাৰ ঃ– (ল'ৰাৰ)
প্ৰথম ঃ শ্ৰী কুশল ৰাজকোঁৱৰ
দ্বিতীয় ঃ শ্ৰীবিদ্যা বৰগোঁহাই
তৃতীয় ঃ শ্ৰী বিচিত্ৰ বৰগোঁহাই

৪০০ মিটাৰ ঃ– (ল'ৰাৰ)
প্ৰথম ঃ শ্ৰী বিচিত্ৰ বৰগোঁহাই
দ্বিতীয় ঃ শ্ৰী বিদ্যা বৰগোঁহাই
তৃতীয় ঃ শ্ৰী দন্দেশ্বৰ লিকচন

৮০০ মিটাৰ ঃ– (ল'ৰাৰ)
প্ৰথম ঃ শ্ৰী অজিত গগৈ
দ্বিতীয় ঃ শ্ৰী বিচিত্ৰ বৰগোঁহাই
তৃতীয় ঃ শ্ৰী বিদ্যা বৰগোঁহাই

১৫০০ মিটাৰ ঃ— (ল'ৰাৰ)
প্ৰথম ঃ শ্ৰী অজিত গগৈ
দ্বিতীয় ঃ শ্ৰী বিচিত্ৰ বৰগোঁহাই
তৃতীয় ঃ শ্ৰী পদ্ম বৰগোঁহাই

৫০০০ মিটাৰ ঃ– (ল'ৰাৰ)
প্ৰথম ঃ শ্ৰী প্ৰদীপ বৈদ্য
দ্বিতীয় ঃ শ্ৰী অজিত গগৈ
তৃতীয় ঃ শ্ৰী বিচিত্ৰ বৰগোঁহাই

১০০ মিটাৰ ঃ– (ছোৱালী)
১ম ঃ কণো ফুকন
২য় ঃ নিৰ্ম্মালী সোনোৱাল
৩য় ঃ নাজমা বেগম



২০০ মিটাৰ ঃ– (ছোৱালী)
১ম ঃ কণো ফুকন (Rose)
২য় ঃ পূৰ্ণিমা বৰগোঁহাই

৪০০ মিটাৰ ঃ— (ছোৱালী)
১ম ঃ তিলো গগৈ
২য় ঃ শিখা বৰগোঁহাই
৩য় ঃ নাজমা বেগম

৮০০ মিটাৰ ঃ— (ছোৱালী)
১ম ঃ নিৰদা কোঁৱৰ
২য় ঃ কণো [ Rose ] ফুকন
৩য় ঃ পূৰ্ণিমা বৰগোঁহাই

১৫০০ মিটাৰ ঃ— [ছোৱালী]
১ম ঃ নিৰদা কোঁৱৰ
২য় ঃ Rose Phukon
৩য় ঃ দিপ্তী গগৈ

৫০০০ মিটাৰ ঃ– [ছোৱালী]
১ম ঃ নিৰদা কোঁৱৰ
২য় ঃ ×
৩য় ঃ ×

ৰিলে ৰেচ ঃ [ল'ৰাৰ]
প্ৰথম ঃ [১] শ্ৰী কুশল ৰাজকোঁৱৰ
[২] শ্ৰী পদ্ম বৰগোঁহাই
[৩] শ্ৰী দুৰ্গা কোঁৱৰ
